# অসম বিধান সভা অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৯/০৩/২০১৮ বৃহস্পতিবাৰ

**আজি ইং ২৯-০৩-২০১৮ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচী মতে ৰাতি পুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Question No. 361- Shri Abdul Khaleque. Minister please.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জল সম্পদ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই চৰকাৰক আৰু মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই আৰম্ভ কৰিব বিচাৰিছো। কাৰণ, নতুন চৰকাৰ অহাৰ পিছত মই যেতিয়া এইবাৰ বিধায়ক হ'লো, মোৰ সমষ্টিৰ বেকীৰ বৰডোঙাত এটা মথাউৰি আছিল যিটো ছিঙি গৈছিল আৰু নতুন চৰকাৰে সেই মথাউৰি নিৰ্মাণৰ বাবে ২ কোটি ৯৭ লাখ টকা দিছিল। তাৰ কাম ইতিমধ্যে সম্পূৰ্ণ হোৱা বুলি উত্তৰত জনাইছে। মই যদিও কোনো অভিযন্তা নহয়, কিন্তু লোকদৃষ্টিত কাম ভাল হোৱা বুলি জানিব পাৰিছো। সেইকাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, বৰডোঙা অঞ্চলটো অতি স্পৰ্শকাতৰ অঞ্চল। কিন্তু এই মথাউৰিটোৱে বৰডোঙা অঞ্চলত খহনীয়া প্ৰতিৰোধৰ বাবে যথেষ্ট নহয়। সেইকাৰণে বৰডোঙা অঞ্চলত protection ৰ বাবে ২০১৬ চনতে Anti-erosion measures to protect Bardonga and its adjoining area from the river Beki on its L/B, নামৰ এখন আঁচনিৰ বাবে ৮.৫৭ কোটি টকাৰ estimate এটা যুগুত কৰি দিছিল আৰু 68th Technical Advisory Committee ত এই প্ৰস্তাৱটো pass হৈছিল। কিন্তু ২০১৬ চনতে গৃহীত হোৱা TAC অনুমোদিত প্ৰস্তাৱটো কি কাৰণে আজিলৈকে কাৰ্যকৰী নহ'ল? ইয়াৰ DPR ও submit কৰা হৈছিল কিন্তু চৰকাৰে কিয় টকা নিদিলে, তাৰ কাৰণ নাজানো। সেয়েহে, মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই 68th TAC ত pass হোৱা প্ৰস্তাৱটো কাৰ্যকৰী হয়। অধ্যক্ষ মহোদয়, সদনত আমি বহু সময়ত সত্ৰৰ মাটি বেদখল কৰাৰ কথা আলোচনা কৰি আহিছো। কিন্তু, সেই একে সময়তে বহু সত্ৰৰ মাটি -সম্পত্তি তথা সম্পূৰ্ণ সত্ৰ খনেই নৈৰ বুকুত জাহ যোৱা দেখা গৈছে বা জাহ যোৱাৰ উপক্ৰম হৈছে। উদাহৰণ স্বৰূপে, মইনবড়ী সত্ৰ খনৰ সম্পৰ্কে মন্ত্ৰী মহোদয় নিশ্চয় অৱগত। এই সত্ৰখন ব্ৰহ্মপুত্ৰত সম্পূৰ্ণ জাহ গৈছে। ফলস্বৰূপে, সৰভোগৰ ওচৰত মইনবড়ী সত্ৰখন স্থানান্তৰ হৈছে। একেদৰে জনিয়া সত্ৰৰ প্ৰতিও তীব্ৰ ভাবুকি আহিছে। গতিকে বৰডোঙা আৰু জনিয়া সত্ৰক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি সেই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জল সম্পদ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আব্দুল খালেক ডাঙৰীয়াই যিটো কথা কৈছে, আমাৰ বিভাগে যেতিয়া এখন আঁচনি প্ৰস্তুত কৰে সেই আঁচনি খন

প্ৰস্তুত হোৱাৰ পিছত আমাৰ Technical Advisory Committee ত pass হয় আৰু এই আঁচনি খন SDRF ৰ প্ৰস্তাৱ হিচাপে দি পঠাও আৰু এই প্ৰস্তাৱটো ৰাজহ বিভাগলৈ যায় আৰু তাত Chief Secretary ৰ chairmanship ৰ Committee খনে এই প্ৰস্তাৱটো pass কৰে। গতিকে, আমি এই আঁচনি খনৰ প্ৰস্তাৱটো ইতিমধ্যে প্ৰেৰণ কৰিছো। আমি আব্দুল খালেক ডাঙৰীয়াৰ জনিয়া সমষ্টিত ইতিমধ্যে আৰম্ভ কৰা বা আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱিত আঁচনি সমূহৰ নাম ইতিমধ্যে উত্তৰত উল্লেখ কৰিছো। আনহাতে, জনিয়া সত্ৰৰ খহনীয়াৰ ক্ষেত্ৰত যি যাৱতীয় ব্যৱস্থা ল'ব লাগে আমি সোনকালে গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আব্দুল খালেক, মাননীয় সদস্য (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনিয়া সত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা ল'ব বুলি আশ্বাস দিয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিন্তু তেখেতে বৰডোঙাৰ ক্ষেত্ৰত যি ক'লে সেইটো ঠিক কোৱা নাই। 68th TAC ত যিটো pass হৈছে আৰু SDRF ত যিটো কাম হৈছে সেই দুটা একে নহয়। যিটো মথাউৰি ছিঙিছিলে সেইটো ঠিক কৰাৰ বাবেহে SDRF ত টকা দিছিল। 68th TAC ত যিটো pass হৈছে তাত মথাউৰি ছিঙা বিষয়টো জড়িত নহয় আৰু তাৰ কাম আজিলৈকে হোৱা নাই। মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে সেইটো অকল মোৰ সমষ্টিৰ কথাই নহয় তাত আমাৰ মাননীয় সদস্য ৰণজিৎ দাস ডাঙৰীয়াৰ সমষ্টিৰ কথাও জড়িত আছে। তেখেতৰ সমষ্টিৰ যি উত্তৰ চাফাকামাৰ, সেই ঠাইতো তীব্ৰ গৰা-খহনীয়াৰ সৃষ্টি হৈছে। গতিকে বৰডোঙাৰ ক্ষেত্ৰত যাতে উপযুক্ত ব্যৱস্থা লয়। আন এটা কথা হ'ল যে, প্ৰশ্নটোৰ উত্তৰত যিহেতু মানাহৰ কথাও উল্লেখ কৰিছে আৰু 70th TAC ত ৫.৮৯ কোটি টকাৰ, 'Protection of Bardonga and its adjoining area from the river Manas' নামৰ এখন আঁচনিৰ প্ৰস্তাৱ pass হৈছে, গতিকে সেইখনো যাতে অতি সোনকালে কাৰ্যকৰী হয় তাৰ বাবে ব্যৱস্থা ল'বলৈ মই অনুৰোধ কৰিছো। অধ্যক্ষ মহোদয়, এইখিনিতে মন্ত্ৰী মহোদয়ে যি ১৩০ কোটি টকাৰ এটা প্ৰস্তাৱ কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰণ কৰা বুলি কৈছে, যিটো প্ৰকৃততে ১২৮ কোটি টকাৰ আছিল কিন্তু এতিয়া ১৩০ কোটি টকাৰ হৈছে, কেন্দ্ৰীয় জল আয়োগে সেই আঁচনি খনৰ কৰ্মস্থলী পৰিদৰ্শন কৰিবলৈ অহা ৪ এপ্ৰিলত আহিব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এইটো কাৰ্যকৰী হয়। কাৰণ বেকীত যদি সংহত গৰাখহনীয়া প্ৰতিৰোধ আঁচনি ল'ব পাৰো তেনেহ'লে বৰপেটা আৰু বাক্সা জিলাৰ বিস্তীৰ্ণ অঞ্চল উপকৃত হ'ব। কিন্তু, এই ক্ষেত্ৰত আমাৰ এটা সংশয় আছে । কিয়নো, ইতিমধ্যে 49th TAC ত ৩৯৯ কোটি টকাৰ বেকীৰ এটা সংহত গৰাখহনীয়া আঁচনি pass হৈছিল কিন্তু সেইটো বিভিন্ন কাৰণত কাৰ্যকৰী নহ'ল। মই যিহেতু অসম বিধান সভাৰ Works Committee ত সদস্য হিচাপে আছো গতিকে তাত যেতিয়া আমি আলোচনা কৰিছো তেতিয়া জানিবলৈ পাইছো যে আমাৰ ফালৰ পৰা যোৱা বিভিন্ন প্ৰস্তাৱ সমূহ কেন্দ্ৰীয় জল আয়োগত সময়মতে গৃহীত নহয়। এইটো কেৱল মানাহ বা বেকী নৈৰ ক্ষেত্ৰতে নহয়, ব্ৰহ্মপুত্ৰ নৈ বা অন্য উপনৈ সমূহৰ ক্ষেত্ৰতো প্ৰস্তাৱ সমূহ সময় মতে গৃহীত নহয় যাৰ ফলত গৰা-খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰে। কাৰণ আমি যি সময়ত প্ৰস্তাৱ পঠিয়াও সেই প্ৰস্তাৱ সমূহ ১-২ বা ৩ বছৰ পিছত যেতিয়া গৃহীত হয় তেতিয়ালৈকে নৈ সমূহে গতি সলনি কৰে। গতিকে কেন্দ্ৰীয় জল আয়োগত কেনেদৰে আমাৰ প্ৰস্তাৱ সমূহ সময়মতে গৃহীত কৰাই ইয়াত কাৰ্যকৰী কৰিব পাৰো তাৰ বাবে চৰকাৰে যাতে বিহীত ব্যৱস্থা লয়। মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ এয়াই অনুৰোধ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জল সম্পদ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় আব্দুল খালেক ডাঙৰীয়াই বৰডোঙাৰ বা অন্যান্য যি কেইটা আঁচনিৰ কথা কৈছে সেই সমূহ ১৩০ কোটি টকাৰ আঁচনিটোৰ ভিতৰতে অন্তৰ্ভূক্ত হৈ আছে আৰু সেই আঁচনি খন এতিয়া চূড়ান্ত পৰ্যায়ত আছে। আমি যদিও ইয়াৰ লগত জড়িত সৰু সৰু কাম কিছুমানত আগবাঢ়িব পৰা নাই, প্ৰয়োজন হ'লে মই এই বিষয়ে আপোনালোকৰ আগত বিস্তৃত ভাৱে দাঙি ধৰিব পাৰিম। মূল কথাটো হ'ল যে, যিহেতু বেকী নৈ খন জনিয়া সমষ্টি, সৰভোগ সমষ্টি আৰু বাঘবৰ সমষ্টিতো পৰিছে গতিকে এই অঞ্চল সমূহত বেকী নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে এইবাৰেই নহয় আগতেও বিভিন্ন আঁচনি লৈছো যিবোৰৰ বিষয়ে মই ইতিমধ্যে উত্তৰত উল্লেখ কৰিছোৱেই। আনহাতে, এইখন আঁচনিৰ কাৰ্যকৰী কৰণত যদি পলম হয় তেন্তে বাকী যিবোৰ আঁচনিৰ কথা কৈছে সেই সমূহ কাৰ্যকৰী কৰিবলৈ আমি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া ৰণজিৎ দাস ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ দাস, মাননীয় সদস্য, (সৰভোগ)ঃ** অধ্যক্ষ মহোদয়, আমাৰ যি বেকী নৈ, তাৰ উৎপত্তি স্থল হৈছে মানাহ আৰু এই বেকী নৈ খন মানাহৰ পৰা আহি ব্ৰহ্মপুত্ৰ নৈ ত বিলীন হৈছে। বেকী নৈৰ উৎপত্তি স্থলৰ পৰা শেষলৈকে মোৰ সৰভোগ সমষ্টিৰ লগতে জনিয়া সমষ্টি, বৰপেটা সমষ্টি আৰু বাঘবৰ সমষ্টি, এই তিনিটা সমষ্টিও সংলগ্ন হৈ আছে। বেকী নৈৰ যি প্ৰকৃতি যে তাৰ বালিত বহুতো বালিচন্দা আছে যাৰ ফলত সঘনে গৰাখহনীয়া হৈ থাকে। গতিকে তাৰ সমাধানৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত অসমৰ জলসম্পদ মন্ত্ৰীৰ লগত আমি যোৱাবাৰ দিল্লীত গৈ কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী ডাঙৰীয়াক কেইবা বাৰো লগ ধৰিছিলো যাতে এই চাৰিওটা সমষ্টিতে বেকীৰ উৎপত্তি স্থলৰ পৰা একেবাৰে ব্ৰহ্মপুত্ৰলৈ গৰাখহনীয়াৰ সমস্যাটো সমাধান কৰিব পৰা যায়। গতিকে এই সমস্যা সমাধানৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত আমাৰ জল সম্পদ মন্ত্ৰীয়ে দিল্লীত নিজেই গৈ এই বিষয়টো pursue কৰি আহিছিল আৰু তেওঁ আজি জনাইছে যে কেন্দ্ৰীয় জল আয়োগৰ পৰা উক্ত আঁচনি খন অহা ৪ এপ্ৰিল তাৰিখে পৰিদৰ্শন কৰিবলৈ আহিব। গতিকে আঁচনি খনৰ কাৰ্যকৰী কৰণত এইটোৱেই অন্তিম পদক্ষেপ হ'ব নে মই জানিব বিচাৰিছো কাৰণ এই খন কাৰ্যকৰী হ'লে সামগ্ৰিক ভাৱে সেই অঞ্চল সমূহক আগন্তুক দিনত গৰা খহনীয়াৰ পৰা ৰক্ষা কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী :** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি অকনমান সময় দিয়ে কেইটামান information দিব বিচাৰিছে। যিটো আমাৰ মাননীয় বিধায়ক শ্ৰী ৰঞ্জিত দাস ডাঙৰীয়াই কৈছে যে মানাহ নদীখন যেতিয়া ভূটানৰ পৰা ওলাইছে তাত প্ৰথমতে মানাহ বুলিয়েই ওলাইছিলে। মানাহ বুলি ওলোৱাৰ পিছত তাত দুটা ভাগ হ'ল হাকোৱা আৰু বেঁকী। এই তিনিটা ভাগৰ কথা কোৱাৰ অৰ্থ আছে। এই তিনিখন নদীৰ উৎপত্তি স্থলৰ পৰা আহি শেষত যেতিয়া আকৌ ব্ৰহ্মপুত্ৰত পৰিছে তেতিয়া মানাহ বেকী লগ হৈ পৰিছে। যেতিয়া ভূটানত Kurichu বান্ধটো অৰ্থাৎ জলবিদ্যুৎ প্ৰকল্পটো আৰম্ভ হ'ল তাৰপিছত তাত যিখিনি পানী জমা হ'ল যোৱা বছৰ অৰ্থাৎ ২০১৬ চনত এই বান্ধটো হোৱাৰ পিছত তাত প্ৰৱল বানৰ সৃষ্টি হৈছিল। বানৰ সৃষ্টি হোৱাৰ মূল কাৰণটো হৈছে তাত বান্ধটো ভাঙিছিলে। ভঙাৰ পিছত এই তিনিখন নদীৰ দুখন নদী হাকোৱা আৰু মানাহৰ মুখ বন্ধ হৈ গ'ল। যেতিয়া বন্ধ হৈ গ'ল ওপৰৰ পৰা অহা ৮০ শতাংশ পানী বেঁকীয়েদি আহিব ললে, ২০

শতাংশ পানীহে ইফালেদি যায়। গতিকে ৮০ শতাংশ পানী বেঁকীয়েদি আহিব লগা হোৱাত এই দুবছৰে বেকীয়ে যি তাণ্ডব কৰি আছে তাৰ মূল কথাটো হ'ল তাত ভঙা এই বান্ধটো। অথাৰ্ৎ দুটা channel বন্ধ হৈ এটা channel অৰ্থাৎ বেকীয়েদি পানী আহিব ললে। যোৱাবাৰ ময়ো গৈ চাই আহিছো। আমাৰ সৰভোগ সমষ্টিৰ চাফাকামাৰত PWD ৰ প্ৰায় ১ কিঃমিঃ ৰাস্তা খহাই লৈ গ'ল। মানাহলৈ যোৱা ৰাস্তাটো এতিয়া নাই। কাষে কাষে গাড়ী কিবাকৈ যায়। এই নদীখন অসমত হৈছে ৭১ কিঃ মিঃ ভূটানৰ পৰা আহি। প্ৰথম সৰভোগ সমষ্টি মানাহ অভয়াৰণ্য তাৰপিছত জনিয়া আৰু তাৰপিছত বাঘবৰ সমষ্টিত। এই তিনিটা সমষ্টিৰ মাজেৰে গৈ নদীখন ব্ৰহ্মপুত্ৰ নদীত পৰিছে। এই নদীখনত আমি এতিয়া বহুধৰণৰ আঁচনি ঠিক কৰিছো। কিন্তু তাতকৈ এটা কথা আমি চেষ্টা কৰিছো যে যদি ব্ৰহ্মপুত্ৰ বেচিনটোৰ কথা বাদ দি যিখিনি উপনদী আছে সেই উপনদীত যদি বান্ধ নিয়ন্ত্ৰণ কৰিব পৰা যায় তেতিয়া কম কম টকাত অসমৰ বহুখিনি ঠাই বানৰ পৰা মুক্তি পাব। তাৰ ভিতৰত কেইবাটাও আঁচনি আছে। সেই কেইটা আঁচনি হৈছে - ১২৮ কোটি টকাৰে বেকী। এই বেঁকীৰ ক্ষেত্ৰত বিধায়ক শ্ৰী ৰঞ্জিত দাসো এই কামত তাত গৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ লগত ময়ো water Resource ৰ মন্ত্ৰীৰ ওচৰলৈ গৈছো। বুঢ়ীদিহিঙৰ ৬৩০ কোটি আৰু আই নদীৰ ১২৫ কোটি। এই তিনিটা World Bank ৰ পৰা আমাৰ ১৫০০ কোটি টকাৰে আমি এটা sanction পাইছো। তাৰভিতৰত আমি তিনিখন উপনদী অন্তৰ্ভক্ত কৰিবলৈ দিছো। তাৰ উপৰিও পুঠিমাৰী, সোৱণশিৰি আৰু দুইতিনিখন আছে। গতিকে এই নদী তিনিখনৰ আইনদী খনৰ investment clear হৈ আছে। তাত আমি একো কাম কৰিব লগীয়া নাই। বেকী নদীৰ ক্ষেত্ৰত গোটেইখিনি কাম আগবাঢ়িল। এতিয়া joint verification টো CWC ৰ পৰা আহিব। অহা ৪ এপ্ৰিল আৰু ৭ তাৰিখ। এইটো একেবাৰে final stage এইটো হোৱাৰ পিছত investment clear হ'ব। বুঢ়ীদিহিঙৰ ক্ষেত্ৰত আপাৰ আছামৰ পাঁচটা সমষ্টি আছে। এইটো CWC ৰ ফাইনেল পৰ্য্যায়ত আছে। আমাক এটা সময় দিছে। যদি এপ্ৰিল মাহৰ ভিতৰত clerance হয় তেতিয়াহ'লে World Bank এ আমাক একেবাৰেই পইচাটো দিব। জুন মাহত টেণ্ডাৰ কৰিবলৈ তেখেত সকল প্ৰস্তুত। মই গোটেই বিষয়টো আপোনালোকৰ জ্ঞাত কৰিলো। এইখিনিৰে কিছু উপশম হ'ব বুলি আশা কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৩৬২। শ্ৰী দীপক ৰাভা। Minister please.

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মই পাইছো। কিন্তু মনঃপুত হোৱা নাই। ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদকে ধৰি আন দুখন স্বায়ত্ব শাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে বৰ্তমান চৰকাৰ খনে নতুন cabinet Sub-committe গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে বুলি উত্তৰত দিছে। কথাটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ বিধান সভাত মই প্ৰশ্নটো উত্থাপন কৰিছিলো যে আজিলৈকে এই প্ৰক্ৰিয়াখিনি কিয় সম্পূৰ্ণ নহ'ল। সেইখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। যিহেতু ১৯৯৫ চনত অসম চৰকাৰৰ লগত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ চুক্তি হৈছিল সেই চুক্তি মৰ্মে আন্দোলনত বহুত মানুহ শ্বহীদ হ'ব লগীয়া হৈছিল। কিন্তু বৰ্তমানলৈকে আমাৰ চৰকাৰখনে জাতি, মাটি, ভেটি ৰখাৰ যিটো কথা কৈ আহিছে সেই স্বাৰ্থত আমাৰ জাতি, ভেটি, মাটি ৰখাৰ কাৰণে ৰাভা হাছঙৰ লগতে তিৱা, মিছিং এই তিনিখন স্বায়ত্ব শাসিত পৰিষদক অতি শীঘ্ৰে ষষ্ঠ অনুসূচীৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। সেইটোৰেই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত দাবী উত্থাপন কৰিছো। অন্যথা বিভিন্ন দল সংগঠনে, আমাৰ জাতীয় সংগঠন বিলাকে আন্দোলনৰ এটা কুচকাৱাজ আৰম্ভ কৰিছে।

তেতিয়া আমি জবাবদিহি হ'ব লাগিব। সেইকাৰণে আমি মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাম যাতে এই প্ৰস্তাৱ খিনি অতি সোনকালে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ বাবে প্ৰস্তাৱ লব লাগে তাকেই মই আহ্বান জনালো।

**Hon'ble Speaker :** Thank you. Minister please.

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ চৰকাৰে এখন Sub Committee গঠন কৰিছে। এইবিলাক পৰীক্ষা নিৰীক্ষা কৰিবৰ কাৰণে আৰু যিহেতু সেই এলেকা বিলাকত যেনে- ৰাভা হাছং অঞ্চল, মিছিং Autonoums Council অঞ্চল সেই অঞ্চল সমূহত অন্যান্য জনগোষ্ঠীক লোক সকলো আছে। গতিকে সেই জনগোষ্ঠীয় সংগঠন বিলাকৰ লগত আলোচনা বিলোচনা কৰিব লাগিব আৰু সীমা নিৰ্ধাৰণৰ বাবে উপায়ুক্ত সকলৰ লগতো আলোচনা কৰিব লাগিব। সেয়ে এই বিহিত ব্যৱস্থা লবৰ বাবে আমাৰ চৰকাৰে এখন Sub-committe গঠন কৰিছে। এই Sub-committee ত মাননীয় মন্ত্ৰী শ্ৰী যুত চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ নেতৃত্বত এটা তিনিজনীয়া কমিটি গঠন কৰা হৈছে। গতিকে সকলো সংগঠনৰ লগত এই বিষয়ে আলোচনা বিলোচনা কৰি যাতে সুস্পষ্ট ভাৱে আমি সমাধান কৰিব পাৰো তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দীপক কুমাৰ ৰাভা।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো আমাৰ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদখন যিটো compact continuous core area গতিকে ইয়াত ছাগে কোনো টেকনিকেল অসুবিধা নাথাকিব। সেইটো মই মাননীয় মন্ত্ৰী মহোদয়ক জনাই থৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ. শ্ৰী ভুবন পেগু।

**শ্ৰীভুবন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো নটিফিকেশ্যন জাৰি কৰিছে আমি মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু ইয়াতে মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে যে এইটো পুনৰ চাব লাগিব বুলি। অধ্যক্ষ মহোদয়, প্ৰথম cabinet Sub-committe গঠন কৰিছিলে ২০০৭চনত। notification ত স্পষ্টকৈ উল্লেখ আছে। সেইটোকে re-constitute কৰিছে। ২০০৭ চনত cabinet Sub-committe গঠন কৰাৰ পিছত final report হৈ গ'ল আৰু সেই cabinet Sub-committe এ final report যেতিয়া দিছিলে আমাৰ তেতিয়াৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম বাইদেউ আছিলে সেই সময়ত। যিহেতু final report হৈয়ে গ'ল গতিকে final report টো বনাওঁতে অধ্যক্ষ মহোদয় বিভিন্ন দল, সংগঠন boundary, village এই সকলো বিলাক তদন্ত কৰা হৈছিল তেতিয়া আৰু এই final report টো আজি দহ বছৰ হৈ গ'ল। এতিয়া আকৌ পুনৰ একেখিনি exercise re-examine কৰা আকৌ মানুহৰ লগত আলোচনা কৰা এইটো already হৈ গ'ল। মই ভাৱো যে ইতিমধ্যে চৰকাৰে দুটা কৰিলে। ২০০৬-২০১১ লৈকে আৰু ২০১১-২০১৬ লৈকে দুটা চৰকাৰে কৰিলে। মই ভাৱো যে এইটো delay কৰি আকৌ যিটো কমিটি গঠনৰ কথা কৈছে, মই ভাৱো খুব ভাল কথা নহ'ব। বৰঞ্চ যিহেতু final report ready আছে আৰু মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বতেই এটা সময়ত হৈছিলে মই ভাৱো যে এই final report টো এতিয়া কেন্দ্ৰীয় চৰকাৰক পঠাবহে লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister please.

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো Final Report

নহয়। আগৰ চৰকাৰৰ যেতিয়া মই নিজেও মন্ত্ৰী আছিলো, তেতিয়া এই Sub-committee ত আমি আলোচনা কৰিছো. আৰু Distric Council দিয়া হওঁক বুলি এটা সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ পাছত কোনো সংগঠনৰ লগত আলোচনা বিলোচনা কৰা হোৱা নাই। কাৰণ আমাৰ চৰকাৰে এইবাৰ যাতে দিওতে কোনো ধৰণৰ অশান্তিমূলক পৰিবেশৰ সৃষ্টি নহয় তাৰ কাৰণে সকলো সংগঠনৰ লগতআলোচনা কৰাৰ সিদ্ধান্তটো আমি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Question No. 363. Shri Binanda kumar Saikia. Minister.

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, ছিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে যিখিনি উত্তৰ দিছে, মই ঠিক অলপ সন্তুষ্ট হোৱাত অসুবিধা হৈছে। কাৰণ কথাটো হ'ল মাননীয়া মন্ত্ৰীক মই ধন্যবাদো জনাইছো লগতে যে বনাঞ্চল বে-দখল মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰে বা বিভাগে যিখিনি ব্যৱস্থা এতিয়ালৈকে লৈ আছে, আমি সেইখিনি খুৱ ভাল পাইছো। কিন্তু এনেকুৱা কিছুমান বনাঞ্চল আছে, যিবিলাকত এই যিটো পদক্ষেপ এতিয়ালৈকে গ্ৰহণ কৰিব লাগিছিল তেনেকুৱা পদক্ষেপ গ্ৰহণ কৰা নাই। মোৰ সমষ্টিৰ অন্তৰ্গত কুৰুৱা সংৰক্ষিত বনাঞ্চল, য'ত বিভিন্ন জীৱ-জন্তু আছে, বিভিন্ন প্ৰজাতিৰ পহু আছে আৰু নাহৰ ফুটুকী বাঘো আছে। মই বনবিষয়াৰ লগত কথা পাতোতে তাত ঢেকীয়াপতীয়া বাঘ থকাৰ সম্ভাৱনাৰ কথাও তেখেতে ব্যক্ত কৰিছে। কিন্তু এতিয়া সেই বনাঞ্চল খন আজি বহুবছৰৰ পৰা এনেকুৱাকৈ বে-দখল হৈছে যে, বনবিভাগে এতিয়ালৈকে তাত যিখিনি ব্যৱস্থা লব লাগিছিল যি ধৰণে বে-দখলমুক্ত কৰাৰ ব্যৱস্থা লব লাগিছিল। সেইখিনি লব পৰা নাই। আৰু সেইকাৰণে এতিয়া সেই বনাঞ্চলৰ বিলাকৰ প্ৰতি এটা ভাবুকি আহিছে যে মই যিটো প্ৰশ্ন কৰিছিলো, এইটো এটা গোচৰ উচ্চন্যায়ালয়ত চলি থকাৰ কথাটো কোৱা হৈছে উত্তৰত। কিন্তু উচ্চ ন্যায়ালয়ত গোচৰটো চলি থকাও অধ্যক্ষ ডাঙৰীয়া, বহুদিন হ'ল । বন বিভাগে নিজৰ Notified area ত বন বিভাগৰ মই জনাত এইখিনি Notified area তাত এটা সময়ত ৰাজহ বিভাগে কাৰোবাক এটা পাৰমিশ্যন দিছিলে যে তাত কিবা কাম কৰিবৰ কাৰণে। এতিয়া সেই গোচৰটো আজি ১৯৯০ চনৰ পৰা এতিয়ালৈকে এই বে-দখল হৈ থকা মাটিখিনি বনাঞ্চলৰ কি কাৰণত মুক্ত কৰিব পৰা নাই। বনবিভাগে এইটো কিয় ভালকৈ initiative লব পৰা নাই। মন্ত্ৰী ডাঙৰীয়ানীয়ে গোটেই কথাখিনি তেওঁ নিজে অৱগত হয় নে নহয়। এই কথাটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.Minister Please.

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বে-দখলমুক্ত কৰিবলৈ পাৰিলেতো আমি ভাল পাম। কিন্তু Sub-Judice হৈ আছে মেটাৰটো। সেই কাৰণে তাত এভেকশ্যন কৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কৈছে ১৯৯০ চনৰ পৰা কেচটো পেণ্ডিং হৈ আছে নেকি? সেই কথাটোহে জানিব বিচাৰিছে।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ দিনত মই যথেষ্ট চেষ্টা কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ যিবিলাক বে-দখল হৈ আছে। যিবিলাক বনাঞ্চলত জীৱ-জন্তু ভৰি আছে। সেই বিলাক অঞ্চলতো বে-দখলমুক্ত কৰিব

বিচাৰিছো । কিন্তু যিহেতু তেখেতে যিটো অঞ্চলক লৈ প্ৰশ্ন কৰিছে, সেইটো Sub-Judice হৈ আছে।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে, মই বুজি পাইছো।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, চিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০ চনৰ কথাটো ইয়াতে উল্লেখ কৰিছে। প্ৰশ্নৰ উত্তৰতে উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।. এইটো Speed up কৰিবৰ কাৰণে আপুনিও মন্ত্ৰীৰ তাত যাব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, চিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলো আছে. এতিয়া এইখিনি বাৰু বুজি পালো। যিখিনি বনাঞ্চল বে-দখল হৈ আছে. সেইখিনি হাই কোৰ্টত কেচ টো আছে মুক্ত কৰিব পৰা নাই। প্ৰস্তাৱিত বনাঞ্চলখিনিও এতিয়া মানুহ বহি তাত গোটেই বে-দখল হৈ আছে । আৰু তাত বহুত কাম কৰিব পৰা অৱস্থাত আছিল Ecotourism আমি কৰিব পাৰো। তাত জনজাতীয় লোকো বাস কৰে, সেই অঞ্চলটোত। তেওঁলোককো আমি Joint Forest Management কৰি পেলাই এটা provision এটা আছে অধ্যক্ষ ডাঙৰীয়া। সেইটো কৰি আমি তাত Ecotourism বা অন্যান্য ব্যৱস্থা আমি কৰিব পাৰো। এই ক্ষেত্ৰত কোনো ধৰণৰ initiative উদ্যোগ বন বিভাগৰ পৰা দেখা নাই। গতিকে যিখিনি প্ৰস্তাৱিত বনাঞ্চল সেইখিনি বে-দখলমুক্ত কৰাৰ ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱিত বনাঞ্চলৰ যিটো হৈছে, তাৰ ক্ষেত্ৰত।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যেনেকৈ কৈছে, মই আমাৰ বিষয়াসকলক তাত পঠিয়াম। আৰু পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত যদি সুবিধাজনক হয়, তেতিয়া বিহীত ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Supplemantory এটা আলোচনা নহয়। ঠিক আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম, গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ অলপ কথা আছে। এতিয়া যিটো Sub-Judice থকা বুলি কৈছে, সেই কেচটো, সেই গোচৰটো কিমান চনত ৰুজু কৰা হৈছিল। আৰু যিহেতু এইটো Sub-Judice হৈ আছে আৰু নতুনকৈ সেই অঞ্চলটোত কি ভাৱে মানুহে বসবাস কৰাৰ কাৰণে আকৌ সেই বে-দখল কৰিবৰ কাৰণে সাহস পালে। মাননীয় অধ্যক্ষ মহোদয়, সেই ক্ষেত্ৰত Forest Department য়ে যিহেতু এটা case Sub-Judice হৈ আছে তাতে কোনো মানুহ প্ৰবেশ বা তেনেধৰণৰ ঘৰ বন্ধাৰ নিষেধাজ্ঞা জাৰি কৰিব লাগিছিল। তেতিয়াহ'লে তাত নতুনকৈ কোনো মানুহে বসবাস কৰিব নোৱাৰিলেহেঁতেন।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে Extended area টোৰ কথাটো কৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম, গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Extended টো কৰক।

**মাননীয় অধ্যক্ষ ঃ** তাতহে বে-দখলটোৰ কথাটো সুধিছিলে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম, গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়,যিখিনি বে-দখল হৈ আছে। বে-দখল হোৱা বুলি ইতিমধ্যে কৈছে Sub-Judice হৈ আছে। আৰু সেইখিনিৰো যদি মানুহে নতুনকৈ ঘৰ কৰা বুলি কৈছে। গতিকে কেনেকৈ ঘৰ কৰিব। আৰু কেচটো কেতিয়া ৰুজু হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছো।Department should be very strict.মন্ত্ৰী ডাঙৰীয়ানী, এইটো ক্ষেত্ৰত আপোনাক পৰমৰ্শ এটা দিছে।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয়া মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিভাগীয়ভাৱে কিছুমান advoacte লৈছো। তেওঁলোকৰ লগত আলোচনা কৰি তাতে খৰতকীয়াভাৱে সেই কেচটো কিবা কৰিব পাৰো, তাৰ কাৰণে ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী সঞ্জয় কিষান। Only related to Kuruwa. গতিকে তেনেকুৱা কিবা related প্ৰশ্ন নে কি ?

**শ্ৰী সঞ্জয় কিষান, তিনিচুকীয়া ঃ** অধ্যক্ষ মহোদয়, ধন্যবাদ। মই সৰু কথা এটা কৰিব বিচাৰিছো। মোৰ এটা পঞ্চায়ত আছে, লক্ষীপথাৰ পঞ্চায়ত। য'ত অকল হাবি-জংঘলেৰে পৰিপুৰ্ণ। কিন্তু তাত এনেকুৱা হৈছে তাত যোৱা চৰকাৰৰ দিনত কিছু এলেকাত গছ-গছনি একেবাৰে নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কি ? সেই অঞ্চলত কি কৰিব লাগে ?

**শ্ৰী সঞ্জয় কিষান, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, গছপুলি ৰোপন কৰিব লাগে। বনাঞ্চলখন নিৰাপদে ৰাখিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মই বুজি পালো। মন্ত্ৰী ডাঙৰীয়ানীয়ে শুনিলে। শ্ৰী গনেশ কুমাৰ লিম্বু কিবা আছে। ৰেলিভেণ্ট প্ৰশ্ন কিন্তু ইয়াত দিবলগীয়া প্ৰশ্ন মই দেখা নাই।

**শ্ৰী গণেশ কুমাৰ লিম্বু, বৰচলা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কব খুজিছিলো মোৰ সমষ্টিতে ওৰাং অভয়াৰণ্য আছে। তাতে কিছু মাহৰ আগতে যিসকল তাত আছিল ফৰেষ্ট এৰিয়াত, তেখেতসকলক উচ্ছেদ কৰা হৈছিল। যিহেতু উচ্ছেদ কৰাৰ পাছত ফৰেষ্ট ডিপাৰ্টমেণ্টে ডিমাৰ্কেশ্যন কৰি এই লেণ্ডটোত আপোনালোকে থাকিব নোৱাৰে। এনেকুৱা এটা ডিমাৰ্কেশ্যন কৰিব লাগে। যিটো নকৰাৰ কাৰণে আকৌ মানুহবিলাক আহি গ'ল।

**মাননীয় অধ্যক্ষ ঃ** This is important point.মই ইয়াৰ পাছত পিছৰ প্ৰশ্নটো দুয়োটা কথা মইন্মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰিব দিলো। উত্তৰ মই দিব নালাগে বুলি কৈছো। Question No. 364. Dr. Numal Momin.

**শ্ৰী ৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিলো, তাৰে দুটা পাৰ্ট আছে। প্ৰথম পাৰ্টটো মোটামুটি ঠিকেই আছে যে, ৩৫ টা বিশুদ্ধ খোৱাপানীৰ আঁচনি বিকল হৈছে, তাৰ ভিতৰত ৬ টা sanction দিছে আৰু ১৬ টা ২০১৮-১৯ বিত্তীয় বৰ্ষত সম্পুৰ্ণ কৰিব বুলি তেখেতে আশ্বাস দিছে। গতিকে এই যিটো ৬ টা দিছে, সোনকালে Execute কৰিব লাগে। আৰু দ্বিতীয় পাৰ্টৰ অধ্যক্ষ মহোদয়, যিটো NLCPR ৰ বোকাজানত বৃহত্তম বোকাজান চহৰ অঞ্চলকে ধৰি এই খোৱাপানীৰ যোগানৰ কাৰণে ব্যৱস্থা কৰি বনোৱা হৈছিল, বহুবছৰ হ'ল। এইটো সম্পুৰ্ণ নহ'ল। আৰু যোৱা বিধান সভাত মই প্ৰশ্ন কৰোতে শতকৰা ২০ ভাগ বাকী আছিলে বুলি ক'লে। কিন্তু সেই শতকৰা ২০ ভাগটো আজিকোপতি নহ'ল , কাম বন্ধ। আৰু NLCPR ৰ যিবিলাক Project Central Government য়ে বন্ধ কৰিছে। গতিকে শতকৰা ২০ ভাগ বাকী থকা কামটো একেবাৰে বন্ধ হৈ যাব নে এইটো কৰিব। যদি কৰে বহি থাকিব নালাগে। সেই শতকৰা ২০ ভাগ সোনকালে কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Minister...........।

**শ্ৰীৰিহণ দৈমাৰী, মন্ত্ৰী ঃ**-অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিকল হৈ থকা আঁচনি বিলাক, মই যোৱাকালিও কৈছো, সেইটো আমি পৰ্য্যায়ক্ৰমে repairing কৰাৰ ব্যৱস্থা কৰিছো। গুৰুত্বপুৰ্ণ কথাটো হৈছে, repairing কৰাৰ পাছত যাতে user's Committee টোৱে যাতে সেই আঁচনিটো যাতে

তেওঁলোকৰ কাৰণে কৰিছে, তাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰে। আৰু NLCPR ৰ ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া মই আগতেও কৈছিলো, যে এই NLCPR Scheme টো আমাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোগেদি, প্ৰস্তাৱটো যোৱা নাছিল । এই প্ৰস্তাৱটো Council য়ে পাহাৰীয়া উন্নয়ন বিভাগৰ যোগেদিহে প্ৰস্তাৱ প্ৰেৰণ কৰিছিল আৰু সেই বিভাগৰ যোগেদিহে এইটো sanction কৰা হৈছিল। আমাৰ council ৰ সেইটো জনস্বাস্থ্য কাৰিকৰী বিভাগ খালী execute কৰিছে। সেই কাৰণে যিহেতু আমাৰ তাত কোনো কাগজ-পত্ৰ নাহে, সেই কাৰণে আমি অৱগত নহয়। আমি council ৰ পৰা এটা ৰিপোৰ্ট বিচাৰিছিলো আৰু মই নিজেও আমাৰ executive member, Karbi Anglong তেখেতক মই নিজে মাতি আনিছিলো আৰু আলোচনা কৰিছিলো। যিহেতু মই House টো কৈছিলো, এইটো সম্পূৰ্ণ কৰিব লাগে। সেই কাৰণে পাহাৰীয়া উন্নয়ন বিভাগৰ লগত সেই matter টো take up কৰিবৰ কাৰণে, তেখেতক কোৱা হৈছিল। আৰু তেওঁলোকে জনোৱা মতে, তেওঁলোকে take up কৰিছে আৰু physical prograss এতিয়া ৬৫% তেওঁলোকে আমাক জনাইছে। এতিয়া মই আশা কৰো আপোনালোকে যদি অলপ council ত যোৰ দিয়ে, পাহাৰীয়া উন্নয়ন বিভাগৰ যোগেদি, এইটো যাতে সোনকালে পুঁজিটো মোকলাই আনিবৰ কাৰণে মই ভাবো আঁচনিটো আমি সোনকালে কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ-** Thank you

**ড° নোমল মোমিন, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়,এটা কথা বৰ কষ্ট পোৱা যায়। আমাৰ কাউঞ্চিলৰ ক্ষেত্ৰত, প্ৰশ্ন সুধিবলৈ কৈ দিয়া যায়, তেখেত সকলে 6th schedule ৰ under ত, গতিকে আমাৰ একো ইয়াত কবলগীয়া নাই। এটা এনেকুৱা process উলিয়াব নোৱাৰি নেকি? এনেকুৱা এটা device উলিয়াব নোৱাৰি নেকি? monitoring কৰি য'ত due time, যিমানটো time দিয়া যায়, সিমান time ৰ ভিতৰত execute নকৰিলে, আমাৰ ইয়াৰ পৰা pressure দি পেলাই কামবিলাক সম্পূৰ্ণ কৰে। বছৰ বছৰ ধৰি যদি তেনেকে পিচুৱাই থাকে কামবিলাক, পাহাৰীয়া জিলাখন আৰু কিমান পিচুৱাই যাব। সেয়েহে এখন কমিটি বনাই execute কৰিবৰ কাৰণে monitoring Committee এটা হব লাগে, যিটোৱে স্বায়ত্ব পৰিষদ বিলাকৰ কামবিলাক তেখেত সকলে monitoring কৰি ৰিপোৰ্টি দি সোনকালে pressure দি কামবোৰ কৰিব।

**মাননীয় অধ্যক্ষ ঃ-**কমিটিটো কোনে বনাব?

**ড° নোমল মোমিন, সদস্য ঃ-** আমাৰ State Govt. য়ে বনাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ-** বহক মই নিজে Hill area ৰ minister আছিলো। Govt. য়ে যদি বেছিকৈ কৰে, তেতিয়া তেওঁলোকে কয় যে আমাৰ Autonomy ত হস্তক্ষেপ হৈছে। গতিকে আপোনালোকে বহি এটা Mechanism গোট Council and Govt. ৰ লগত আলোচনা কৰি এটা mechanism তৈয়াৰ কৰক। I think Govt. will accept it.

**ড° নোমল মোমিল, সদস্য ঃ-** Autonomy ক কোনোৱেও বাধা দিব নালাগে। Autonomy ক বাধা দিয়াটো আমি নিবিচাৰো। কিন্তু আমি Autonomy বুলি কৈ কামবিলাক যে নহয়, সেই ক্ষেত্ৰত we have to take some steps otherwise in this reason, years after years they will left like that only.

**মাননীয় অধ্যক্ষ ঃ-** Thank you. মই এই বিষয়ত মন্ত্ৰী মহোদয়ে কি কব নাজানো। তেখেতে কিবা কলে কওঁক। Basic কথাটো আজি কিবা কাৰণে যেতিয়া পাহাৰতো একেটা দলৰে থাকে, ৰাজ্যতো, একেটা দলৰে থাকে, তেতিয়া কথাবিলাক অলপ বেলেগ ধৰণৰ হয়। কিন্তু যেতিয়া

বেলেগ হয়, কিবা এটা কলে কিন্তু, এইটো মোৰ অভিজ্ঞতা আছে, সেই কাৰণে মই আপোনালোকক কৈছো, মইয়ো আপোনাৰ কথাটোত appreciate কৰিছো, যে এইটোৰ কাৰণে কামবিলাক পিছুৱাই যাব নালাগে। কিন্তু আমি এটা mechanism, out of the Assembly বহি কৰিব পৰা যায়। যিটো mechanism কৰি মই পাহাৰীয়া জিলা বিলাকত দুটা installment ত পইচা দিয়াৰ কামটো মই আৰম্ভ কৰি দিছিলো। আগতে প্ৰত্যেক বাৰ Dispur লৈ আহিব লাগিছিল। সেই সময়ত চৰকাৰে মোক সহায় কৰিছিলে বা বিভাগেও কৰিছিল, গতিকে আপোনাকো মই এইটো অনুৰোধহে কৰিছো। মই আপোনাৰ কথাটো appreciate কৰাৰ কাৰণে এই comment টো দিছো. মই জানো যাতে Between council and Govt. কৰি, general মানুহখিনিয়ে suffer নকৰে। I think I can also help you out side this Assembly. ঠিক আছে. Thank you ইয়াৰ পাছত চাহাবুদ্দিন।

**শ্ৰী ছাহাবুদ্দিন আহমেদ, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি ২৫ খন আঞ্চলিক পঞ্চায়ত আছে। কিন্তু ৰিপোৰ্টি বিচাৰিলে ১৬ খনহে পাওঁ ৯ খন নাপাওঁ. এই কাৰণে নাপাওঁ যে, সমষ্টি হিচাপে মই গোৱালপাৰা, ধুবুৰী, মোৰ দুটা। এটা ব্লক, ধুবুৰী জিলাত আছে। মই গোৱালপাৰা জিলাৰ। সেই কাৰণে সমষ্টি হিচাবে অকল গোৱালপাৰা জিলাৰ দিয়ে, ধুবুৰীৰ নিদিয়ে, ধুবুৰী জিলাৰ দুটা আঁচনি অসম্পূৰ্ন হৈ আছে, আজি ৬-৭ বছৰৰ পৰা। সেইটোৰ উত্তৰ অহা নাই। আৰু আমাৰ গোৱালপাৰা জিলাত ৫ খন মান বিকল হৈ আছে, গতিকে সেইখিনি কাৰ্য্যক্ষম কৰাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া, এইটো অকনমান চাই দিব। তেখেতে পিচত চাই দিব। Next Question 365.ভবেন্দ্ৰ নাথ ভড়ালী।

**শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, সদস্য ঃ-** মাননীয় অধ্য৭ মহোদয়, উত্তৰ কেইটা পাইছো, কথাটো হ'ল অনুসূচীত জাতি উন্নয়ন সঞ্চালকালয়ত, আঁচনি বিলাক অনুসূচীত জাতিৰ জনগাঠঁনি, স্থানীয় প্ৰয়োজনীয়তা আৰু উপদেষ্টা পৰিষদৰ সিদ্ধান্ত মতে কৰে। কিন্তু ইয়াত এই বিভাগৰ এটা policy আছে, জিলাভিত্তিত, মহকুমা ভিত্তিত একোখনকৈ উন্নয়ন বৰ্ড থাকে। এই উন্নয়ন বোৰ্ড বিলাকৰ জৰিয়তে হয়। এই কথাটো ইয়াত অহা নাই। দ্বিতীয়, যিমান বিলাক আঁচনি এতিয়ালৈকে হৈছে উপদেষ্টা পৰিষদৰ আলোচনা মৰ্মে কিন্তু হোৱা দেখা নাই। বিভাগৰ বিষয়াৰ ময়মতালিত কিছুমান স্কীম ইয়াত হৈছে। উদাহৰণ নিদিও। দীঘল হব। কিন্তু এই বিলাক আঁচনি সম্পৰ্কত আমাৰ উপদেষ্টা পৰিষদ কিন্তু অৱগত নহয়। যিহেতু মই তাৰ এজন সদস্য। আৰু তৃতীয়তে, এই বিভাগটোৰ নিজা ববীয়াকৈ কোনো বিষয়া নাই। যাৰ ফলত জিলা পৰ্য্যয়িত, মহকুমা পৰ্য্যায়ত এই আঁচনি বিলাক কাৰ্য্যকৰী কৰোতে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা মই জানিব বিচাৰিছো, নিজা ববীয়াকৈ এই বিভাগৰ অধীনত কোনো বিষয়া নাই। এই বিষয়া নিযুক্তি দিয়া, এই বিভাগৰ জৰিয়তে, এই বিভাগৰ অধীনত মহলে একোজনকৈ মেজিষ্টেট বা এডিচি য়ে চলায়। গতিকে এই বিলাকৰ ভিত্তিত বিষয়া নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** Thank you মন্ত্ৰী ডাঙৰীয়া.

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই, ৰাজ্যত উপদেষ্টা পৰিষদৰ সিদ্ধান্ত অনুসৰি আঁচনি ৰূপায়নৰ ব্যৱস্থা কৰা নহয় বুলি কৈছে, কিন্তু দৰাচলতে সেই Advisery Council ৰ মিটিং তে আমি কি স্কীম লম, সেইটো নিৰ্ধাৰণ কৰা হয়। আলোচনা

বিলোচনা কৰি , কি কি দিশটো সামৰিলে আমাৰ ভাল হব, সেইটো সিদ্ধান্ত কৰা হয়। তাৰ পাচত Sub-division বিলাকত যিটো Sub-divisional welfare office আছে, তেওঁলোকক আমি স্কীম দিবৰ কাৰণে তেওঁলোকৰ পৰা স্কীম বিচৰা হয়। তাত কিন্তু তেওঁলোকে যদি বোৰ্ড বিলাকে মাননীয় বিধায়ক বা মাননীয় বিধায়িকা সকলৰ লগত আলোচনা নকৰে, তেতিয়া হলে মই এই বিষয়ত কব নোৱাৰো। গতিকে তেখেতসকলক মই অনুৰোধ কৰিম, Sub-division বিলাকত তেওঁলোকে আলোচনা বিলোচনা কৰি, যিখিনি important scheme সেইখিনি যাতে আমাৰ ইয়ালৈ পঠিয়াই দিবৰ কাৰণে ব্যৱস্থা লয়, এইটো মই প্ৰথমতে আপোনাক কলো, ইয়াৰ পাচত তেখেতে important কথা এটা কৈছে, আমাৰ Sub-division বিলাকত যিবিলাক অনুষ্ঠান আছে, সেই অনুষ্ঠান বিলাকত permanent একো একোজন ACS officer, তাত দিয়া হয়, যিবিলাক District ত ADC হিচাবে কাৰ্য্যনিৰ্বাহ কৰি থাকে। তেওঁলোককে আমি লৈ লও অফিচাৰ হিচাবে। তেওঁলোক যিহেতু District প্ৰশাসনৰ লগত জৰিত হৈ থাকে, কেতিয়াবা Law and Order ৰ লগত জৰিত হৈ থাকে, সেই কাৰণে তেওঁলোকে এই বিষয়ত গুৰুত্ব সহকাৰে কাম কৰিবৰ কাৰনে সময় নাপায়। গতিকে তেখেতে যিটো পৰামৰ্শ দিছে, আমি ৰাজ্যিক উপদেষ্টা পৰিষদত সিদ্ধান্ত লৈ আমি যদি proposal দি এইটো cabinet পৰ্য্যায়লৈকে লৈ যাব পাৰো, তেতিয়া হলে নিশ্চয় আমাৰ সকলো মন্ত্ৰী পৰিষদৰ সকলো মন্ত্ৰীসকলে আমাক সমৰ্থন দিব। এইটো আমি কৰিবৰ কাৰনে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত, আমাৰ AT.Sc welfare Committee য়ে এটা পৰামৰ্শ দিছিল, পৰামৰ্শটো আছিল Assam Welfare service গঠন কৰি, এই বিভাগত বিষয়া নিযুক্তি দিব লাগে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়াই, কি কৰিছে মই নাজানো, এই বিষয়ত অকন মান কলে ভাল হয়। ২য়তে আমাৰ যি সমুহ মহকুমা পৰ্য্যায়ত ব্লক আছে, সেই বিলাক কিন্তু কাৰ্য্যক্ষম নহয়। যাৰ ফলত বহু মেচিন, টেক্টৰ ইত্যাদি বিভিন্ন মহকুমাত পৰি আছে, আৰু বেয়া হবলৈ ধৰিছে। এই সম্পৰ্কত কিবা ব্যৱস্থা লৈছে নেকি? মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জেৰক্স মেচিন পূৰ্বৰ চৰকাৰে কিনি থৈ গৈছে আৰু সেইখিনি গুডামত বহুদিন ধৰি পৰি আছিল কাৰণে Sub-division বিলাকত আমি পঠিয়াব দিলো আৰু হিতাধিকাৰী বাচনি কৰি দিবলৈ দিছিলো। কিন্তু এনেকুৱা হ'ল Sub-divisionৰ কিছুমান section এ বিতৰণ কৰিব নিদিয়ে আৰু কিছুমানে হিতাধিকাৰীক দিছে। এই কাৰণে অলপ খেলিমেলি হৈছে। মই মাননীয় বিধায়কসকলৰ লগত আলোচনা কৰি হিতাধিকাৰীৰ মাজত বিতৰণ কৰিব কৈছো। অধ্যক্ষ মহোদয় তাতে আকৌ কিছুমানে অলপ আপত্তি কৰি আছে। বৰ্তমান কিছুমান ঠাইত বিতৰণৰ কৰা হৈছে আৰু কিছুমান ঠাইত বস্তুবিলাক পৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীভৱেন্দ্ৰ নাথ ভৰালী।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী ঃ** এক মিনিটত এটা কথা ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, এই ব'ৰ্ড বিলাক কাৰ্য্যক্ষম কেতিয়া কৰিব? বৰ্তমান এই ব'ৰ্ডসমূহ নতুনকৈ গঠন হোৱা নাই, গতিকে কেতিয়া কৰিব?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, welfare service টোৰ বাবে

এইবাৰ ডি.আৰ.এছ.চিয়ে recommend কৰিছে। সেইটো কাৰ্য্যকৰি কৰিব বাবে চেষ্টা কৰিম। ব'ৰ্ড সম্পৰ্কত বিধায়ক গৰাকীয়ে যিটো কথা কৈছে সেই সম্পৰ্কত কও যে যোৱা ফেব্ৰুৱাৰী মাহত কেইখনমান ব'ৰ্ডৰ কাৰ্য্যকাল শেষ হৈছে যদিও কিছুমাৰ কাৰ্য্যকাল বাকী আছে। কিন্তু গোটেইখিনিৰ কাৰ্য্যকাল চলিত ২০১৮ বৰ্ষতে শেষ হ'ব। আগৰ চৰকাৰে তিনি বছৰীয়া কাৰ্য্যকাল কৰাৰ কাৰণে ব'ৰ্ডসমূহ বাহাল আছে। তিনিটা Sub-divisionৰ বাহিৰে কিছুমানৰ কাৰ্য্যকাল তিনি চাৰিমাহ আছে আৰু বাকীখিনিৰ ২০১৮ চনৰ নবেম্বৰ মাহৰ ভিতৰত কাৰ্য্যকাল শেষ হ'ব। তাৰপিছত আপোনালোকে নতুন কমিতি বনাবৰ কাৰণে proposal দিব পাৰিব।

**শ্ৰীচুমু ৰংহাং ঃ** আমাৰ কাৰ্বিআংলং জিলাত এছ.চি কমিটিখন আছে বুলি ক'ব নোৱাৰি। গতিকে এছ.চিৰ কাৰ্য্যলয়ৰ দায়িত্বটো কাক দিয়া হৈছে সেইটো জনাব নেকি?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয় যিহেতু কাৰ্বিআংলং ডিষ্টিক কাউন্সিল গতিকে তাত তেনেকুৱা ব'ৰ্ড নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৩৬৬ শ্ৰীআবুল কালাম ৰছিদ আলম। মাননীয় মন্ত্ৰী।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰীআবুল কালাম ৰছিদ আলমঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত মই সন্তুষ্ট হোৱাৰ প্ৰশ্নয়েই নুঠে। উত্তৰত ৰাক্ষসিনী পাহাৰত পাঁচটা শিলৰ কোঁৰৰী থকা বুলি কৈছে আৰু সেইটো বন্ধ কৰা হৈছে বুলি কৈছে। কাৰণ তাত গ্ৰেনাইট ওলাইছে আৰু সোণ, ৰূপ, হীৰা,মুকুটা কিবা কিবি ওলাব পাৰে তাৰ বাবে বন্ধ কৰি ৰাখিছে। এতিয়া মোৰ কথাটো হ'ল, যদি বন্ধ হৈ আছে, তাৰ বাবে নিবিদা কিয় আহ্বান কৰা হৈছে? লগতে উত্তৰ 'গ'ত কলে যে ১৯৯৫ চনত বাংলাদেশ চৰকাৰৰ লগত এখন চুক্তি হৈছিল আৰু সেই চুক্তিমৰ্মে মাত্ৰ ২৮০ চি.এম শিল বাংলাদেশ চৰকাৰে ল'লে বাকী শিল বাংলাদেশ চৰকাৰে চুক্তি কৰাৰ পিছতো ৰাক্ষসিনী পাহাৰৰ পৰা কিয় নললে? উত্তৰ 'ঘ'ত উল্লেখ কৰা গোৱালপাৰা জিলাৰ বৰভিটা, ৰাক্ষসিনী, চিতলমাৰী, বুদুলুং, অজগৰ শিল কোঁৰৰীসমূহত এই গোটেই কেইটাত একে লগে গ্ৰেনাইট ওলাল নেকি? যাৰ ফলত গোটেই কেইটা কোঁৰেৰী বন্ধ কৰি দিয়া হ'ল।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কোৱা আমাৰ শিলৰ কোঁৰৰীসমূহ বন্ধ কৰা হৈছে সেইটো সত্য। ইয়াৰ কাৰণ হ'ল জিঅ'লজি, Mines and Minerals বিভাগে চাৰ্ভে কৰাৰ পিছত তাত যথেষ্ট কোৱালিটি গ্ৰেনাইট পোৱা গৈছে আৰু লগতে কোৱাৰ্টিজ পোৱাৰ সম্ভাৱনা আছে। অধ্যক্ষ মহোদয়, তাত বহু মূল্যবান stone থকাটো প্ৰমাণ পোৱা গৈছে আৰু বিভাগীয় বিষয়া সকলে polish কৰি আনি মোক দেখাইছেও। তাৰ কিছুমান প্ৰিন্টেড গ্ৰেনাইটৰ নিছিনা দেখা যায়।যিহেতু তাত মূল্যবান বস্তু আছে গতিকে ভাঙি দিলে চৰকাৰৰ যথেষ্ট ক্ষতি হ'ব। তাত যদি শিল হিচাপে খনন কৰো তেতিয়া প্ৰতি চি.এমত ২৫০ টকা পাম। কিন্তু গ্ৰেনাইট হিচাপে যদি বিক্ৰী কৰো দুই হাজাৰতকৈ বেচি পাম। গতিকে আমি নিজৰ প্ৰাকৃতিক সম্পদটো কিয় নষ্ট কৰিম? সেই কাৰণে শিলৰ মহলসমূহ বন্ধ কৰা হৈছে।

**শ্ৰীআবুল কালাম ৰছিদ আলমঃ** মাননীয় অধ্যক্ষ মহোদয়, বাংলাদেশ চৰকাৰৰ লগত হোৱা চুক্তিৰ বিষয়টো মন্ত্ৰী ডাঙৰীয়ানীয়ে উল্লেখ নকৰিলে আৰু সমগ্ৰ জিলাখনৰ শিলৰ কোঁৱাৰীসমূহ বন্ধ কৰাৰ বিষয়টোও উত্তৰত উল্লেখ নকৰিলে। গতিকে মই এই কথা দুটা জানিব বিচাৰিছো।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনতে শিল অভাৱ

হৈছে। কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যখনৰ বাবে ইমান কাম অনুমোদন দিছে ৰাস্তা বনাবলৈ, এইখিনি কৰিবলৈ গ'লে আমাৰ পাহাৰ নাইকিয়া হৈ যাব। তাৰ পিছত আকৌ আমি বাংলাদেশক শিল দিয়াৰ প্ৰশ্নয়েই নুঠে। সেইকাৰণে দিয়া নাই।

**শ্ৰীআবুল কালাম ৰছিদ আলম**ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো সম্পূৰ্ণ মিছা কথা।

**মাননীয় অধ্যক্ষ** ঃ সম্পূৰ্ণ অসত্য বুলি কওক।

**শ্ৰীআবুল কালাম ৰছিদ আলম**ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাক্ষসিনী শিলসমূহ বেয়া কাৰণে বাংলাদেশ চৰকাৰে নললে। বাইদেউৰে কোৱাৰ দৰে তাত গ্ৰেনাইট নাই, শিলটো পচা শিল। আচলতে south bank ত শিলৰ কোঁৱাৰীসমূহ বন্ধ কৰি দি north bank ৰ শিলৰ কোঁৱাৰীসমূহ খোলা ৰাখিছে তাত এটা ডাঙৰ চিণ্ডিগেট বনাইছে। শিল পাৰ চি.এম মূল্য ১০০০-৩০০০ টকালৈ গৈছে। গোৱালপাৰা জিলাৰ সকলো কাম বন্ধ হৈ গৈছে। এইটো এটা চিণ্ডিকেট কৰি গোৱালপাৰা জিলাত কোঁৱাৰী বন্ধ কৰি ৰাখিছে।

**শ্ৰীআমিনুল ইছলাম** ঃ চাৰ মিছা শব্দটো un parliamentary. গতিকে উঠাই দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ সেইটো উঠাই দিয়া হ'ল। মাননীয় মন্ত্ৰী।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু গ্ৰেনাইট থকাটো প্ৰমানিত হৈছে গতিকে তাত কিমান আছে সেইটো খান্দিলেহে গম পোৱা যাব। সেইবাবে বেছি এক্সপাৰ্ট ব্যক্তি আমাক লাগিব আৰু আমি নিবিদা আহ্বান কৰিব গৈছো। বাহিৰৰ এক্সপাৰ্টে যদি কয় তেতিয়া তেওঁলোকে লৈ যাব আৰু ভূতত্ব বিভাগে তাত মেচিন ব্যৱহাৰ কৰিব ব্লাষ্ট কৰিব দিয়া নাই manually কৰিব দিছে। manually কৰিবৰ বাবে আমি অনুমতি দিম কিন্তু কেন্দ্ৰীয় চৰকাৰৰো অনুমতি লাগিব। গতিকে কিছুমান পাহাৰত manually কাটি আছে আমি মাজে মাজে সেইটো বন্ধ কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰীদীপক ৰাভা।

**শ্ৰীদীপক ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে ৰাক্ষসিনী পাহাৰৰ যিটো শিলৰ কোঁৱাৰী সেইটো গ্ৰেনাইট ওলাইছে বাবে সাময়িক ভাবে বন্ধ কৰি ৰাখিছে। কিন্তু অলপ আগতে আমাৰ এজন সদস্যই কৈছে যে চিতলমাৰী, বুদুলুং আৰু অজগৰ পাহাৰ এইবিলাকত শিলৰ কোঁৱাৰী আজিৰ পৰা সাত আঠ মাহ আগতে Tender হৈছিল। কিন্তু আজিলৈকে কোঁৱাৰীখিনি দিব পৰা নাই। মোৰ সমষ্টিৰ ২০০ কিলোমিটাৰ মান ৰাস্তা হ'ব য'ত সামগ্ৰী বহুত লাগে। গতিকে অতি সোনকালে মাননীয় মন্ত্ৰী মহোদয়েকোঁৱাৰীবোৰ আবণ্টণ দিয়াৰ কিবা ব্যৱস্থা লৈছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিনিটা মহলৰ কাৰণে এতিয়াও শ্বিলংত ভাৰত চৰকাৰৰ এটা শাখা আছে। তাত যদি Approve কৰি দিয়ে যিসকলে Tender পাইছে তেওঁলোকে সেই মহলটো পাবৰ কাৰণে সক্ষম হ'ব। আজি মই মাননীয় সদনত স্পষ্ট কৰিব খুজিছো যে বাংলাদেশৰ লগতে ২০১২ চনতে চুক্তি হৈছিল আৰু তেওঁলোকে লোৱা নাই। গতিকে আকৌ বাংলাদেশত দিয়াৰ কোনো প্ৰশ্ন নুঠে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰী মতী নন্দিতা দাস, (বকো)ঃ** মই বালিৰ গাড়ীৰ ক্ষেত্ৰত ক'ব খুজিছো যে বালিৰ গাড়ীৰ খুব উপদ্ৰৱ হৈছে। আমাৰ যিবিলাক বালিৰ মহল,

**माननीय अध्यक्ष ঃ** এইটো শিলৰ মহল আছিল। আপুনি প্ৰশ্নটো কৰক। মাননীয় মন্ত্ৰীয়ে উত্তৰ দিব লাগে বুলি কথা নাই।

**শ্ৰী মতী নন্দিতা দাস, (বকো)ঃ** এইটো Forest তে ছাৰ, বালিৰ যিবিলাক মহল সেইবোৰ খুব ভিতৰুৱা অঞ্চলত আছে। সেই বালিবোৰ আনিবলৈ শ শ ডাঙৰ গাড়ী আহে। সেই গাড়ীবোৰ আহোতে ৰাস্তাবোৰৰ খুব ক্ষতি হয়। জনসাধাৰণৰ পৰা যথেষ্ট অভিযোগ আহিছে। সেইবাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে বালিৰ যিহেতু ৫ চেণ্টিমিটাৰ লৈ Pass দিয়াৰ কিবা ব্যৱস্থা আছে বুলি গম পাওঁ। ৫ চেণ্টিমিটাৰ Pass দি সৰু গাড়ীৰে বালিবোৰ অনাৰ কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি? সৰু গাড়ীৰ কিবা ব্যৱস্থা আছে নেকি? সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ প্ৰশ্নৰ উত্তৰ পিছত দিব। এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ)ঃ** আমাৰ বৰাকৰ শিলৰ মহলবোৰ বন্ধ হোৱাৰ কাৰণে PWD কামৰ কাৰণে শিলৰ খুব নাটনি হৈছে। আমাৰ PWD মন্ত্ৰীয়ে হয়তো জানে। আমাৰ কালাইনৰ ৫৭টা মহল বন্ধ হৈ আছে। তাৰ ভিতৰত আমাৰ বৰাকৰ বিশেষকৈ দুটা ডাঙৰ কালাইন কোঁৱাৰী চাৰিবছৰ ধৰি বন্ধ হৈ আছে। High Court ৰ ৰায় আছিল আৰু চৰকাৰৰ ওপৰত এৰি দিছিল। চৰকাৰে যি সিদ্ধান্ত লয় সেইটো মানি ল'ব। আজিলৈকে তাত কোনো Permanent settlement হোৱা নাই। মোৰ কথাটো হৈছে অধ্যক্ষ মহোদয়, এনেয়ে হয়তো বেলেগ বেলেগ সময়ত গৈ আছে। চৰকাৰৰ ফালৰ পৰা কেনেকৈ Permit দিব পাৰি মাননীয় বন মন্ত্ৰী মহোদয়ে সিদ্ধান্ত ল'ব পাৰে নেকি? গতিকে বলেশ্বৰ কোঁৱাৰীত তাত দুবছৰ ধৰি বন্ধ হৈ আছে। বলেশ্বৰ কোঁৱাৰীটো অন্তত খুলিলে আমাৰ PWD ৰ কামখিনি ভালকৈ কৰিব পাৰিম। নহ'লে আমাৰ PWD ৰ কামখিনি বন্ধ হৈ আছে। এইটো ক্ষেত্ৰত মাননীয় বন মন্ত্ৰী মহোদয়ে কিবা সিদ্ধান্ত ল'ব নেকি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালাইনৰ কথাটো মোৰ মনত আছে। কালাইনৰ শিলৰ মহলটো Sub-judice হৈ আছিল আৰু Sub-judice হোৱাৰ পাচতে খুলি গৈছিল। কিন্তু তথাপিও আমাৰ বিভাগে এজন মহলদাৰক আবণ্টন দিয়া হ'ল আৰু যোনে নাপালে তেওঁলোকে High Court কৰিলে। আকৌ এতিয়া Sub-judice হৈ আছে। এতিয়ালৈকে সেইটো খুলিব পৰা হোৱা নাই। মোৰ জ্ঞানেৰে মই ক'ব খুজিছো বৰাক ভেলীৰ শিলৰ কোনো ধৰণৰ নাটনি হোৱা নাই। তাত পাথৰৰ যোগান দিয়া হৈছে। শিলচৰত যিবিলাক পাথৰৰ মহল আছে তাৰ পৰা যোগান দি থকা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** বালিৰ কথাটো আপুনি চকু ৰাখিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে ঠিক আছে । কিন্তু বাস্তৱত আমাৰ নাটনি আছে হয়তো মন্ত্ৰী মহোদয়ে জ্ঞাত নহয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এবাৰ মন্ত্ৰীক লগ ধৰি কথাখিনি বুজাই দিব। এতিয়া Question No.-37 ইমানুৱেল মুছাহাৰী। এতিয়া মন্ত্ৰীয়ে কওঁক।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, বন মন্ত্ৰী ঃ** প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী ৰূপজ্যোতি কুৰ্মী(মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই ফালৰপৰা অসাংবিধানিক কথা

কৈ আছে।

**माननीय অধ্যক্ষ ঃ** All these will be deleted. কোনো Un-parliamentory word ইয়াত ব্যৱহাৰ কৰা নহ'ব। Please allow me to do Question hour. আপোনালোকে অনুগ্ৰহ কৰি বহক। আপোনালোকে ১০.৩০ AM you can raise these things. কিন্তু Question hour ত কেইজনমানকতো Question কৰিবলৈ দিয়ক। মই দুটা দিব লাগে। কিন্তু মই চাৰিটাও দিছো। কেতিয়াবা অন্য দুই এটাও দিছো। কিন্তু আপোনালোকে এইবোৰ কথা কৈ সময় নষ্ট নকৰিব। এতিয়া ইমানুৱেল মুচাহাৰী।

**শ্ৰী ইমানুৱেল মুচাহাৰী(তামুলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Mines and Minerals অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ ফালৰ পৰা অতি সুন্দৰ পদক্ষেপ লৈছে District Mineral Foundation সেই Mineral বোৰৰ Deposits বোৰ সাধাৰণতে পিছপৰা অঞ্চলবোৰত আছে। য'ত ৰাস্তা ঘাট নাই , য'ত ST/SC মানুহ বোৰ বাস কৰে। মই Specific Question সুধিছিলো যে Minse&Minerals ফালৰ পৰা আজিলৈকে এনেকুৱা এটা স্কীম ল'লে নেকি ? অঞ্চলবোৰ চিনাক্তকৰণ কৰা হ'ল নেকি ? ফাণ্ডবোৰ ক'ত খৰচ কৰা হ'ব ? আজিলৈকে কোনোবা জিলাত প্ৰথম বাৰৰ বাবে খৰচ কৰা হ'ল নেকি ? ঠিক তেনেকৈ মোৰ এটা Specific Question আছিল যে বাক্সা জিলাত কিমান accumulate হৈ গ'ল আৰু commodity accumulation টো কিমান ? Minse&Minarels ফালৰ পৰা আমি প্ৰথম এখন মিটিং পাইছিলো, committee আৰু Trust গঠন কৰিবলৈ। কিন্তু দ্বিতীয়বাৰ মিটিং আহ্বান কৰিবলৈ। গতিকে মোৰ প্ৰশ্নটো হ'ল যে দন্তে জিলাত Minse&Minarels Funding ৰ জৰিয়তে স্কুল খুলিছে, ডক্তৰ নিয়োগ কৰিছে। Residential স্কুল খুলিছে। পিচপৰা এখন জিলাই বহু আগবাঢ়ি গ'ল। Minse&Minarels Survey কৰি সেই ফাণ্ডবোৰ কেতিয়াৰ পৰা ব্যৱহাৰ কৰিব ? যদি accumulation 37 কোটি জমা হৈছে কেতিয়াৰ পৰা ফাণ্ডবোৰ ব্যৱহাৰ কৰিব।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, বন মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, District Mineral Foundation(DMF) সেইটো প্ৰত্যেকটো জিলাত গঠন কৰা হৈছে। মাত্ৰ কাৰ্বি আংলংত হোৱা নাই। কাৰ্বি আংলংত কৰাৰ বাবে Proposal দিয়া হৈছে। তেওঁলোকে বনাই পঠিয়াব আৰু যি যি অঞ্চলত মাইনিং কৰা হয়, সেই অঞ্চলত থকা জনসাধাৰণৰ বহুত অসুবিধা হয়। ৰাস্তা-ঘাট ভাঙি যায়, তাৰ পৰিৱেশ নষ্ট হয়। গতিকে সেই অঞ্চলবোৰত জনসাধাৰণক সহায় ক ৰিবৰ বাবে কিছুমান স্কীম ঠিক কৰা হয়। যেনেকৈ ৰাস্তা নিৰ্মাণ কৰিব পৰা যায়, স্কুল নিৰ্মাণ কৰিব পৰা যায়। জনসাধাৰণৰ কাৰণে যদি দৰকাৰী সেইটো যদি তেওঁলোকে মিটিংত প্ৰস্তাৱ আগবঢ়াই সেইমতে স্কীমবোৰ আগবঢ়ায়। এইটো আগৰ চৰকাৰৰ দিনত এই Foundation টো গঠন হোৱা নাছিল। আমাৰ চৰকাৰ অহাৰ পিছত আমি District Mineral FOUNDATION(DMF) খুলিলো আৰু সেই ফাণ্ডটোৰ accumulate খোলা হ'ল। এতিয়া আমাৰ চৰকাৰৰদিনত যিবোৰ মাইনিং কৰি আৰু মহলদাৰবোৰে যিবোৰ Royality Payment কৰি আছে Royality ৰ পৰা ১০ শতাংশ সেই ফাণ্ডত জমা হ'ব। সেই পইচাটো তেওঁলোকৰ হাতত জমা আছে। যেনেকৈ Coal Industry বোৰে জমা দিছে। Oil বোৰে জমা দিছে। ঠিক তেনেকৈ শিল-পাথৰ য'ত ভাঙিছে তাত জমা দিছে আৰু তাত District ৰ Deputy Commissoner হ'ল চেয়াৰমেন। গতিকে তেওঁৰ অধীনত মিটিং কৰাৰ পাছত যদি প্ৰয়োজন সাপেক্ষে স্কীমটো নিৰ্ণয় কৰা হয় আৰু implement কৰা হয়। কিন্তু আগৰ চৰকাৰৰ দিনত Coal India, Oil India তেওঁলোকে জমা

দিছিল আমাৰ Enviroment আৰু Forest বিভাগত জমা দিছিল কিন্তু তেওঁলোকৰ হাতত Account নাই। আপোনালোকৰ বিভাগত এনেকুৱা ধৰণৰ সুবিধা কৰি দিয়া নাই। এতিয়া আমাৰ চৰকাৰ অহাৰ পিছত সেই Foundation Fund টো খুলি দিলো। কমিটিখন বনাই দিলো। এতিয়া কমিটিয়ে নিজা ববীয়াভাৱে Account খুলি ল'লে। এতিয়া পোনপটীয়াভাৱে সেই একাউণ্ট জমা হ'ব। যিবিলাক এতিয়ালৈকে বনবিভাগৰ বিষয়াসকলৰ হাতত জমা আছে। আমি তেওঁলোকক কৈছো যে Foundationত জমা দিব লাগে। এইটো কোৱা হৈছে যে এতিয়ালৈকে জমা হোৱা নাই। যিহেতু এইবোৰ বহুত দিন আগতে জমাদিয়া সেই Re-validate কৰিব লাগিব। গতিকে সময়ৰ প্ৰয়োজন আছে। লাহে লাহে সেই Account ত জমা হ'ব। District Committee বোৰে নিজাববীয়াভাৱে সিদ্ধান্ত লৈ পেলাই Wel Fare scheme জনসাধাৰণৰ বাবে তেওঁলোকে ল'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ইমানুৱেল মুচাহাৰী, বিধায়কঃ** ঠিক আছে, ২০১৫ চনৰ পৰা Trust টো গঠন কৰা হ'ল, কিন্তু প্ৰক্ৰিয়াটো আৰম্ভ হোৱা নাই। ২০১৫ চনৰ পৰা তিনি বছৰ পাৰ হৈ গল, গতিকে এইটো অতি সোনকালে আৰম্ভ কৰিলে ভাল হয়। পইছা জমা হৈ আছে কিন্তু খৰচ কৰা হোৱা নাই।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, বন মন্ত্ৰী ঃ** আপোনালোকে মিটিং কৰি আলোচনাৰ মাজেৰে পইছা খৰচ কৰাৰ ব্যৱস্থা নিজেই কৰি লব।

**শ্ৰী মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ধন্যবাদ। এতিয়া "Point of Order". শ্বেৰমান আলী ডাঙৰীয়াই কওঁক।

........ **"Point of Order"** .........

**শ্ৰীশ্বেৰমান আলী আহমেদ, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, "Point of Order" ত ক'ব খুজিছো - মই আজি তৰা চিহ্নত প্ৰশ্ন নং - ৩৬৯ত এটা প্ৰশ্ন কৰিছিলো যে Reserved Forest ৰ কিমান area Eviction Free হল ? আজি ২৯ মাৰ্চত উত্তৰ দিছে, হল্টু গাওঁ Divisionত ১১০ হেক্টৰ। মাননীয় অধ্যক্ষ মহোদয় এইটো প্ৰশ্নৰ উত্তৰ আগতেওঁ আহিছিল ২২ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখত। তাত Total areas of Encroachment Free দেখুৱা হৈছিল ৪০৮৫ হেক্টৰ মাটিৰ। আজি ২৯ মাৰ্চত সেইটো বাঢ়িবহে লাগিছিল, কমি গৈ ১১০ হেক্টৰ কেনেকৈ হল ? তেনেকৈ পৰ্বতযোৱা Divisionত আগতে দেখুৱা হৈছিল ৮৩ হেক্টৰ মাটি, কিন্তু আজি দেখুৱা হৈছে ২০ হেক্টৰ মাটি সেইটো কেনেকৈ হল মাননীয় অধ্যক্ষ মহোদয়?। How is this possible Sir ? Sir, these things are pointed out to you many times that there are always anomalies in the reply. How the Hon'ble Minister can play with the dignity of the August House ? I would request you kindly to initiate a "Breach of Privilege" Motion against the Hon'ble Minister, so that these anomalies do not oceur in future. This is true in case of most of the replies, I can show you the proof. This practice is too bad. This is August House and we are discussing various important subjects in this House and how the Hon'ble Minister can play with the dignity of the August House by

furnishing wrong information and there-by misleading the House.

**মাননীয় অধ্যক্ষ ঃ** Thank you. আপোনাৰ Point টো মই Note কৰিছো। "Brach of Privilege" নিৰ্দিষ্ট নিয়ম কিছুমানৰ মাজেৰে আহিব লাগে, মই সেইটো initiate কৰিব নোৱাৰো, কৰিব আপোনালোকে। গতিকে এইটো বেলেগ কথা। এই কথাখিনি মই আগতেওঁ কৈছো, মই নিয়ম মতে যাম। যেতিয়া এই বিষয়ে কথা ওলাব, তেতিয়া আলোচনা কৰিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** Yes Sir, I will give you in writing.

**(Pandemonium Situation in the house)**

**শ্ৰী চন্দ্ৰমোহনপাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কেতিয়াবা কোনোবা প্ৰশ্নৰ উত্তৰত কিবা Printing Mistakeও হ'ব পাৰে, এইটো "Breach of Privilege" ত কেনেকৈ আহে? অধ্যক্ষ ডাঙৰীয়া, যিকোনো বিষয়ৰ Feasibility এটা থাকিবয়ে লাগিব। এনেই "Breach of Privilege" কৈ দিলেইটো নহ'ব।

**(Pandemonium Situation)**

**শ্ৰীশ্বেৰমান আলী আহমেদঃ** মাননীয় অধ্যক্ষ মহোদয়, This is a clear case of "Breach of Privilege".The House has been misleaded repeatedly and deliberately.

**মাননীয় অধ্যক্ষ ঃ** মই এই কথাটো লৈ এই মুহুৰ্তত Debate ত যাব বিচৰা নাই। মাননীয় সদস্য সকলে Rule Book পঢ়িব আৰু Rule মতে আহিলে তেতিয়া ক'ম। কিন্তু এটা কথা সত্য যে মইয়ো দেখিছো, মোৰ কামো বাঢ়িছে। আজি কালি প্ৰায় প্ৰতি দিনে "Point of Order" ৰ সময়ত ৩-৪ টা প্ৰশ্নৰ ওপৰত বিভিন্ন ধৰণৰ কথা কোৱা হয়, কথা বিলাকৰ বেছি ভাগৰেই যুক্তি-যুক্ততা আছে। সেই কাৰণে মই কৈছো যে - প্ৰশ্ন বিলাক দিওতে ভালকৈ Study কৰি সাবধান হৈ দিব লাগে আৰু উত্তৰ দিওঁতেও সাবধান হ'ব লাগিব যাতে সদনৰ সদস্য সকলে যিখিনি কথা বিচাৰিছে তেওঁলোকেও যাতে উত্তৰটোৰ মাজতে কথাখিনি বিচাৰি পায়। এই ক্ষেত্ৰত আমি সকলোৰে সাবধান হ'ব লাগিব। কেতিয়াবা এটা Extreme Position আহি যায়, সেই সময়ত কিছুমান কথা সদস্য সকলৰ মনত উদ্দেশ্যমূলক ভাবে বা আপোনা আপুনি আহি যায়। কিন্তু এই বিলাক সকলোৰে এটা পদ্ধতি আছে আৰু আমি সেই পদ্ধতি মতেহে যাব লাগিব। প্ৰশ্ন নং ৩৬৯ ৰ যিটো কথা কৈছে, মই এইটো মানি লৈছো। মই এইটো চাম। **(Pandemonium Situation)** এতিয়া মাননীয় শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই ক'ব।

**শ্ৰী তৰুণ গগৈ, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি দুদিন মানৰ আগতে বিত্ত মন্ত্ৰীয়ে এজন Chief Minister বা Women University ৰ Chancellor হিচাপে মোৰ বিৰুদ্ধে কিছু অভিযোগ আনিছে। এই অভিযোগ বিলাকৰ মই যদি প্ৰত্যুত্তৰ নিদিওঁ, তেতিয়া ইয়াত এখন ভুল চবি থাকি যাব। সেয়েহে মই ভাবো যে - I am always ready to defend myself. Otherwise ------- **(Pandemonium Situation)**

**শ্ৰী চন্দ্ৰমোহনপাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** আপুনি যে কথাটো ইয়াত উত্থাপন কৰিছে, কি Procedure মতে কৈছে ।

**শ্ৰী তৰুণ গগৈ ঃ** I know that and I am also well aware of the Proceedure. I am not an expert but these things must be cleared. Nobody can stop me because, it is my Right. It is a direct insult to me. Please let me clarify. **(Pandemonium Situation)**

**মাননীয় অধ্যক্ষ ঃ** গগৈ ডাঙৰীয়া, Please address to me. আপোনালোক সকলোৰে বহক। Hon'ble Minister অনুগ্ৰহ কৰি বহক। আপোনাকো ক'বলৈ দিম। - - - - - -

**(সদনত হুলস্থুল চলিয়ে থাকে।)** - - - - - - -

This is not the way, আমি কথা ক'বলৈ দিম। মন্ত্ৰী ডাঙৰীয়া, আপুনিওঁ কথা ক'বলৈ সুযোগ পাব। আমি শান্তিপূৰ্ণ ভাৱে কথাখিনি ক'ব পাৰো নহয়! মই সকলোকে কৈছো, সকলোৰে নিজৰ বক্তব্য ৰাখিবলৈ সুযোগ পাব। প্ৰত্যেকটো কথা আমি ইয়াত আলোচনা হোৱাটো বিচাৰিছো। সেইদিনাৰ সেই আলোচনাটোৰ পিছত কোনোবাই মোক ক'লে যে, এনেকুৱা কৰিব পাৰিনেকি? মই প্ৰেছত একো কোৱা নাই কৰিম বুলি, কিন্তু মই কৈছো যে, এনেকুৱা যদি পৰামৰ্শ হয় ৰুল কমিটিক সুধি লৈহে কিবা এটা কৰিব পৰা যাব। মই নিজে পাৰিম জানো, কিন্তু মই প্ৰেছত কোনো উত্তৰ দিয়াগৈ নাই। মই একো কৰিব খোজা নাই , কোনোবাই যদি প্ৰশ্ন কৰে, মই কৈছো যে, এইটো চাই চিতি ল'ব লাগিব। মইতো অকলে কৰিব নোৱাৰিম। ইয়াত ৰুল কমিটি আছে, B A C আছে সকলোৰে মিলি আলোচনা কৰিহে হ'ব। আজি গগৈ ডাঙৰীয়াই বক্তব্য ৰাখিব বিচাৰিছে, সকলোৰে অলপ ধৈৰ্য্য ধৰি শুনক, তেখেতে কি ক'ব বিচাৰিছে। মই জানি ল'ব বিচাৰিছো। Privilege Motion- ক্ষেত্ৰতো মই একেটা কথাই ক'ব বিচাৰিছো । এনেকৈতো যধে মধে কথাবিলাক নহয়। আমাৰ Rule Book আছে সেই মতে যাব লাগিব। এতিয়া এই কাৰনে গগৈ ডাঙৰীয়া, কথাটোত আপুনি Details ব্যাখ্যালৈ নাযাব । আপুনি কি ক'ব বিচাৰিছে ,মোৰ যদি ভূল হোৱা নাই, আপুনি ক'ব বিচাৰিছে যে, সেইদিনা আপুনি উপস্থিত নাথাকোতে কেইটামান অভিযোগ আপোনাৰ ওপৰত অনাৰ নিচিনা হৈছে।- -------------হুলস্থূল -------- এক মিনিট----- মোৰ কথাটো শুনক-------- প্লিজ

------বিৰোধী দলৰ তীব্ৰ বাদ- বিবাদ---- সদনত হুলস্থূল-------

**মাননীয় অধ্যক্ষঃ** মই এটা অনুৰোধ কৰিছো , আপোনালোকে যধে-মধে House ত মন্তব্য নিদিব। আমাক জনসাধাৰণে প্ৰত্যক্ষ কৰি আছে। পবিত্ৰ বিধান সভাৰ মান দণ্ডটো আমি আৰু অধিক উন্নত কৰিব পাৰো নেকি, আমি সেইটো চেষ্টা কৰি আছো। গতিকে Democracy তিনিটা Principle আছে। ধৈৰ্য্য --- Patience, Respect to each other আৰু tolerance , আমাক tolerance লাগিব। আজি এটা বিশেষ গধুৰ বিষয় আছে । গগৈ ডাঙৰীয়া আপুনি আপোনাৰ ওপৰত উত্থাপন কৰা অভিযোগ সমূহৰ কাৰণে defend কৰাৰ এটা সুযোগ বিচাৰিছে, নহয় জানো? কথাটো হৈছে কি, সেই সুযোগটো দিওতে মই কৈছো কি যে, দুয়োটা পক্ষই থকাটো ভাল। মই এটা কথা আপোনাক অনুৰোধ কৰিব পাৰো যে আমাৰ শিক্ষাৰ ওপৰত দুদিনীয়া আলোচনা আছে। ৫ আৰু ৬ তাৰিখে। আমি তাত আলোচনা কৰিম। আপুনি আপোনাৰ কথাটো প্ৰকাশ কৰিব। মই তাত Debate কৰিব নিদিওঁ। মই কথাটো এইটোৰে কৈছো যে, আপুনি already আপোনাৰ ক'বলগীয়া কথাখিনি Press বা T.V ৰ জৰিয়তে ওলাইছে । ---- হুলস্থুল------ এক মিনিট--- বহক---- এনেকৈ হাউচ চলোৱাটো সম্ভৱ নহয়।-- আপোনালোকেই কৈছে Houseটো যিমান পাৰো ওপৰলৈ নিব লাগে বুলি, গতিকে কথাটো

হৈছে কি, এতিয়াও আমাৰ সুযোগ আছে। মঙ্গলবাৰেও আমাৰ education ৰ ওপৰত question- আছে। relevant হ'লে তেতিয়াও আহি যাব পাৰে। ৫ আৰু ৬ তাৰিখে দুটা দিন সম্পূৰ্ণ আছে। সেই শিক্ষা বিভাগৰ আলোচনাটো মই বিচাৰিছো সেই কাৰণে Independent, Ruling আৰু oppositionৰ যিখিনি ক'ব পৰা কথা , মই ইয়াৰ ভিতৰত কোৱাটোত আগ্ৰহী । সেই কাৰণে Assembly চলি থাকে মন্ত্ৰীসকলে যেতিয়া policy decision ৰ ওপৰত আলোচনা চলি থকা সময়ত policy decisionৰ ওপৰত বাহিৰত কথা ক'ব নোৱাৰে। --------they must - প্ৰথমে আমাক অৱগত কৰিব লাগিব। বাহিৰত ক'লে সেই মন্ত্ৰী গৰাকীৰ ওপৰত আমি ভৰ্ৎসনা কৰিব পাৰো। ঠিক তেনেকুৱা ইয়াতো । যিহেতু সেইদিনা হাউচ বহি আছিল মই তথাপি ----- He is a senior Man ---- । সেইদিনা হাউচত যেতিয়া Discussion টো আমাৰ শেষ হ'ল, question Hour টো শেষ হ'ল তাৰ পিছত আমাৰ supplementary demand ৰ ওপৰত আলোচনা আছিল। তেখেতে যদিHouse শেষ হোৱাৰ দুই মিনিট আগতে আহিলহেঁতেন মই নিশ্চয় ক'বলৈ সুযোগ নিদিয়াকৈ নাথাকিলোহেঁতেন। তথাপি হাউচটো ভালকৈ চলিব লাগে । তাৰ স্বাৰ্থত কৈছো, মই গগৈ ডাঙৰীয়াক এটা অনুৰোধ কৰিছো। আপুনি Senior Most সন্মানীয় সদস্য। সেই কাৰনে মই ক'ব বিচাৰিছো যে আপুনি যিখিনি কথা ক'ব বিচাৰিছে, মই হাউচত আপোনাৰ কণ্ঠ ৰোধ কৰিবলৈ নাযাওঁ। -----you will get opportunity ইমানখিনি কৈছো, যদি আপোনালোকৰ মোৰ ওপৰত বিশ্বাস আছে, মোৰ কথাখিনিৰ ওপৰত। মই দুয়োটা পক্ষই থকাটো বিচাৰিছো। সদায় একেটা কথাই হৈ আছে। যিগৰাকীয়ে এই কথাটো কৈছে তেখেত আজি এই মুহূৰ্ত্তত নাই। শিক্ষা বিভাগৰ দুদিনৰ আলোচনাত ---He must be present----। গতিকে মই বিচাৰিছো আপোনালোকে আজি যদি insist কৰে তেতিয়া কিন্তু মোৰ কাৰনে অসুবিধা হ'ব। মই এই কথাটো clear কৈ ক'লো।

**শ্ৰীযুত তৰুণ গগৈ, বিধায়কঃ** এটা কথা সদনত ক'ব বিচাৰিছো। এই কথাটো মই বাজেটৰ ১৩ তাৰিখে raise কৰিছিলো। সকলোৰে জানে। তাৰ reply হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দিছে। তেখেতে কিছু কিছু বেলেগ কথাও কৈছে । মইতো বেলেগ কথাত ধৰা নাই।

**মাননীয় অধ্যক্ষঃ** তেতিয়া reply দিলে অসুবিধা হ'লহেতেঁন। আপুনি কথা কৈ থাকোতে যদি সেই ফালৰ পৰা কৈ থাকে , মই সেই কাৰনে নাই দিয়া ।

**শ্ৰীযুত তৰুণ গগৈ, বিধায়কঃ** তেখেতে reply দিব লাগিছিল মই যেতিয়া raise কৰিছিলো।

**মাননীয় অধ্যক্ষঃ** তেখেতে reply দিওঁতে আপুনি নাছিল।

**শ্ৰীযুত তৰুণ গগৈ, বিধায়কঃ** মই নাথাকিব পাৰো। এতিয়াও মই নাছিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া আপোনাৰ কথাটো কি ?

**শ্ৰীযুত তৰুণ গগৈ, বিধায়কঃ** মোৰ কথাটো হ'ল মই আজিও আৰু যোৱা কালিও মোৰ point টো ৰেইজ কৰিবলৈ বিচাৰিছিলো। মইতো বেলেগ কথা ক'বলৈ বিচৰা নাই । government ৰ যিখিনি order আছে, Chief Minister কি decision লৈছে মই সেইখিনিহে ক'ব বিচাৰিছো। আজি কিয় দিব নোৱাৰে।

**মাননীয় অধ্যক্ষঃ** মই এইটো আজি দিব নোৱাৰিম।

--- সদনত হুলস্থুল---- তীব্ৰ বাদ-বিবাদ---

(শাসকীয় দল .... বিৰোধী দলৰ মাজৰ পৰা বিভিন্ন মন্তব্য ওফৰি আহে। হুলস্থুল-- একো শুনা নাযায়।)

**মাননীয় অধ্যক্ষঃ** মোৰ Rule এ Permit নকৰে । মই আজি আপোনাক দিব নোৱাৰো। এইটো মই চাম কিন্তু আজি দিব নোৱাৰিম। my rule is final.

(কংগ্ৰেছ দলৰ সদস্যসকলে অধ্যক্ষ মহোদয়ৰ আসনৰ ওচৰলৈ গৈ বিষয়টো আজিয়ে উত্থাপনৰ বাবে দিবলৈ দাবী জনাই থাকে। ইয়াৰ লগে লগে শাসকীয় দলৰ কিছু সংখ্যক সদস্যও অধ্যক্ষৰ আসনৰ সন্মূখত অৱস্থান কৰে)

**মাননীয় অধ্যক্ষঃ** This is my ruling ।Ruling cann't be challenged....please sit down ।I have given my ruling । This is final ।

শাসকীয় দলঃ অধ্যক্ষ মহোদয়ৰ ruling টো মানি লওক।

কংগ্ৰেছ দলঃ সেই দিনা কি Device ত দিলে? আপোনালোকে Zero Tolerance কথা কয়।

মাননীয় অধ্যক্ষঃ My ruling is final. I have already told you that you will be given opportunity at right time. Assemby will adjourn in 6th only . you will get opportunity to raise these things, I have already hinted. My ruling is final. I can't allow.

সদনত বাদ বিবাদ - হুলস্থুল---

**মাননীয় অধ্যক্ষ ঃ** Please, go to your seat first, this is my Ruling.

(The House is Pandemonium form the both side i.e., Ruling and Opposition and Opposition shouting Slogan infornt of the Hon'ble Speaker.)

**মাননীয় অধ্যক্ষ ঃ** I can not allow this thing, please go to your seat. Where is the Leader of the Opposition.Their intention is very clear.

The House is Pandemonium

**ড°হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেখেত সকলক sit লৈ যাব দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক sit লৈ যাওঁক। Go to your seat. আসনলৈ যাওঁক। The house has been adjourned for 15 minutes.

**পুনৰ আজি ইং ২৯-০৩-২০১৮ তাৰিখে দিনৰ ১১.৩০ বজাৰ পৰা মাননীয় অধ্যক্ষ মহোদয়ৰ নেতৃত্বত সদনৰ কাম কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া আমাৰ আজিৰ special item no. 2, Sustainable Development Goal. লৈ যাব বিচাৰিছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** চাৰ, তৰুন গগৈ ডাঙৰীয়াই যিটো কব বিচাৰিছিলে, তেখেতক কবলৈ সুযোগকন দিব লাগিছিলে।

**ড°হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য তৰুন গগৈ ডাঙৰীয়াই যিখিনি কব

খুজিছে তেওঁক কোৱাৰ অনুমতি দিব লাগে। মোৰ হাতত গোটেই ফাইলটো আছে, কথাখিনি ভালকৈ ৰাইজে গম পাব। তেখেতক কোৱাৰ অনুমতি দিব লাগে তাত অসুবিধা কি আছে। অধ্যক্ষ মহোদয়, সদনৰ পৰা এটা বেয়া খবৰ যাব নালাগে, তেখেতে কিবা ক'ব বিচাৰিছে ক'ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কথাটো এনেকুৱা, সদন কিছু নিয়ম নীতিৰ মাজেৰে চলিব লাগিব। এইখন আমাৰ Rule Book আছে। তৰুন গগৈ ডাঙৰীয়াই যোৱা কালি পুৱা মোলৈ এখন চিঠি দিছিল, মই চিঠি খন পাইছো আৰু তেখেতেও কালি আহিছিল। মই কলো, চিঠিখন পঢ়ি Rule খিনি চাই মই দিব লাগিব আৰু তেখেতে চিঠিখনত এটাই কথা উল্লেখ কৰিছিল যে Women's University ৰ সম্পৰ্কত তেখেতৰ অনুপস্থিতিত তেখেতৰ ওপৰত কিছু অভিযোগ কিছু আনিছিলে আৰু সেই অভিযোগ খিনিৰ সম্পৰ্কত তেখেতে তেওঁৰ standটো clarify কৰিবৰ কাৰণে মোক এটা statement দিবলৈ সুযোগ বিচাৰিছিলে। মোক ক'বলৈ দি থাকোতে কোনেও যাতে নকয়, মই এইটো সকলোকে অনুৰোধ কৰিছো। কথাটো হ'ল কি, মই এই কাগজখন ৰাতিপুৱা ৮.১০ বজাত পাইছিলো, গতিকে মই সেই সময়ত পঢ়াৰ বাবে যিখিনি সময় সেই সময়খিনি মোৰ সেইসময়ত নাছিল, গতিকে I have gone throush the book till 9.30, মই ইয়াত আহিও চালো। আৰু সেইকাৰণে মই দেখিলো আমাৰ Rule Book ত Minister can give a statement. এজন মন্ত্ৰীয়ে যদি Resign দিয়ে he is also allowed to give a statement, but there can not be debate আৰু statement দিয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ইচ্ছা কৰিলে এটা উত্তৰ দিব পাৰে, সেইটোৰ ক্ষেত্ৰত। আৰু এটা আছে মই চাইছিলো, নাই বুলি কৈছিলে, কিন্তু মই Rule টো উলিয়ালো, সেই Rule ত ও আছে কেতিয়াবা statement বুলি কোৱা নাই, mention কৰিব পাৰে কিন্তু debatable কথা হব নোৱাৰে। এতিয়া যিহেতু এই কথাটো আপোনালোকে দেখিছে, এইটো debatable কথা। আমাৰ সন্মানীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কেইটামান কথা কৈছে। তৰুণ গগৈ ডাঙৰীয়াই তাৰ পিছত কৈছে মোক এইটো clarify কৰিব দিব লাগে, তাৰমানে এইটো এটা debated হৈছে। তাৰপিছত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কৈছে তেখেতৰ হাতত তথ্য আছে ক'বৰ কাৰণে Rule ত যিহেতু নাই debatable কথা কোৱাৰ, মই সেইকাৰণে কালি এখন চিঠি পঠিয়াইছিলো আৰু মই লিখিছিলো যে , permission to make a statement to clarify your stand in the Assembly as requested can not be accorded as the same is not permissible under Rules of Procedure and Conduct of Business of Assam Legislative Assembly the matter may be understood as such.সেয়েহে statement টো মই Specially দিব নোৱাৰো। কিন্তু আজি যেতিয়া গগৈ ডাঙৰীয়া থিয় হৈছে, মই তেখেতৰ কথাটো বুজি পাইছো এইটো কথাকে ক'ব খুজিছে। মই সেই কাৰণে প্ৰথমতে কৈছিলো যে আমাৰ এই কথাটো কওঁতে এনেকুৱা হৈছে, শিক্ষা মন্ত্ৰীয়ে কওঁতে হয়তো তেখেত কিবা কাৰণে নাই, আকৌ তেখেতে ক'ব ধৰোতেওঁ শিক্ষা মন্ত্ৰীয়ো নাথাকিব, গতিকে আৰু এটা ডাঙৰ কথা হৈছে Rule ত আজি মই দিব নোৱাৰো।

Rule ত আজি মই দিব নোৱাৰো। কিন্তু মই তৰুণ গগৈ ডাঙৰীয়াক অনুৰোধ কৰিছিলো যে ৫ আৰু ৬ এপ্ৰিল তাৰিখটো যিহেতু শিক্ষা বিভাগৰ আলোচনাৰ বাবে ৰখা হৈছে, তাত আপুনি কবলৈ সুযোগ পাব। সেইকাৰণে মই কৈছিলো যে, আজি আৰু এইটো কথা আনিব নালাগে।

মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াও আহি মোক কলে যে তেখেতক কবলৈ সুবিধা দিব লাগে। কিন্তু যিহেতু মই এটা ruling দিলো, সেইটো একেদিনাই reverse কৰাটো অসুবিধা। তেনে কৰিলে ভৱিষ্যতলৈ এটা ভাল message নাযাব House ৰ পৰা। তৰুণ গগৈ ডাঙৰীয়াই এটা সুযোগ বিচাৰিছিল যাতে House ৰ ভিতৰত তেখেতৰ যিটো stand, সেইটো যাতে clear হৈ থাকে। মই কৈছিলো সেইটো লাগিলে মোক written ও দিয়ক। House ত কাৰো কথা মই নথকা কৰিব বিচৰা নাই। সেইদিনা সেইকাৰণে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই এটা প্ৰস্তাৱ দিছিলে যে আমি যেতিয়া House ত থাকো, বাহিৰত কথাবোৰ কোৱাৰ আগতে House ৰ ভিতৰতে কথাবোৰ ক'বলৈ চেষ্টা কৰিব লাগে। সেইকাৰণে সিদিনাখনো আমাৰ Education ৰ ওপৰত যিটো question Hour আছিলে, সেইটো শেষ হওঁতে House ২ মিনিট বঢ়াইয়ো দিব লগা হৈছিল। মূল লক্ষ্য আছিল যে সেই শিক্ষাৰ সেই অনুষ্ঠানটো যাতে ৰক্ষা হয়। গতিকে সেইদিনাখন Ultimately এটা positive meassage য়ে গৈছে House ৰ পৰা। সেইদিনাও ২টা বজাত আমাৰ Demand টো শেষ হোৱাৰ পাছত যদি permission বিচাৰিলেহেঁতেন, মই দিবলৈ বেয়া নাপালোহেঁতেন । কিন্তু আজি বিশেষ statement এটা দিয়াৰ কাৰণে যিটো statement বিচাৰিছে সেইটো Rule ত নাই। সেইকাৰণে মই দিব পৰা নাই। ৪ তাৰিখে supplementary ত তেনেকুৱা সুবিধা দিম নহলে ৫ বা ৬ April তাৰিখে দিম যিহেতু সেইকেইদিন Education বাহিৰে বেলেগ discussion নহয়। এই Debate টোৰে যাতে ৫ বা ৬ April তাৰিখৰ গোটেই Debate টোত তোলপাৰ নকৰে সেইটোকে মই অনুৰোধ কৰিছো। Debate বোৰ গঠন মূলক হ'ব লাগে। অধ্যক্ষ হিচাপে মোৰ কিছুমান Ruling য়ে হয়তো কাৰোবাক আঘাতো দিব পাৰে। কিন্তু অধ্যক্ষ হিচাপে এই আসনখনৰ মৰ্য্যাদা ৰখাটো মোৰ কৰ্তব্য। সেইকাৰণে মই Leader of the opposition আৰু তৰুণ গগৈ ডাঙৰীয়াকো কৈছো যে মই যিহেতু ৪,৫ আৰু ৬ April তিনিটা দিন দিছো, সেইদিনাই statement টো দিয়ক।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃততে যোৱা ২৭ তাৰিখে supplementary question এটাৰ সময়ত গোটেই কথাখিনি আহিলে আৰু যোৱাকালি আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱে আজি এটা সময় দিবলৈ আপোনাৰ অনুৰোধ কৰিলে। বাতৰি কাকতত দুইখিনি কথাই আহিছে যে শিক্ষামন্ত্ৰী ডাঙৰীয়াই সদনত কি ক'লে আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাহিৰত কি ক'লে। দুইখিনি কথাৰ মাজত মিল নাই। বিসংগতি দেখা গৈছিল। সদনত এটা নিয়ম আছে যে যদি মন্ত্ৰীয়ে কিবা ভুল কথা কয় ,তেতিয়াহলে তেওঁ এটা statement দি সদনক জনাব পাৰে যে মই আগতে এনেকুৱা কথা এটা ক'লো, সেইটো ভুল হ'ল বুলি। ছাৰ ইয়াত কেইটামান কথা কোৱা হৈছিল যে University খন Hijack কৰা হ'ল, Hit & Run বা ভৰ্ৎসনা প্ৰস্তাৱ ল'ব লাগে। অধ্যক্ষ মহোদয়, ভৰ্ৎসনা প্ৰস্তাৱ কৰিবলৈ হলেও আপোনাৰ আগতীয়া অনুমতি ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আজি এইটো সম্ভৱ নহ'ব। (হুলস্থুল) ----------

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰীয়ে এনেয়ে কোৱা নাই। যেতিয়া আব্দুল খালেক ডাঙৰীয়াই প্ৰশ্ন তুলিছে মই তাৰ উত্তৰ দিছো। (হুলস্থুল)-------------- অধ্যক্ষ মহোদয়, SDG ৰ discussion যিহেতু মহিলাৰ Rule আছে। SDG ৰ discussion তো He can raise the issue. (হুলস্থুল)-------------

**মাননীয় অধ্যক্ষ ঃ** শিক্ষামন্ত্ৰীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। SDG ৰ ১৭ টা লক্ষ্য আছে। তাত

enpowerment of women ৰ কথা কোৱা হৈছে। (হুলস্থুল)--------------

**শ্ৰী তৰুণ গগৈ ঃ** মোক Permission দিয়াত কি আপত্তি আছে? (হুলস্থুল)--------------

**শ্ৰী আব্দুল খালেক ঃ** এইটো আগতে সমাধান হ'ব লাগিব। (হুলস্থুল)--------------

**মাননীয় অধ্যক্ষঃ** I have requested you all to go to your respective seats. You have the democratic means to show your protest but not like this.

(সদনত আকৌ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল যে, মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই এটা স্পষ্টীকৰণ দিব বিচাৰিছে আৰু সেই বিষয়ে আপোনাক লিখিত আকাৰে চিঠি দিছে যিটো আপুনি আমাক জনালে। তেওঁ এটা device ত আনিব কৈছে। বাৰু সি যি কি নহওঁক, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই কৈছে যে তেখেতৰ অনুপস্থিতিত হিমন্ত বিশ্ব শৰ্মাই তেখেতৰ বিৰুদ্ধে কৈছিল। কিন্তু, এতিয়া সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে মই জনাটো উচিত যে কথাটো সদনত তেওঁ কোনটো device ত আনিব বিচাৰিছে।

(সদনত পুনৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, তৰুণ গগৈ ডাঙৰীয়াই যিখিনি statement ইয়াত দিব লাগে সেইখিনি তেখেতে দিব বিচাৰিছে। আপুনি ধুনীয়াকৈ কৈছে যে সেইদিনাও যদি প্ৰশ্নকালীন ঘণ্টাৰ শেষত Point of Order দি ক'লেহেঁতেন, বা তেওঁ লিখিত আকাৰে দিব পাৰিলে হেঁতেন। গতিকে এইবোৰ social media, T.V. ত প্ৰচাৰ হৈ গ'ল। কিন্তু আজি এই কথাখিনি উত্থাপন হোৱাৰ পিছত তৰুণ গগৈ ডাঙৰীয়াই যেতিয়া কথাখিনি ক'ব তেতিয়া হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া উপস্থিত নাথাকিবও পাৰে। শিক্ষা মন্ত্ৰী হিচাপে তেওঁৰ compulsion আছে যে কোনোবাই যদি কিবা কথা কয়, তেন্তে তেওঁ তাৰ উত্তৰ দিব লাগিব। গতিকে কাইলৈ যেতিয়া হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই উত্তৰ দিব তেতিয়া তৰুণ গগৈ ডাঙৰীয়া নাথাকিবও পাৰে। পৰহিলৈ আকৌ একে হ'ব পাৰে। গতিকে এতিয়া যিহেতু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া সদনত উপস্থিত হ'ল গতিকে মই আপোনাক অনুৰোধ কৰিব বিচাৰিছোঁ। অধ্যক্ষ মহোদয়, আপোনাৰ ruling ৰ ওপৰত কথা কোৱাৰ মোৰ ক্ষমতা নাই কাৰণ আপুনি সদনৰ সৰ্বোচ্চ সিদ্ধান্ত লোৱাৰ অধিকাৰী আৰু আপোনাৰ ruling টোৱেই final ruling. আপোনাৰ ruling ত প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰশ্ন কৰিছে যিটো মই তেওঁৰ পৰা আশা কৰা নাছিলোঁ। তেখেতে যি কৈছে যে শিক্ষা মন্ত্ৰীয়েও বিচাৰিছে, পৰিক্ৰমা মন্ত্ৰীয়েও বিচাৰিছে গতিকে অধ্যক্ষ মহোদয়ে কিয় ক'বলৈ নিদিয়ে এইবুলি আপোনাক প্ৰশ্ন কৰিছে। প্ৰাক্তন মুখ্য মন্ত্ৰী হিচাপে তেখেতৰ মুখৰ পৰা এনেধৰণৰ কথা শুনি ভাল নালাগে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আপোনাৰ ruling ক আমি সন্মান জনাইছো। গতিকে সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে মই এটা অনুৰোধ কৰিব বিচাৰিছোঁ যে আপোনাৰ ruling টো আপুনি modify কৰি মাননীয় তৰুণ গগৈ ডাঙৰীয়াক ক'বলৈ অনুমতি দিয়ক আৰু শিক্ষা মন্ত্ৰীও যিহেতু এতিয়া উপস্থিত আছে গতিকে কথাবোৰ clear

হওঁক।

**মাননীয় অধ্যক্ষঃ** তেখেতে এটা কথা কৈছে তাৰ ওপৰত  মোক  ক'বলৈ দিয়ক। Please, আপোনালোক সকলো বহক। অধ্যক্ষই যেতিয়া  ruling দিয়ে, any Member can ask for elucidation, যে আপুনি এনেকৈ দিছে, গতিকে এই ক্ষেত্ৰত কিবা কৰিব পৰা যায় নেকি? They have the right, this book has given that. কিন্তু, সাধাৰণতে, অধ্যক্ষই ruling  দিয়াৰ পিছত  সেইটো final and binding.  এতিয়া মই  final and binding ruling  দিয়াৰ পিছতো যদি ধৰ্ণা দি থাকে তেন্তে কি কৰিম? মই ভাল পাইছো যে, Hon'ble Education Minister is willing, Parliamentary Affairs Minister is willing and you are also willing. মই মাত্ৰ এটা কথা কৈছো যে, এইটো এটা মাধ্যমত যাব লাগিব, bad precedent হ'ব নোৱাৰিব।  আজি যিহেতু আমাৰ SDG ৰ ওপৰত discussion আছে আৰু SDG ত আমাৰ যি ১৭ টা  লক্ষ্য আছে,  সেই ১৭ টা লক্ষ্যৰ ভিতৰত ৫ নং লক্ষ্যটো হৈছে মহিলা সৱলীকৰণৰ লক্ষ্য, which is one of the most important Goals. ইয়াত লিখা আছে যে-   'Reducing inequalities and promoting gender equality ensuring no one  left behind: Achieve gender equality and empower all women and girls '. সেইকাৰণে তৰুণ গগৈ ডাঙৰীয়াই কোৱাত একো আপত্তি নাই। গতিকে SDG ৰ under ত কথাখিনি কোৱাৰ বাবে  মই প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক এটা scope দিম। কাৰণ সেইটো এটা device আছে। সেই কেইটা কথাৰ বাবে বেলেগকৈ এটা statement  নিদি  প্ৰাধান্য অনুসৰি তৰুণ গগৈ ডাঙৰীয়াই ইয়াৰ মাজতে ক'ব পাৰিব।

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষঃ** Please, আপোনালোকৰ এজনে কওঁক। সকলোৰে একেলগে ক'লে  কেনেকৈ শুনিম? আপোনালোকে মূল issue লৈ আহক।

**শ্ৰী ৰকিবুল হুছেইন, মাননীয় সদস্য, (ৰহা)ঃ** অধ্যক্ষ মহোদয়, আজি আমি এইটো deviceত কি ক'ম তাৰ বাবে আমাক কোনেও শিকাই দিব নালাগে। আমি কেনেকৈ কি ক'ম সেই কথাখিনি যদি আপোনালোকেই শিকাই দিয়ে তেন্তে আমাক ইয়ালৈ নামাতিলেও হয়।

**মাননীয় অধ্যক্ষঃ** শিকাই দিয়া নাই। আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, আমি শিকাই নিদিওঁ আপুনি শিকাই দিব আৰু আপুনি শিকাই দিয়াৰ পিছত যেতিয়া কোনোবাই নামানে তেতিয়া অশালীন বুলি কোৱা হয়।

(সদনত হুলস্থুল)

**Hon'ble speaker :** Please sit down. আপোনালোকৰ House continued কৰাৰ ইচ্ছা আছেনে নাই? শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই ক'ব কিন্তু device ত যাব। এতিয়া 2 no SDG আৰম্ভ হ'ব তাত প্ৰথমে শ্ৰী তৰুণ গগৈয়ে ক'ব। মই শ্ৰী তৰুম গগৈ ডাঙৰীয়াক ক'বলৈ কৈছো। কিন্তু এইটো এটা statement নহয়। তেখেতে statement, lecture যিয়েই নহওঁক confine সেই  point টোতে কৰক। গগৈ ডাঙৰীয়া আপুনি senior মানুহ। under what rule I will admit you.

(সদনত হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, আমি তেওঁৰ কথা silently শুনিম আৰু

উত্তৰতো তেওঁলোকে silently শুনিব লাগিব। এইটোৱেই condition.

**(সদনত হুলস্থূলীয়া পৰিবেশ)।**

**মাননীয় অধ্যক্ষ ঃ** .চাওক গোটেই কথাটো মোৰ ওপৰত depend কৰে। I have certain discretion.কিন্তু আপোনালোকে যিহেতু শ্ৰী তৰুণ গগৈ ডাঙৰীয়াইও কিবা এটা কৈছে। মই আপোনালোককো পঢ়ি শুনাব খুজিছো। মই কি কৰিম শেষত কম। আপুনি শুনা উচিত। It is the right of the Speaker to interpret the Constitution and Rules, so far as matters in or relating to the House are concernd, and no one, including the Government, can enter into any argument or controversy with the Speaker over such interpretation. His rulings constitute precedents by which subsequent Speakers, members and officers are guided. Such precedents are collected, and in course of time, formulated as rules of procedure or followed as conventions. The Speaker's rulings, as already stated, cannot be questioned except on a substantive motion. A Member who protests against the ruling of the Speaker commits contempt of the House and the Speaker. The Speakers decision is equally binding whether given in the House or on a departmental file. He is not bound to give reasons for his decisions. Members cannot criticise directly or indirectly, inside or outside the House, any ruling given, opinion expressed or statement made, by the Speaker. If a member desires to make a submission to the Speaker on the floor of the House regarding a ruling, the Speaker may permit the member to do so after satisfying himself that it does not unduly interfere with the proceedings of the House. The member making such a submission cannot criticise the decision but can seek elucidation on any point, or request the chair to consider the ruling in the light of the facts submitted by him. শেষৰ দুটা লাইনত মোক অকনমান সুবিধা দিছে। ইয়াত কৈছে যে, The Member making such a submission cannot criticise the decission but can seek elucidation on any point, or request the chair to consider the ruling in the light of the facts submitted by him. মাননীয় মন্ত্ৰী, ডo হিমন্ত বিশ্ব শৰ্মা আপুনি অথনি নাছিল। আপোনাৰ submission টো প্ৰথমে শুনো। আপুনি এইটোত কি কব বিচাৰে। Formally মোক এইটো request কৰি কথাটো কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই অংশ গ্ৰহণ কৰিছিল। উত্তৰ দিয়াৰ সময়ত তেখেতে ইয়াত অনুপস্থিত আছিল। আজি অধ্যক্ষ মহোদয়, তেখেতে যদি কিবা এটা submission আপোনাক দিব খুজিছিল তাৰ কপি এটা মই entitled যেনেকৈ Zero Hour ত Notice ত দিয়ে। Zero Hour ত Notice দিলে concern Minister লৈকে copy এটা দিয়া যায়। আজি যিহেতু মোৰ বক্তব্যৰ ওপৰত তেখেতে আপোনাক কিবা এটা বিচাৰিছিল, as per rules মোলৈকে ক পি এটা

আহিব লাগিছিল। So that I can come with preperation to reply to his submission. এতিয়া চিনিয়ৰ মেম্বাৰ অধ্যক্ষ মহোদয়, মই নাজানো হাউচৰ নিয়ম কেনেকুৰা কি কথা। কিন্তু যোৱাকালি আপোনাক এখন চিঠি দিছে and I am deprive from that copy. Because I have to reply on the facts. But fortunatly যিহেতু মই হাউচত আহিলো আৰু মই গম পালো যে, issue relating to the Women's University. Now I have the file আৰু কিবা যদি প্ৰশ্ন আছে, যিহেতু এইটো এটা সমস্যা আছে, বা কিবা যদি উত্তৰ দিলে সকলোৰে যদি জনাবুজাত সুবিধা হয় মাননীয় সদস্য শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই যদি এই বিষয়ে কিবা কয়, মই উত্তৰ দিয়াৰ কাৰণে সাজু আছো, অধ্যক্ষ মহোদয়, মো্ৰ ফালৰ পৰা কোনো অসুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Parliamentary Affairs Minister.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে আমাৰ মাননীয় সদস্য শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই কথাখিনি কব বিচাৰিছে। মই ভাৱো যে, সদন চলি থকা অৱস্থাত সদনৰ ভিতৰতে যাৰ যি কথা কবলগীয়া আছে কওঁক। তেখেতক কথাখিনি উত্থাপন কৰিবলৈ দিবলৈ মই আপোনাক অনুৰোধ জনালো আৰু শিক্ষামন্ত্ৰীয়েও তাৰ যথাযথ যিখিনি উত্তৰ হয়, উত্তৰখিনি দিয়ক আৰু হাউচত সকলো মাননীয় সদস্যক মই অনুৰোধ কৰিম যে, গগৈ ডাঙৰীয়াই ষ্টেটমেণ্ট দিওতে আমি সকলোৰে নিৰৱতা অৱলম্বন কৰিব লাগিব। ভালকৈ শুনিব লাগিব আৰু শিক্ষামন্ত্ৰীয়েও যিটো বক্তব্য দিব ভালকৈ শুনিব লাগিব নহ'লে বিধান সভাখন গৈ টি ভিৰ স্ক্ৰীনত পৰিণত হৈছে খালী টিভিত। গতিকে বিধান সভাৰ মৰ্য্যদাতো ৰক্ষাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, Parliamentary Affairs Minister হিচাপে যে অনুৰোধ কৰো, গগৈ ডাঙৰীয়াক ষ্টেটমেণ্টটো দিবলৈ আপুনি অনুমতি দিব লাগে আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক তাৰ উত্তৰ দিবলৈ অনুমতি দিব লাগে। (হুলস্থুলীয়া পৰিবেশ)

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Treasury bench ত Parliamentary Affairs Minister আছে। Concern Minister আছে কাৰণে তেওঁৰো এটা opinion লৈছো। As requested by both Parliamentary Affairs Minister, Education Minister and Leader of the Oposition. I have decided to reconsider my ruling in the light of the facts submited by them. And I now request Mr. Tarun Gogoi to place his statement. এইটোত হাউচৰ বৃহত্তৰ স্বাৰ্থত মই এইটো কৰিছো। মই এটা কথা কৈছো, শ্ৰী তৰুণ গগৈ ডাঙৰীয়াক, মই এটা আপোনালোকক পঢ়ি দেখুৱাইছো। মই কিবা ক'লে মোৰ বিষয়ে কিন্তু টি ভিৰ পৰ্দাত এনেকুৰা কথা নক'ব, অধ্যক্ষই অমুক কৰিব পাৰে, তমুক ক ৰিব পাৰে।মই এইটো আপোনাকো অনুৰোধ কৰিছো, সকলোকে কৈছো। কিবা থাকিলে মোক কব।

**শ্ৰী তৰুণ গগৈ, (তিতাবৰ) ঃ** মোৰ যিটো ৰাইট আছে, মই কম।

**মাননীয় অধ্যক্ষ ঃ** ক'ব। কিন্তু আপুনি Directly indirectly you cannot criticise outside. Carry on now. মই আপোনাক বুজাব নাযাওঁ।এইটো আপুনি মোলৈ চাই কওঁক।You said address to me.He must also understand Rules.Please.It is not a precedent.এইটো reconsider হৈছে as per request.It is not a precedent. I consider in the greater interest of the HousePlease.আপোনাৰ

কথাটো কওঁক।

**শ্ৰী তৰুণ গগৈ, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰো উত্তৰ দিবলৈ কঠিন নহ'ব কিয়, কাৰণ মই চৰকাৰৰ ডকুমেণ্টবিলাক আনিছো। মই বেলেগলৈ নাযাও, মই সেইটোৱে কৈছো। To the point লৈ যাম। এইবিলখন আনিছিল সকলোৱে জানে lay কৰিছিল **১৫-৭-২০১৩** চনত। আমাৰ শিক্ষামন্ত্ৰী নাছিল । সেইদিনা, সেই সময়ত শ্ৰী নীলমনি সেন ডেকা Parliamentary Affairs Minister আছিল, তেখেতে সেই বিলখন lay কৰিছিল। তাৰ পাছত **১৯** তাৰিখে তাৰ আলোচনা

হৈছিল আৰু সেই আলোচনাত নিশ্চয় যিহেতু তেখেতে শিক্ষামন্ত্ৰী আছিল তাত অংশ গ্ৰহণ কৰিছিল বা উত্তৰো দিছিল। আৰু সেই বিলখনত সকলোৱে জানে যে, সকলো দলৰ এ জি পি, বিজে পি, এ আই ইউ ডি এফেই হওঁক, সকলো দলে unanimously সেই বিলখন পাচ কৰিছিল। সেইটো কথা ঠিক। আৰু তেতিয়া এটা প্ৰশ্ন আহিছিল যে সেই বিশ্ববিদ্যালয়খন পল্লৱলোচন দাসে আনিছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় মন্ত্ৰী বুলি কওঁক।

**শ্ৰী তৰুণ গগৈ, (তিতাবৰ) ঃ** মাননীয় মন্ত্ৰী। ঠিক আছে, মই সেইসময়ৰ কথা কৈছো ।

**মাননীয় অধ্যক্ষ ঃ** He is a senior man, he should understand.

**শ্ৰী তৰুণ গগৈ, (তিতাবৰ) ঃ** ভুল হৈছে, মাফ খুজিছো। কথা সেইটোৱেই।

**শ্ৰী আ ব্দুল খালেক, (জনীয়া) ঃ** চাৰ, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে কৈছিল, আমি সকলোৱে নিৰৱে শুনিম। বিৰোধী পক্ষ, শাসক পক্ষৰ সদস্য আৰু মাননীয় মন্ত্ৰীয়ে সেই কথা ৰখা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ যিহেতু লিডাৰে কৈ আছে মাজত কিয় কয়?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** হাউচৰ সদস্যক নাম ধৰি এড্ৰেছ কৰিব নোৱাৰে।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Education Minister is right. Parliamentary Affairs Minister,য়ে কেতিয়াবা কমলেক্ষ কৈ থাকে কেতিয়াবা ৰূপজ্যোতি কৈ থাকে, তেখেতেও ক্ষমা খুজিব লাগিব। ( সদনত হুলস্থূলীয়া পৰিবেশ)

**শ্ৰীতৰুণ গগৈ,বিধায়ক ঃ**-বৰ্তমানৰ মাননীয় মন্ত্ৰী, সেই সময়ত সম্ভৱ তেখেত বিধায়ক আছিল। তেতিয়া তেখেতে এটা প্ৰস্তাৱ আগবঢ়ালে যে University খনৰ নামাকৰণ 'শ্ৰম আৰু নিয়োগ বিভাগ'ৰ মাননীয় মন্ত্ৰী শ্ৰীমতী ৰূপম কুৰ্মী ডাঙৰীয়ানীৰ নামেৰে কৰিব লাগে, যাক কংগ্ৰেছৰ কাৰ্য্যকালতেই Cabinet Minister হিচাপে মনোনয়ন কৰা হৈছিল। তেতিয়া আজিৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই কৈছিল, প্ৰস্তাৱটো late হ'ল, সেই কাৰণে এইটো বিবেচনা কৰিব নোৱাৰি। তাত কোৱা হৈছিল যে, মাননীয় উপাধ্যক্ষ মহোদয়, মহিলা সকলৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ। চাহ বাগিচাৰ এগৰাকী কংগ্ৰেছ নেত্ৰী আছিল। তেখেতৰ নাম ৰূপম কুৰ্মী। তেওঁ বহু কষ্ট কৰি শিক্ষা গ্ৰহণ কৰিছিল। তেখেতৰ নামত এই University খন উৎসৰ্গা কৰিলে ভাল হয়। University খন যিহেতু যোৰহাটত।

**মাননীয় অধ্যক্ষ ঃ**- সেইখিনি হ'ব দিয়ক। সেই খিনি ঠিকে আছে।

শ্ৰী তৰুণ গগৈ, বিধায়ক ঃ-' The Assam Woman University Bill,2013 ' এই বিলখনৰ আৰম্ভনিতে সংশোধন কৰা হলে মই মাননীয় সদস্য জনৰ লগত একমত হব পাৰিলেহেতেন। সেইটোৱেই কথা। তাৰ পাচত তেখেতে ক'লে, যে তৰুণ গগৈয়ে বিৰোধিতা কৰিছে। মই এইটো কথাহে কৈছোঁ যে মই বিৰোধিতা কৰা নাই। তেখেতৰ বক্তৃতাৰ পৰাই গম পায়। যিয়েই হওঁক,

তেখেতে তেতিয়া কৈছিল যে Administrative Building টো আমি বিবেচনা কৰিব পাৰোঁ, কৰক। সেইটোত আমাৰ আপত্তি নাই। ইয়াৰ পাচত, Mentor Appointment, CM office ৰ পৰা দিয়া নাই। Mentor দিছিল, মই দিব পাৰোঁ। মই নকওঁ যে মই দিয়া নাই বা দিছোঁ। তেতিয়া H.S.Sarma আছিল, তেখেতে University তেতিয়া Mentor University হিচাবে কৰিলে, কাক Mentor হিচাপে দিলেহু Vice Chancellor ডাঙৰীয়াক । ঠিক তাৰ পাচত University য়ে মাটি বাৰীও দিলে, এইবোৰ ঠিক আছে, এইটো মই নকওঁ। তাৰ পাচত মিটিংও হ'ল। ক'ৰ্টৰ মিটিং হ'ল। যিহেতু মই Chancellor, মিটিংও হ'ল। তাৰ পাচত University Commission য়ে recognition ও দিলে । with Mentor University Grants Commission এ। এইবোৰ সকলো ৰেকৰ্ডৰ কথা। Out side the record ৰ কথা কোৱা নাই। UGC য়ে ০২-১২-২০১৪ চনত accorded permission award Degree কাৰণDegree যদি নিদিয়ে UGC য়ে with Mentor as recognise, ঠিক তাৰ পাচত নানা ধৰণৰ মিটিং হ'ল, ক'ৰ্ট হ'ল, ইয়াৰ পাচত আকৌ আজিৰ মুখ্যমন্ত্ৰী যিহেতু cencellor তেখেতেও মিটিং কৰিলে। আজিৰ cencellor এ মিটিং কৰিলে ৬ ছেপ্তেম্বৰ, ২০১৬ ত। তেখেতে ক'ৰ্টখনো নতুন কৰিলে। তাত বৰগোহাই পিতাম্বৰ দেৱ গোস্বামী, হৃষিকেশ গোস্বামীকে আদি কৰি আৰু বহুত নতুন নতুন মেম্বাৰো তেখেতে ভৰালে। তেখেতে নতুন নতুন subject খুলিবলৈও ক'লে। আৰু ভাল ভাল subject ৰ কথায়ে কৈছে, মোতকৈ এখোপ আগুৱাই গ'ল।

**মাননীয় অধ্যক্ষ ঃ**-Statement হ'লে ভাল আছিল। আপুনি বেছি দীঘল নকৰিব।

**শ্ৰী তৰুণ গগৈ, বিধায়কঃ**- তাৰ পাচত তেখেতে কৰিলে University ৰ infrustructure নাই, সকলো প্লেন দি ক'ৰ্টে approve কৰিলে ১০ কোটি টকা। আৰু ১০ কোটি টকা তেখেতে ঘোষনাও কৰিলে, post ও sanction কৰিলে। ১০৫ টা post sanction কৰিলে। ইয়াৰ পাচত আকৌ ২০১৭ চনত আকৌ শিক্ষা মন্ত্ৰীয়ে এখন Expert Committee কৰিলে। আৰু তেতিয়া ড০ চৌধুৰী আছিল। তেজপুৰ জিলাৰ মিহিৰ চৌধুৰী আছিল Vice Chancellor তেওঁ কেইজন মানলৈ কমিটি কৰিলে সেই কমিটি খনকো আকৌ সোধা হ'ল, যে University খন continue কৰিব লাগেনে নালাগে? নে এই খন কাৰোবাৰ লগত merge কৰিব লাগে নে নালাগেনে? সেই কমিটিয়ে আকৌ recommend কৰিলে, ২০১৭ চনত। ২০১৬ চনত মুখ্যমন্ত্ৰীক লোৱাৰ পাচত। শিক্ষা মন্ত্ৰীয়ে এই প্ৰস্তাৱটো raise কাৰণটো মই বুজি নাপালোঁ। ২০১৬ চনত মুখ্যমন্ত্ৰীয়ে decision ল'লে, যে University খন full-fledged কৰিব লাগে। ইয়াত শিক্ষক দিব লাগে। ১০৫ post তেখেতে sanction কৰিছে। গোটেই Building কেনেকৈ কৰিব লাগে? আমাৰ দিনত Building হোৱা নাছিল। সকলো বিলাক কৰিলে, কৰাৰ পাচত, আমাৰ doubt হৈছে যে শিক্ষামন্ত্ৰীয়ে এইখন হোৱাটো বিচৰা নাই। কাৰণ মুখ্য মন্ত্ৰীয়ে গ্ৰহণ কৰাৰ পাচত, এজন Chancellor এ গ্ৰহণ কৰাৰ পাচত Idon't find another reason for constitute another Committee whether it should continue or not. মুখ্যমন্ত্ৰীক মই ধন্যবাদহে দিম। যে এই University খন full fledged কৰিবলৈ বিচাৰিছে। নতুন নতুন Subject ৰ কথাও কৈছে, এইটো নহয় যে আমি দিয়া Subject কেইটাতে সন্তুষ্ট আছে। ভাল কথা। These are very relevent. Skill Development ৰ যিটো কথা কৈছে, আৰু এটা 'বেটি বচাওঁ , বেটি পঢ়াওঁ' যিটো আছে, Subject ৰ বেলেগ বেলেগ থকাৰ কথা কৈছে।

তাৰ পাচত Govt.of India ৰ এখন আছে Advisory Committee for Education তাতো অসমৰ represent আছে। সেইখনেও decide কৰিছে যে প্ৰত্যেক ৰাজ্যতে এখন এখন University হোৱাৰ সিদ্ধান্ত কৰিবলৈ লৈছে। আৰু সেইখনত অসম চৰকাৰো আছে. তেনেহলে এটা impression দিবলৈ মুখ্যমন্ত্ৰীয়ে আকৌ আমাৰ mentor ক raise কৰি আহিছে। তেখেতে কৈছে ইমান difficulty ৰ পাছত, তেওঁ ভাল কৰিছে বুলি মইয়ো কম। মই নকওঁ যে তেওঁ কাম কৰা নাই। ঠিক মই mentor কৰাৰ কাৰণে মোক দোষাৰোপ কৰিছে। কিন্তু ২০১৬-১৭ টো তেনেকৈ ৰাখিছে। মোৰ প্ৰশ্ন হৈছে এইটো প্ৰথমে কৈছে যে তেখেতে এই University ত বিধি পথালি দিছে। ঠিক আছে, কিন্তু বিধি পথালি যে দিয়া নাই University Grants Committee ৰ recognision আজিও আছে। এইটোৱেই ক'ব বিচাৰিছোঁ যে , আমি ইয়াত ৰাজনীতি কৰিবলৈ বিচৰা নাই। University খন হ'ব লাগে, আৰু আজিও আমি sure নহয় BJP আৰু AGP ৰ ইয়াত সমৰ্থন আছে নে নাই, মনে মনে আছে।

**মাননীয় অধ্যক্ষ ঃ-** সেই বিলাকলৈ নাহিব।

**শ্ৰী তৰুণ গগৈ ঃ-** এইটো মই বুজিছো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে। কিন্তু শিক্ষা মন্ত্ৰী ৰ ভাৱ বিলাক আজি confusion টো ক'ৰ পৰা হৈছে। Because of Education Minister য়ে down- grade কৰিবৰ কাৰণে এইটো হয়। নহয়, সেইটো বেলেগ কথা, মই আৰু বেছি নকওঁ। এইটোৱেই আমি বিচাৰিছোঁ,যে ফেক্সৰ ক থা কৈছে, Document ৰ কথা কৈছে যদি কিবা Document আছে, নিশ্চয় তেখেত সকলৰ হাতত আছে, আমাক দিব। ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো অকনমান দীঘলীয়া হ'ব। আপুনি অনুমতি দিব লাগিব। প্ৰথম কথা অধ্যক্ষ মহোদয়, আপুনি জানে, যে এই গোটেই বিধান সভাখন হ'ল সৰ্বোচ্চ, আৰু এই বিধান সভাই যেতিয়া এখন আইন পাচ কৰে, তেতিয়া সেই আইন খনক interpret কৰাৰ অধিকাৰ, বা সেই আইনখনক Violate কৰাৰ অধিকাৰ আমাৰ কাৰো নাই। মই ভাবো যে সন্মানীয় সদস্য তৰুণ গগৈ ডাঙৰীয়াই এই বেচিক কথাটোত আমাৰ লগত agree কৰিব। মাননীয় অধ্যক্ষ মহোদয়, House য়ে এই বিলখন ৰাজ্যপালৰ পৰা অসম Women University ৰ Bill খন ১২ আগষ্ট, ২০১৩ তাৰিখে এচেণ্ট লাভ কৰে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ পৰা অসম মহিলা বিশ্ববিদ্যালয়ৰ বিলখনে ১২ আগষ্ট ২০১৩ তাৰিখে assent লাভ কৰে আৰু এইটো কথা অনস্বীকাৰ্য্য এই সদনত সেই বিলখন মই pilot কৰিছিলোঁ তেতিয়া বিলখনত Mentor নামৰ কোনো বস্তু নাছিল। মই ভাবোঁ যে তৰুণ গগৈ ডাঙৰীয়া সন্মানীয় সদস্য তেখেতে এইটো মানি ল'ব। University officialৰ যিখন লিষ্ট আছিল Vice-Chancellor, Register, Academic Register এই ধৰণে- ইয়াত Mentor বুলি কোনো শব্দ নাছিল। যেতিয়া এই বিলখন পাছ হৈ গ'ল তাৰ পিছত মুখ্যমন্ত্ৰী কাৰ্য্যালয়ৰ পৰা এটা নিৰ্দেশ আহিল। মই নোটটো পঢ়ি দিছোঁ অধ্যক্ষ মহোদয় Commissioner of Education হেমাংগ শৰ্মাই আগতে লিখিছে He has been summon by the Hon'ble Chief Minister and his had been directed that - Mentor নিযুক্তি দিব লাগে Assam Agriculture Universityক Mentor University কৰিব লাগে। আমাৰ Actত কিন্তু এনেকুৱা কথা নাই। মুখ্যমন্ত্ৰীৰ আসনৰ পৰা violation of Act তেনেকুৱা Instruction usually নাহে। What unusual situation that prompted I don't know. কিন্তু

অধ্যক্ষ মহোদয় That file was put up to me on 4th Octber. কিন্তু তাৰ আগতে তেওঁলোকে নোটিফিকেচন বনাই ৰেডি কৰি লৈ মোক লিখিছে "May like to approve." Hon’ble C.M had directed to start the functioning of the Women University by notifing The Assam Agriculture University as the Mentor Institute and the Vice-Chancellor of Assam Agriculture University as the mentor of the University. Hon’ble C.M. approval may kindly be sought - তাৰ মানে ফাইনটো এবাৰলৈ ল’ব - then I send the file to Chief Minister on 6th Octber. C.M has approved - that originally it was his desire, clearly Commissioner Education এইটো নোট Hon’ble Chief Minister has desired that mentor should be appointed V.C Agriculture University and mentor University Institute should be Assam Agriculture University. So I think it will take rest. All done যে mentor decision in violation of the Act was taken by the Hon’ble Chief Minister of Assam. অধ্যক্ষ মহোদয় As a when some Act is violated, it draws for privileges, is draws for contempt of the House. যে এক্টত কোনো Mentorৰ provision নাই। Mentor Instituteৰ কোনো provision নাই। Chief Minister summon Commissioner Education direct him মই তথাপিটো তেখেতৰ মুখৰ কথা বিশ্বাস নকৰি I send the file to the then Hon’ble Chief Minister যে এইখিনি কথা সঁচানে মিচা then he put his approval অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈকে ফাইলটো পঠাই দিম He may be refresh his memory. It is admitted. এতিয়া অধ্যক্ষ মহোদয়, এই আইনখনত কৰ’বাত mentor ৰ provision আছে নেকি? আমাৰটো মুখ্যমন্ত্ৰী ডাঙৰীয়া নতুন আছিল He has gone to Jorhat. যিজনক আপুনি ভাল কাম কৰা বুলি কৈছে তেওঁ মিটিংত আনি বহুৱাই লৈছে He was not given a background note, he was not brief, he was in a visit to Assam Agriculture University তেওঁক মিটিংত আনি বহুৱাই লৈছে His office was not shared with any background note যে এনেকৈ mentor ৰ provision নাই, মই mentor হৈ বহি আছো। অধ্যক্ষ মহোদয়, This was the Act এইখন পবিত্ৰ সদনত পাচ কৰা আইন assented by the Governor. এতিয়া আইন ভাইঅ’লেট কৰাৰ অধিকাৰ কোনে কাক দিছিল, সেইকথাখিনি চাব লাগিব অধ্যক্ষ মহোদয়। আমাৰ ইয়াত ৰাজ্যত monarchy চলিথকা নাছিল। people should not think himself as a monarch. So immediately order দিয়া হ’ল এনেকৈ কৰা। তাৰ পিছত অধ্যক্ষ মহোদয় ডাঙৰ কথা এই Universityৰ কোৰ্ট কি হ’ব? that was also come from Chief Minister Office, no educationist. It is another dangerous thing on this event, education minister has also not taken into consideration. ইয়াত লিখা আছে Hon’ble CM decides that certificate diploma courses on subject like food processing, jewellery etc. should be start. অধ্যক্ষ মহোদয়, Their should be academic council, their should be court এখন Universityত কি course

হ'ব, কেনেকৈ course আগবাঢ়িব - ডিপ্লমা দিব, ডিগ্ৰী দিব। A Chief Minister Office decides or court act that executive council decides. Act ত provision আছে যে court ত হ'ব, ডিগ্ৰী দিব নে কি দিব That decision will be taken by the Executive Council, not by the Chief Ministers' Office. Chief Ministers' Office has taken decision. Then subsequently what dangerous things happened - by passing the Education Minister ইয়াত বহুত কথা আছে অধ্যক্ষ মহোদয় মই আগতেও কৈছোঁ University এখনৰ ভৱিষ্যতক লৈ যোৰহাট চাৰ্কিট হাউচত মিটিং হয়, Education Minister was not called. This is the minutes. In the presence of then Chief Minister....

(বিৰোধী পক্ষৰ ভালেকেইজন মাননীয় সদস্যই একে লগে কথা কয়)

**মাননীয় অধ্যক্ষ** ঃ অনুগ্ৰহ কৰি আপোনালোকে মন্ত্ৰী ডাঙৰীয়াৰ কথাখিনি শুনক। মাননীয় মন্ত্ৰী আপুনি মোক address কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয় এখন University ৰ Adhoc professor হ'ব - ভি.চি থাকিবনে নাথাকিব to take all the very important decisions - a meeting was called on 6-1-2014 at Jorhat Circuit House. Education Minister was passed. He was not called. এতিয়াControllersy ক'ৰ পৰা হ'ল অধ্যক্ষ মহোদয়, Not because of above anything - মই সিদিনাখনো কৈছে যে, মই পিছত কম। আচলতে মহিলা বিশ্ববিদ্যালয়ক লৈ যিধৰণে প্ৰচাৰ কৰা হৈছে চৰকাৰৰ এনেকুৱা কথাই নাই। গোলমালটো ক'ৰ পৰা হৈছে মাননীয় সদস্য সকলে বুজাতো উচিত। অধ্যক্ষ মহোদয় What happened? Hon'ble Chief Minister presided over that meeting. তাতে অৰ্থাৎ 6-1-2014 ত প্ৰথম সিদ্ধান্ত হ'ল - that 150 Cr. will be given to Women University. That money never came. During the government of the erstwhile it was decided on the proposal of the Mentor, the Women University need to be established as a forerunner of the University in this 21st century. It need a handsome support initially to the . তাত প্ৰথম Decision হ'ল Decision 6.1.2014 that 150 crores will be given to Women's University. That money never came. During the Government it was decided on the proposal of Mentor. The Women's University needs to be established as a firm runner of the University in this 21st Century. It needs a handsome support. Initially to the extend of around 150 crores the Hon'ble Chief Minister had kindly agreed to provide a provision of these amount from 1 thousand crores support. He had extended in his budget for the State Universities. Neither the1 thousand crores gone to the University All University ৰ কি 1 thousand crores আছিল

nobody knows. never during the tenure of that then Hon’ble Chief Minister any 1000crores gone to the University neither these 150 crores So negligence of University started from the that historical that 6.1.2014 প্ৰথম প্ৰৱঞ্চনাৰ প্ৰথম দলিল খন আৰম্ভ হল ৬-১২০১৪ . Education Minister, Chief Minister take a meeting, মিটিংত মাতিলে বুজৰ বৰুৱা, কৃষ্ণ গোঁহাই, Superintendent Engineer, Deputiy Gerenal Manger, অঞ্জনা চলিহা Not even Principal Secretary Education was called. No body was serious from the first date. If it had ben a serious exercise ,Chief Secretary would have been called, Principal Secretary Education would have been called. I am saying it from record, I can share it these records with opposition. Principal Secretary of Finance was not called. Who was called? Superintendent Engineer of PWD was called, ADC Jorhat was called not even DC was called এতিয়া যদি কয় Chief Minister ৰ meeting ত DC.অহা নাই তাৰ মানে Seriousness was not there from very beginning এইখন meeting.কৰিলে Register Assam Agriculture University , Superintendent Engineer of PWD,ADC Jorhat, Deputy General Manager APDCL were present in the meeting. What is the job electricity Board was there?

**শ্ৰী কমলাক্ষ দে পুৰকাস্থ, বিধায়ক ঃ** To Provide electricity.

**ড° হিমন্ত বিশ্ব শৰ্মা,শিক্ষা মন্ত্ৰী ঃ** Electricity was there in women University. Then a ADC was called but DC was not called. And what vital decisions taken in that meting that University Professor will be appointed on Adhoc basis. How this University decision was taken very lightly from very first day. Firstly it was said that we will provide 150 crores. Second was that Mentor had also sought the kind approval of Chief Minister for the creation of core faculty for the proposed University and Pending in such creation has also requested the Hon'ble Chief Minister for allowing engagement of Adhoc faculty Hon'ble Chief Minister advice to submit a DPR for faculty and other steps and agreed for engagement of Adhoc faculty. Hon’ble Speaker Sir, in presence of Superintendent Engineer , in presence of ADC Jorhat, in presence of Inspector of

Schools and in blatantly violation of the Act a decision was taken to appoint Adhoc Teachers, no qualification was prescribe even ইয়াত এটা শব্দও নিলিখিলে যে তেওঁৰ ডক্টৰেট থাকিব লাগিব Adhoc teachers should be appoint as per UGC Norms even that was not written.সেয়েহে প্ৰৱঞ্চনাৰ প্ৰথম ইতিহাসটো কোন তাৰিখৰ পৰা আৰম্ভ হ'ল ৬-১-২০১৪ .hiring of Architect, discussion on alternative sides and so many things were discussed but no discussion has been ever been factified during that period. তাৰ পিছত অধ্যক্ষ মহোদয়, Vice Chancellor appointment ৰ কাৰণে বাৰে বাৰে file গ'ল Vice Chancellor should be appoint and processor ৰ কাৰণে file গ'ল but some way or other way that Vice Chancellor appointment was deferred. So Hon'ble Speaker Sir, three things are cleared that there was no provision of Mentor. Chief Minister's office has interfered with the functioning of the University and a Mentor was appointed. Adhoc teacher decision was not taken by the Education Minister or Education Department. It was taken by the then Hon'ble Chief Minister himself. এতিয়া অধ্যক্ষ মহোদয় সমস্যাটো ক'ত ? শিক্ষা মন্ত্ৰীয়ে ইয়াত কৈছে যে UGC লোৱা হৈছে we have to find out whether in the UGC from the mentor things are mention or not? whether he has signed as a VC or Mentor.কাৰণ Act ত যদি এজন মানুহৰ নামেই নাথাকে Act ত যদি এজন মানুহৰ official Mentor শব্দটোয়ে নাথাকে Govt may appoint a mentor. সেই শব্দটো যদি নাই Can anybody do that. আজি আপোনাৰ কোনো এখন Actত যদি লিখা নাথাকে যে দুজন member দিব পাৰি can anybody appoint one member in place of another member. সেয়েহে অধ্যক্ষ মহোদয়, আমি কি কৰিব খুজিচো তাৰ পিছত ইয়াতে VC Post creation ৰ কাৰণে সেই সময়ৰ Hon'ble Chief Minister ৰ under ত Finance Department আছিল He was incharge of Finance Department. Inspite of everything Education Department send a proposal to Finance Department that we need a Vice Chancellor Post, Register post. All 32 post was sought কিন্তু তেতিয়া Finance Department was under the then Hon'ble Chief Minister, he is also Finance that we need a Vice Chancellor's Post, Register post. All 32 post was sought.কিন্তু তেতিয়া to Finance Department was under the then Hon'ble Chief Minister, he is also Finance Minister. On 29.01.2016 he rejected

the proposal of Creation of post and told to come next year প্ৰৱঞ্চনাৰ ইতিহাসখন কোনে ৰচনা কৰিলে? File has gone to Finance Department for creation of post. That as turndown not during the Sarbananda Sonowal Ministry এই গোটেই File বোৰৰ 150 core File গল নে Post Creation ৰ ফাইল গল নে Post approve হল? Mentorৰ কাৰণেওচৰত আপুনি হয়তো file দিছিলে probably I have the file, I have read the note ,it was interfere with the Mentor post.

**Shri Tarun Gogoi(Titabor):-** But you have not raised objection.

**Dr. Himanta Bishwa Sharma, Minister of Education :-**Speaker Sir,I have not raised objection কাৰ সাহস আছে তেওঁৰ ওপৰত কথা ক'বলৈ।

**Hon'ble Speaker**:- Chief Minister desire কৰাৰ পিছত definitelyআপোনাৰ Chief Minister desire বুলি লিখিছে যদি ভুল হোৱা নাই।

**Dr. Himanta Bishwa Sharma, Minister of Education :-**I have send the file for reconfirm whether desire was genuine কাৰণ যদি Education Commissioner য়ে নিজে লিখি দিছে then Hon'ble Chief Minister put a signature that means his note was correct. অধ্যক্ষ মহোদয়, mentor নহলWoman University নহল Post creation file was rejected আমি এতিয়া কি কৰিব খুজিছো.I have only two issue.আমাৰ যিখন শিক্ষা বিভাগ তাত আমাৰ তিনিটা আলোচনা হৈ আছে যে Can we convert these University to a Affiliated University instead of a single Universityকাৰণ আমি বিচৰা নাই যদি অসমত এখন Woman University হয়,Even Handique College was not Affiliated to that University. What is the meaning of that University. First point we are discussing whether that can be a Affiliated University. Second is whether that University যিখিনি আগতে ডিগ্ৰী দিলে With out legality through a mentor how to regularise that .Third Question টো হৈছে যেতিয়া আমি Post খিনি দিম সেই adhoc teacherসকলৰ চাকৰি যাব.because in the case of Umma Devi vs hon'ble High Court of Karnataka, Hon'ble High Court has clearly laid down that adhoc appointee can not be regularised. So all these professor has to be gone নহলেও at least they have to

compete with the fresh candidates. So if their job will go who will take the blameমানুহবোৰে কন্দা কতা কৰি যি এক অবর্ণনীয় পৰিৱেশৰ সৃষ্টি হব কোনে সেই পাপটো লব so that third angle I am considering how to help them ভাল কথা চিন্তা কৰাৰ কাৰণে কেতিয়াবা বেয়া হয়। 1.Can be it made a Affiliated University?

2.How to regularise the degree? Can I come to an Amendment Act for that provision এটা **retrospectively** ৰাখি what ever mentor has done in last four years can it regularise ? That is number 2.

3. How to regularise the Contractual Teacher ?
4th idea এটা আমাৰ আছিল Can we make it Indira Miri Woman Study University or Mamoni Roycham Goswami Centre of Woman Studies with another five colleges near by তাৰ Affiliation কৰি।

So all these things অধ্যক্ষ মহোদয়, আপুনি জীৱন্ত সাক্ষী From last six seven months we have discussed that issue with thread bare and finally we have taken a final decision how to strengthen the Woman University. But to strengthen the Woman University, the Act for time being same Assembly ত আহিব one morning you have to repeal the Act and that day evening you have to enact a new Act. That is the process we are doing. We are not here to do any harm এইটো কোনে আন্দোলন কৰি আছে আমিটো কৰা নাই। আজি যত বাঘ নাই, বাঘ আছে বুলি কোনে চিঞৰি আছে।

**শ্ৰী তৰুণ গগৈ(তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, You (শিক্ষামন্ত্ৰীৰ ফালে চাই কয়)।

**ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, I respect seniority but if somebody wants to say you. What is this? A senoir Parliamentarian who claimes most effective Parliamentarian of the state is saying you,this is not fare. অধ্যক্ষ মহোদয়, মই কেৱল কম যে - I have come from a small family, but I deserve respect. 'you' 'few' এইবিলাক নচলে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বেলেগ পইন্টলৈ আহক।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে আপুনি ইয়াত agree, but no 'you' 'tue'। (সদনত বাক-বিতন্দা চলি থাকে)

মাননীয় অধ্যক্ষ ঃ এতিয়া আচল issue লৈ আহক।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি হাউচৰ পৰা সদায় এটা বাৰ্তা পঠাব চেষ্টা কৰি আছো যে 'Women University' খন ইমান ডাঙৰ এটা issue নহয় যে that we can not resolve. That day I have left it to you । অধ্যক্ষ মহোদয়, আপুনি যি সিদ্ধান্ত দিব We are agreed. আমি কোনোবাক ভাল কৰিব

খুজিছিলোঁ, কোনোবাই যদি ভাল হ'ব নোখোজে, আমি কোনোবাৰ চাকৰি কেইটা বচাব খুজিছিলোঁ, কোনোবাৰ ডিগ্ৰীকেইটা regularice কৰিব খুজিছিলোঁ if nobodoy interested, মোৰ কি আছে অধ্যক্ষ মহোদয়। মই আজিয়েই প্ৰতিশ্ৰুতি দি দিছোঁ যে যেনেকৈ আছে তেনেকৈ চলি থাকিব। কিন্তু অধ্যক্ষ মহোদয়, এই যিবিলাক ঘটনা হ'ল- তাত Mentor নাছিল, Mentor নিয়োগ কৰিলে, ১৫০ কোটি দিম বুলি কৈ নিদিলে, without consent of the Education Department এ তাত জৱৰদস্তি গৈ Adhoc Recruitment কৰি দিলে So, these things has to be rectified. কোনোবাই সমুদ্ৰ মন্থনৰ বিষটো খাব লাগিব। মই অধ্যক্ষ মহোদয়, বিষখিনিহে খাবলৈ যত্ন কৰি আছোঁ, অমৃতটো কোনোবাই খালে। গতিকে অধ্যক্ষ মহোদয়, ইয়াত আমাৰ একো নাই। আজি ইমান দেৰিলৈকে সন্মানীয় সদস্য সকলে মোক Accuse কৰিছিল Mentor মই দিয়া বুলি। গতিকে অধ্যক্ষ মহোদয়, মোৰ ফাইনেল চাবমিছনটো হ'ল যে- 'Women University' ৰ বিষয়ে আপুনি শিক্ষা বিভাগৰ অফিচাৰ সকলক মাতি যি খিনি অসুবিধা আমাৰ আছে আপুনি তেওঁলোকৰ পৰা বুজি লওঁক। আপুনি 'Women University' ৰ প্ৰফেছৰখিনিকো আনি বুজাই দিয়ক যে - You have to compete in a fresh environment । ছাত্ৰী সকলক বুজাই দিয়ক যে তোমালোকৰ ডিগ্ৰীখিনি আমি Assembly ত এখন 'Rectification Act' আনি Amend কৰিম and whatever decision, সেইদিনাখন এই সদনত বহি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ অনুমতি লৈ মই গোটেইখিনি আপোনাৰ ওচৰত গোটাই দিছিলোঁ। ইয়াৰ পিছত কিয় কথাটো আহি আছে মই বুজি পোৱা নাই। আপুনি যোৰহাট সমষ্টিৰ বিধায়ক। অসম বিধান সভাৰ, অসমৰ ৰাইজৰ সৰ্বোচ্চ পদত আপুনি বহি আছে। আপোনাৰ ওপৰত আমি গতাই দিছোঁ। তাতকৈ আৰু আমি কি কৰিব লাগে মাননীয় অধ্যক্ষ মহোদয় !

**শ্ৰী তৰুণ গগৈ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোক কৈছে Appointment নিদিয়াৰ কাৰণে, Approve দিয়াৰ কাৰণে কৈছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ২০১৬ চনত দিলে সেই পোষ্টবোৰ Approve দিলে নেকি ? নাই দিয়া, মইও নাই দিয়া।

মোৰ ক্ষেত্ৰত যেনেকৈ দোষ আছে, তেখেত সকলৰো দোষ আছে।

মাননীয় অধ্যক্ষ ঃ এইবিলাক কথা কিয় কৈছে ?

**শ্ৰী তৰুণ গগৈ,বিধায়ক ঃ** মোৰ কথা হ'ল, মেন্টৰৰ নিযুক্তিটো আপোনালোকে continue কৰিবলৈ কিয় দিলে ? মোৰ প্ৰশ্ন আহিছে, হয়, আমাৰ দিনত ভুল হৈছিল। (সদনত হুলস্থুল) মইটো ভুল বুলি নকওঁ, ইয়াতো Peculiarity maintain কৰিছে। অফিচাৰে Attention draw কৰে যে as per Rule আপুনি কৰিব নোৱাৰে, তাৰ পিছটো Chief Minister এ Over Write কৰিব পাৰে। It is normal Practice. তাৰ detailed Rule বিলাক অফিচাৰ সকলেহে জানে। তাৰ পিছত মন্ত্ৰীয়ে কব, Chief Minister can Over-Ruled সেই কাৰণে Chief Minister Responsibile হয়। সেইকাৰণে Mentor ৰ Responsibility মই লৈছোঁ।

**মাননীয় অধ্যক্ষ ঃ** সেইটোৱে নিশ্চয় হৈ গৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই এতিয়া এইটো চলাই আছে। এতিয়া অন্ততঃ আজি হাউচৰ Record টো Clear হৈ গ'ল যে - Some body has teken the responsibility regarding Mentor ap-

pointment, ইয়াত আৰু একো ক'বলগীয়া নাই। I would like to thank the Hon'ble Member for his graciousness for taking responsibility.

দ্বিতীয়তে অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰীয়ে কেতিয়া Interfare কৰিব পাৰে If Education Minister was called in the meeting, if he is aware of the meetig, if he looked, but when he was by-passed and meeting was conducted in Jorhat. None of the Education Department people was called, তেতিয়া মই কেনেকৈ গম পাম! I was not aware also ত কেতিয়া কি মিটিং হয় । Even the minutes of the meeting was not sent to the Department.

**মাননীয় অধ্যক্ষ ঃ** That is also clarified.

**ড° হিমন্ত বিশ্ব শৰ্মা ঃ** That is also clarified. এতিয়া অধ্যক্ষ মহোদয়, মই যেতিয়া প্ৰথম দায়িত্ব ললোঁ, তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া কৃষি বিশ্ববিদ্যালয়ত গৈছিল,তাৰ মেন্টৰ গৰাকীয়ে তেখেতক মিটিঙত মাতি দিলে। কোনেওটো নাজানে এইবোৰ চলি আছে। He is new to this Assembly কম সময়ৰ বাবে এছেম্বলিত আছিল, তাৰ পিছত নাছিল । When got a message from his Office that আজি এনেকৈ মিটিং হ'ল You have to do these things. তেতিয়া ফাইল বিলাক চাই অদ্ভুত লাগি গ'ল What is going on. Then we discussed with the Hon'ble Chief Minister. We appoint a Committee. মাননীয় সদস্য গৰাকীয়ে সুধিছে, আমি কি কৰিছোঁহু দুটা সমস্যাৰ আমি মাত্ৰ সমাধান কৰিব পৰা নাই, যদি মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজিও কৈ দিয়ে যে সেই শিক্ষক খিনিৰ যি হয় হওক, We have no issue. তেতিয়া আজিয়েই সমস্যাটো সমাধান হৈ যায়। আজি যদি হাউছত এইটো Consensus যায়, যে as an Education Minister and as a Chief Minister, We don't have to care for those contractual Staff. Then decision টো মই আজিয়েই কৈ দিব পাৰো 'Women University'will go on

**মাননীয় অধ্যক্ষ ঃ** সেইটো নাহে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** গতিকে আপুনি যদি ক'ব পাৰে, That is the issue অধ্যক্ষ মহোদয়, যি সকলে এই কামটো কৰি থৈ আহিল, এতিয়াটো Rectify কৰিব লাগিব। Machine এটা বনোৱাৰ পিচত ভাঙি গ'লে তাকটো মেৰামতি কৰিবই লাগিব। গতিকে মেৰামতি কৰাৰ Process টো আমি চলাই আছোঁ, বাকী আমি একো কৰা নাই, এই গোটেই File টো সাক্ষী আছে। Expert Committee ৰ Report ৰ ওপৰত মই অধ্যক্ষৰ লগতো আলোচনা কৰিছো যে কেনেকৈ মেৰামতি কৰিব পাৰি। অধ্যক্ষ মহোদয়, ভৱিষ্যতে আপুনি এইখিনি কথা মনত ৰাখিব যে - ইমান বেয়া এটা প্ৰবঞ্চনাৰ ইতিহাস যে - ১৫০ কোটি দিম, ১৫০ কোটি নিদিলে, Adhoc Stuff কৰা, Mentor কৰা, এই বিলাক যাতে ভৱিষ্যতে আৰু কোনো মুখ্যমন্ত্ৰীয়ে, যিমানেই Powerful হওঁক, কেতিয়াওঁ কৰিব নোৱাৰে।

**শ্ৰী তৰুণ গগৈ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, তাৰ মানে তেখেতে ক'ব খুজিছে যে মই প্ৰৱঞ্চকহু

**माननीय अध्यक्ष ঃ** নাই, নাই, আপুনি কিয় মিছাকৈ লৈছে ?

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মই এটা Reply দিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** তৰুণ গগৈ ডাঙৰীয়াৰ যোগেদি দিয়ক ।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** আপোনাৰ জড়িয়তে তেওঁক দিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** মই দিব বিচাৰিছো যে তেওঁৰ অফিচে দিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** I know মোৰ অফিচে দিছে। এতিয়া মোৰ অফিচেদি issue কৰিব লাগে, after approval ত কি আহিছে ? (সদনত হুলস্থুলৰ সৃষ্টি হয়।) মুখ্যমন্ত্ৰীৰ approval ৰ পিচত মই কিয় মানা কৰিছোঁ। Rules of Executing Business পঢ়িব লাগে। After approval of Chief Minister nothing can happen. (সদনত পুনৰ হুলস্থুলৰ সৃষ্টি হয়।)

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, Mentor সম্পৰ্কত যি খন চিঠি লিখিছে, Dated 21st October, 2013, No. LTE. . . . . . . . by Governor of Assam Higher Education Technical Department is pleased to appoint Vice Chancellor of Assam Agriculture University of Jorhat as the Mentor of the newly established Women University, Jorhat temporarily untill a regular Vice-Chancellor is appointed.

এইখন দিছে H. K. Sarma, Commissioner.

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে, আপুনি এইখনত জোৰ দিবলৈ একো নাই। আপুনি কাগজখন দিয়ক। (সদনত হুলস্থুলৰ সৃষ্টি হয়।)

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ফাইলত যিমান Chief Minister ৰ Approval Report লিখা আছে Hon'ble Chief Minister desired, then C.M. has approved তাৰ পিছত ইয়াত কি বিতৰ্ক আছে? (সদনত হুলস্থুলৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ ঃ** Please, আপোনালোকে বিষয়টো ৰাজনীতি লৈ নিনিব। আজি কথাখিনি দুয়োজনেই কৈছে Clear হৈছে আৰু ইয়াৰ ওপৰত আলোচনা নহয়।

**শ্ৰীআব্দুল খালেকঃ** এই পৰম্পৰাটো কোনে আৰম্ভ কৰিলে অধ্যক্ষ মহোদয়। এই যে Health university হ'ল তাত কোনে মুখ্যমন্ত্ৰীক Chancellor পাতিলে। সেই সময়ত শ্বেৰমান আলি ডাঙৰীয়াই অনা সংশোধনী যদি মানি ল'লেহেতেঁন আজি বিতৰ্ক নহ'লহেতেন। Health university ত এই পৰম্পৰা কোনে আৰম্ভ কৰিছিল প্ৰথমে?

**ড°হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, বিত্ত, শিক্ষা , স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয় , দুটা কথা ক'ব নালাগে। অধ্যক্ষ মহোদয় , যিকোনো, In Cabinet Bill has been passed-under the chairmanship of Chief Minister . ---- ফাইলত Chief Minister approval হয়। ইয়াত শিক্ষা মন্ত্ৰী ওলোটাই কথা ক'ব পাৰেনেকি? এইবিলাক কথাত যদি আজি বিতৰ্ক দিয়ে- Health university, Science university, Chancellor, Chief Minister, approved by the Chief Minister, I will give the copy to-

morrow.

**মাননীয় অধ্যক্ষ ঃ** Please sit down -। ( বাদ বিবাদ) I have requested both the members to please sit down for a second . চাওক গোটেই কথাখিনি হৈছে যে, -- তৰুন গগৈ ডাঙৰীয়া সেইদিনা নাছিল । তেখেতে বাহিৰত ক'লে , ভিতৰত ক'বলৈ সুযোগ পোৱা নাই। মই কৈছিলো যে ৫-৬ তাৰিখে সুবিধা আছে তথাপি government side যেতিয়া desire কৰিছে। I have reconsider my ruling exceptionally নহ'লে মই এনেকুৱা কাম নকৰো। কিন্তু মই ভাবিলো সদনখন চলক। আজি খুব এটা important issue আজিৰ হাউছত আপুনি দেখিছে সকলো ডিপাৰ্টমেন্টৰ অফিচাৰসকল আহিছে। এচ ডি জিৰ ওপৰত আজি আলোচনা কৰিবলৈ কিন্তু কথাটো হৈছে যে আমাৰ মাননীয় সকলো পক্ষৰ সদস্যই এই কথাবিলাক আলোচনা কৰিবলৈ বিচাৰে । এই কথাবিলাক আলোচনা কৰিবলৈ বিচাৰে নে অন্য ষ্টেটবিলাকৰ নিচিনা চিএওৰ -বাখৰতে এচেমব্লি শেষ হওঁক তেনেকুৱা হোৱাটো বিচাৰে। আপোনালোকৰ ওপৰত মোৰ বিশ্বাস আছে যে We have improve a lot we want to discuss something complete -মই দেখিছো -- মেম্বাৰছ আৱাৰত কথা ক'বলৈ ৭০ জন বিধায়কে চিঠি দিছে গতিকে We have to discuss something concrete. আজি যিটো আলোচনা আছিল এই কথাটো দুদিন পিচতো হ'লেও একো মহাভাৰত অশুদ্ধ নহ'লহেঁতেন। তথাপি Government ৰ desire --- মই এই কাৰণে কথাটো কৰিলো। এতিয়া তেখেতৰ পক্ষই ক'লে এখেতৰ পক্ষই ক'লে- সেইটো পিছত Public পিচত decide --- কৰিব কি কৰিলে। আৰু এইটো ইছুত -- Thank you to the Education Minister, - Thank you to the Chief Minister, Thank you to the Leader of the opposition and all the members you have trust the faith on me. something good should come. সেই দিনা মই কৈছো আছলতে এই গোটেই বিষয়টো ক'ৰবালৈ টানি আছে। আনকি মোকো পেপাৰত Criticise কৰিছে।মই আচৰিত। মই সেইদিনাই কৈছিলো যে, আমাৰ ইয়াত জয় কাৰ হ'ব? মহিলাসকলৰ জয় হ'ব। ইয়াত BJP, Congress, AGP , Speaker ৰ জয় নহয়। এই জয়টোৰ কথা ৰাখি আগতে কাম কৰিলোহেতেন আজি আমি খুব অমূল্য সময়খিনিত আলোচনা কৰিব পাৰিলোহেঁতেন। এতিয়া এইখিনিতে মই শেষ কৰিছো। এতিয়া SDGৰ ওপৰত সন্মানীয় সদস্য ডঃৰনোজ পেগুৱে বক্তব্য ৰাখিব।

শ্ৰীকমল সিং নাজাৰীঃ অধ্যক্ষ মহোদয়, কেৱল মই এটা কথা ক'ব বিচাৰিছো যে, Assam Women University Bill--খনত কিবা যদি আসোৰাঁস আছে সংশোধনী এখন বিলৰ প্ৰস্তাৱ আনি পেলাই এইটো সংশোধন কৰি ল'ব লাগে আৰু তাৰ পিচত যিখিনি Lacuna আছে সেই খিনি দূৰ কৰি Assam Women University খন যাতে সুন্দৰভাবে বৰ্ত্তি থাকে আপোনাৰ নেতৃত্বত তাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ..। মই এটাই কথা কৈছো লাষ্টত, আজি House ৰ পৰা Message টো যাব লাগে যে on behalf of this house, I assured everybody in the state that The Women University will be protected.

এতিয়া ডঃ ৰনোজ পেগু ডাঙৰীয়াই বক্তব্য ৰাখক।

**ডঃ ৰনোজ পেগুঃ** মাননীয় অধ্যক্ষ মহোদয়। মই আপোনাক বিশেষভাবে ধন্যবাদ জনাইছো।

বৰ্ত্তমান চৰ্চিত হৈ থকা এটি প্ৰযোজনীয় বিষয় Sustainable development Goal Agenda 20-30 ইয়াৰ ওপৰত বিধান সভাৰ মজিয়াত দুই দিন ধৰি এটা বিশেষ আলোচনাৰ বাবে আয়োজন কৰি আহিছে আৰু সেই আলোচনাটোৰ আজি প্ৰথম দিনটোত প্ৰথম বক্তব্য ৰাখিবলৈ মোক সুযোগ- সুবিধা দিয়াৰ কাৰনে মই আপোনালোকক ধন্যবাদ জনাইছো। Sustainable development Goal Agenda 20-30 এইটো নতুন কথা নহয়। আমাৰ সামাজিক জীৱনত , ৰাজনৈতিক জীৱনত দেশখন কেনেকুৱা হ'ব লাগে , সমাজখন কেনেকুৱা হ'ব লাগে, যিবিলাক কথা কৈ থাকো সেই কথাবিলাকেই প্ৰতিফলিত হৈছে এটা সংগঠিত ৰূপত এই Sustainable development Goalৰ জৰিয়তে। আজি যদি আমি ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী ইস্তাহাৰবিলাক চাওঁ যে Electionৰ আগে আগে সেই দলসমূহে কি কি প্ৰতিশ্ৰুতি দিয়ে সেই আটাইবিলাক প্ৰতিশ্ৰুতি যদি আমি পুনৰ Election ৰ পিচত Sustainable development Goal বিলাকৰ জৰিয়তে আমাৰ ৰাজ্যখনে প্ৰস্তুত কৰা যিটো Vision Document আছে সেইটো যদি পঢ়ি চাও আমি সাংঘাতিক ধৰনৰ পাৰ্থক্য আমি একো নাপাও। কিন্তু একেখিনি কথা সেই স্বাধীনতাৰ পাছৰে পৰা বিভিন্ন সময়ত আমি কৈ আহিছো। গৰিবি হাটাও-- গৰিবি নাইকীয়া হ'ব লাগে, ক্ষুধা নাইকীয়া হ'ব লাগে। সকলোৰে স্বাস্থ্য লাগে সকলোৰে কাৰনে খাদ্য লাগে, সকলোৰে কাৰনে বিশুদ্ধ খোৱা পানী লাগে। সকলোকে কামৰ অধিকাৰ লাগে। মই মৰ্য্যদাসহকাৰে সকলো নাগৰিকে জীয়াই থাকিব লাগে। এই কথাখিনিকে Sustainable development Goalৰ জৰিয়তে সমগ্ৰ বিশ্বই গ্ৰহণ কৰি এটা Target Fixed কৰিছে। Enough is enough এটা লক্ষ ফিক্সড কৰিছে ভাষন বহুত হ'ল আলোচনা বহুত হ'ল। Seminar - Conference বহুত হ'ল কিন্তু ২০৩০ চনত আমি এইখিনি Achieve কৰিবই লাগিব। আৰু ২০৩০ চনত Achieve কৰিবলৈ সমগ্ৰ বিশ্বই ১৭ টা Goal নিৰ্দ্ধাৰিন কৰিছে টাৰ অধীনত আকৌ ১৬৯ টা Target নিৰ্দ্ধাৰিন কৰা হৈছে। আমি সকলোৱে এই কথাও জানো যে -----এই Sustainable development Goal টো United Nation য়ে এইটো গ্ৰহণ কৰাৰ আগৰ ১৫ বছৰ ধৰি আমাৰ আছিল Millenium development Goal। Millenium development Goal যেতিয়া আছিল সেই গোল - মুলত পৃথিৱী উন্নয়নশীল দেশ যিবিলাক আছে , পৃথিৱীৰ Developing Country সেইখিনিৰ কাৰনে আছিল । কিন্তু আজি SDG যেতিয়া গ্ৰহণ কৰা হৈছে কেৱল Developing Country ৰ কাৰনে নহয় ই develop আৰু developing সকলো ৰাষ্ট্ৰৰ কাৰনে। এইটো উমৈহতীয়া কাৰ্য্যসূচী অৰ্থ্যাৎ বিশ্বৰ প্ৰতিখন দেশ, প্ৰতি গৰাকী মানুহ, প্ৰতিটো চৰকাৰী- প্ৰতিটো বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, আমি সকলোৱে তাৰ বাবে দায়বদ্ধ। Developing Country ৰ Goal-ৰ প্ৰথম দুটা লক্ষ্য যে দৰিদ্ৰতা নাইকীয়া কৰিব লাগে। ক্ষুধা নাইকীয়া কৰিব লাগে। ইয়াৰ প্ৰতিটো পইন্টত মই বক্তব্য আগনবঢ়াবলৈ নাযাও। কিন্তু তিনিটা লক্ষ্য যে তাৰে এটা হ'ল -দৰিদ্ৰতা দুৰীকৰন, দ্বিতীয় লক্ষ্য ক্ষুধা নিৰ্দ্ধাৰিন আৰু অষ্টম লক্ষ্য অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ক'ম। এছ ডি জি গোলৰ এই ১৭ টা গোলৰ কোনোটোকে Independently-তাক স্বয়ং স্বাধীনচেতীয়াভাবে আলোচনা কৰাটো সম্ভৱ নহয়। কাৰন এই গোল বিলাকৰ আন্তঃ সম্পৰ্ক আছে। অসম চৰকাৰৰ ফালৰ পৰা ইতিমধ্যে যিখন খচৰা প্ৰস্তুত কৰা হৈছে vision 2030 অৰ্থ্যৎ ২০৩০ ত কেনেধৰনে প্ৰাপ্তি কৰা হ'ব , কেনেধৰনে এচিভ কৰিব সেইখন মই পঢ়িছো । পঢ়াৰ পিছত মোৰ এটা অনুভৱ যে, Employment Generation ৰ কাৰনে অৰ্থনৈতিক বিকাশৰ কাৰনে আমি যিমানখিনি গুৰুত্ব

উদ্যোগ খণ্ডটোৰ ওপৰত প্ৰদান কৰিছো। যিমানখিনি Focus প্ৰদান কৰা হৈছে সিমান পৰিমানৰ Focus কিন্তু প্ৰয়োজনীয় Sectorটোত দেশখনৰ আটাইতকৈ বেছি সংখ্যক মানুহ নিয়োজিত হৈ আছে , সেই খণ্ডটো হ'ল কৃষি খণ্ড। সেই কৃষি খণ্ডক কিন্তু তেনেধৰণে focus কৰা হোৱা নাই , আমি কৰিব পৰা নাই। developing Country যিবিলাক বা আমাৰ ভাৰতৰে আন ৰাজ্যবিলাকৰ লগত আমি তুলনা কৰি চাও আমাৰ কৃষি এতিয়া কি অৱস্থাত আছে বুলি ক'লে উত্তৰ পাম ৰাজ্যৰ অধিকাংশ অঞ্চলত কৃষি এতিয়াও এটা Primitive Technology--অৱস্থাত আছে। এতিয়াও কেকোৰা নাঙল লৈ পৰম্পৰাগত পদ্ধতিত আমি খেতি কৰি আছো। এতিয়া আমাৰ দেশৰ বাকী ৰাজ্যত যেতিয়া ৰেলেৰে ভ্ৰমন কৰো , উদং খেতি পথাৰ দেখো। বিহাৰ উত্তৰ প্ৰদেশ, পাঞ্জাৱ, হাৰিয়ানা আদি ৰাজ্যত খেতিপথাৰসমূহত কিবা এটা activities চলি থকা দেখো। আমাৰ কৃষি হ'ল rain faith agriculture এতিয়াও বানপানীত শ শ , হাজাৰ হেক্টৰ কৃষি নষ্ট হয় । আমাৰ অসমৰ সৰহ সংখ্যক জিলাত সৰহ সংখ্যক খেতি পথাৰত আমি Single Crop অৰ্থ্যৎ আমি বছৰত এটাই খেতি কৰো।

মাননীয় অধ্যক্ষ মহোদয়, বানপানীয়ে হঠাৎ কৰ'ৰাত মঠাউৰি চিগি দিয়ে, কৰ'বাত বান চিঙি দিয়ে, বানপানীত শ শ নহয়, হাজাৰ হাজাৰ হেক্টৰ কৃষি ভূমি আমাৰ বানপানীত বিধস্ত হয়। এই ঘটনাটো প্ৰত্যক বছৰে অসমত হৈ আছে। কেতিয়া এইখন জিলাত কেতিয়াবা সেইখন জিলাত ঘুৰাই ঘুৰাই এই কামবোৰ হৈ আছে। এই Single Crop, primitive খেতিৰ পৰা ইয়াক এক ব্যৱসায় খেতিলৈ উন্নিত কৰাৰ কাৰণে Multi Cropping কৰাৰ কাৰণে একেটা বছৰতে ৩টা খেতি কৰিব নোৱাৰিলেও ২টা খেতি কৰাৰ এটা ব্যৱস্থা কৰাৰ কাৰণে আমি চৰকাৰী ভাৱে ইয়াৰ আগতে যি বিলাক কাৰ্য্যসূচী আমি বিগত সময়ত যিখনি কৰিব লগা আছে, সেইখিনি আমি কৰিব পৰা নাই আৰু এতিয়াও যদি আমি এই Sustainable Development Goal ৰ জৰিয়তে আমি যদি দৰিদ্ৰতা নাইকীয়া কৰিব লাগে, তেনেহলে আমাৰ কৃষিৰ উৎপাদন বঢ়াবই লাগিব। তাৰ বাহিৰে আমাৰ বেলেগ উপায় নাই। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সঠিক ভাৱে এই আহবান জনাইছে যে ভাৰত বৰ্ষত কৃষিৰ আয় আমি ২০২০ত দুগুনলৈ বৃদ্ধি কৰাৰ এটা লক্ষ স্থিৰ কৰি কাম কৰিব লাগিব। আৰু কৃষিৰ সেই উৎপাদন বা লক্ষত যদি উপনীত হব নোৱাৰো তেতিয়া হলে আমাৰ Sustainable Development Goal ২০৩০ ত আমি Achieve কৰিব নোৱাৰিম। কৃষিৰ লগত জড়িত যিটো অসমৰ বাবে এটা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় আৰু যিটো বস্তুত আমি ব্যৰ্থ হৈ আছো, মই সদনত এইবোৰৰ তথ্য দিবলৈ নাযাওঁ, Statistic দিবলৈ নাযাওঁ কাৰণ এই কথাটো সকলোয়ে জানে যে এই বিষয়টো হল জলসিঞ্চন। অসম চৰকাৰৰ যি কেইটা কাৰিকৰী বিভাগ আছে, য'ত Engineer থাকে, যেনে আমাৰ PWD, PHE, Irrigation এই বিভাগ কেইটাৰ ভিতৰত সৰ্বাধিক সংখ্যক Engineer কোনটো বিভাগত আছে বুলি কলে আমি এই Irrigation বিভাগত থকা বুলি কব লাগিব। আৰু এই Irrigation কোনোৱা Department ৰ অধীনত, কোনটো বিভাগৰ অধিকাংশ Projects ব্যৰ্থ হৈছে বা অকামিলা হৈ আছে বা আধৰুৱা বৈ আছে এই প্ৰশ্নটো যদি কৰা যায়, তেতিয়া হলে তাৰ উত্তৰ ত্ৰইটোয়ে হব যে Irrigation Department ৰ অধীনতে সৰ্বাধিক সংখ্যক Project হয় ব্যৰ্থ হৈছে, বা অকামিলা হৈ আছে নতুবা অসম্পূৰ্ণ হৈ আছে। এতিয়া প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ "প্ৰধান মন্ত্ৰী কৃষি শিচাই যোজনা" ৰ অধীনত জলসিঞ্চনৰ কাৰণে এটা Massive Programme তেওঁলোকে লৈছে। আৰু ইয়াৰ Slogan টো হৈছে যে, "হাৰ খেত কো পানী" অৰ্থাৎ প্ৰত্যকখন

খেতি পথাৰত পানী যোগান। কিন্তু এতিয়া যদি আমাৰ কৃষিৰ পৰম্পৰাটো যদি সলনি নহয়, তেনেহলে এই জলসিঞ্চনৰ সুবিধা বা এই "প্ৰধান মন্ত্ৰী কৃষি চিচাই যোজনা" ৰ যিটো লাভ বা Benefit সেই Benefit টো আমি অসমে লব নোৱাৰিম। কাৰণ এই কাৰণে আমি লব নোৱাৰিম আমাৰ পৰম্পৰা হল শালি ধানৰ খেতি, আমাৰ শাওঁন মাহৰ খেতি, আমাৰ পৰম্পৰা হল Rainfed Agriculture। যদি আমাৰ Rainfed Agriculture টো পৰম্পৰা হয় বা শাওঁনৰ পথাৰখনে আমাৰ যদি মুল কৃষি ভিত্তিক Activities হয়, তেতিয়া হলেটো শাওঁন মাহত আমাক জলসিঞ্চন নালাগে। কিন্তু জলসিঞ্চনৰ সুবিধা যদি আমি লব লগা হয়, তেনেহলে আমি অন্য খেতিলৈ অৰ্থাৎ বছৰটোত দুটা খেতি তিনিটা খেতি কৰা আৰু আমি খৰালি মাহত বা Winter Season ত খেতি কৰাৰ আমাৰ এটা পৰম্পৰা বা Culture এটা Develop কৰিব লাগিব। আমি সকলোয়ে জানো যে লক্ষীমপুৰ, ধেমাজী বানপানীত বিধস্ত অঞ্চল তাৰ মানুহ বোৰৰ অৱস্থা হাহাকাৰ হয়, যেতিয়া খেতি প্ৰত্যক বছৰে বানপানীয়ে উটুৱাই লৈ যায় কিন্তু সেই ঠাইবোৰত আমি পৰীক্ষা মূলক ভাৱে আমি বড়ো ধানৰ খেতি কৰিছো, ৰাইজক বড়ো ধানৰ খেতি কৰিবলৈ শিকাইছো। নৱেম্বৰ মাহৰ পৰাই পথাৰত নামিবলৈ আমি মানুহক শিকাইছো আৰু আমি সেই মানুহ বোৰক কৈছো যে যেতিয়া বাৰিষা আহিব মে মাহ শেষ হোৱা মানে বানপানী আহিব গতিকে বানপানী অহাৰ আগে আগে আমি আমাৰ ভড়াল বোৰ সম্পূৰ্ণ কৰিব লাগিব। কিন্তু মানুহৰ সেইটো সংস্কৃতি নহয়, পথাৰলৈ যোৱা সংস্কৃতি নৱেম্বৰ, ডিচেম্বৰ, জানুৱাৰী মাহত ধান খেতি কৰা, হাল বোৱা পৰম্পৰা আমাৰ নাই। গতিকে সেই পৰম্পৰাটো Change কৰাৰ কাৰণে এটা Massive কাৰ্য্যসূচী আমাক লাগে। মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ লগতে কৃষিৰ যিখিনি আনুসংগিক Allied Subject আছে, যেনে Fishery, পশুধন, ৰেচম ইত্যাদি আৰু ইয়াৰ লগতে মই মাননীয় কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী অৰুণ জেটলী ডাঙৰীয়াক ধন্যবাদ জনাম যে KCC Loan ৰ ক্ষেত্ৰত আগতে যি এই Loan টো অকল খেতিৰ কাৰণে প্ৰযোজ্য আছিল কিন্তু তেখেতে এতিয়া ঘোষণা কৰিলে যে এই Loan টো এতিয়াৰে পৰা পশুধন আৰু Fishery, যি সকলে মীনপালন কৰে তেওঁলোকৰ কাৰণেও এই Kishan Credit Card টো প্ৰযোজ্য হব। তেওঁলোকেও Kishan Credit Card ৰ অধীনত Bank ৰ পৰা Loan পাব। অসমৰ Satellite ৰ Mape খন যদি আমি চাওঁ তেতিয়া আমি দেখা পাম যে কিমান বিলাক জলাশয় আছে, কিমান বিলাক নদী আছে আৰু যিমান বিলাক জলভূমি বা Wetland আছে যি বিলাকত কোনো সংগঠিত ভাৱে আৰু বিজ্ঞান সন্মত ভাৱে আমি মাছ উৎপাদন কৰিব পাৰো। আজি আমাৰ চৰকাৰে ঘৰে ঘৰে পুখুৰী RIDF ৰ পইচাৰ অনুদানেৰে চৰকাৰখনে এক মীন বিপ্লৱৰ আঁচনি চৰকাৰখনে লৈছে আৰু সেই চৰকাৰখনৰ এই আঁচনিৰ জৰিয়তে মীন ক্ষেত্ৰতো এটা এনেকুৱা ক্ষেত্ৰ যি ক্ষেত্ৰৰ জৰিয়তে বৃহত সংখ্যক খেতিয়কক কৰ্ম সংস্থাপন দিয়াৰ ব্যৱস্থা কৰাৰ লগতে আমাৰ যিটো খেতিৰ উৎপাদন সেইটো বৃদ্ধি কৰিব পৰা যাব। আজি চীন দেশ, জাপান আদিৰ অৰ্থনৈতিক অৱস্থা বহুত টনকীয়াল । কিন্তু সেই চীন, জাপানৰ যি টনকীয়াল অৰ্থনীতি সেই অৰ্থনীতিৰ ভেটিটো যদি আমি অলপ গৱেষণা কৰি চাওঁ বা তেওঁলোকৰ ইতিহাসক যদি আমি চাওঁ যে তেওঁলোকৰ সেই অৰ্থনীতিৰ ভেটিটো ক'ত কেনেকৈ আৰম্ভ হৈছিলেআৰু কেনেকৈ টনকীয়াল হ'ল, তেতিয়া আমি এটা কথা দেখা পাওঁ যে ৰেচম বা Silk অৰ্থনীতিৰ তেওঁলোকে হ'ল Pioneer বা তেওঁলোকে আৰম্ভ কৰিছে। আৰু সেই Silk অৰ্থনীতিয়ে তেওঁলোকৰ অৰ্থনীতিৰ বুনিয়াদ গঢ়ি থৈ গল। আজি ভাৰত বৰ্ষৰ অন্যতম এখন Silk Producing State হল অসম। যিটো আমাৰ আটাইতকৈ জনপ্ৰিয় Mulberry বা মুনি বা

পাট, সেই Silk আমি উৎপাদন নকৰো। কিন্তু আমি বন্য Silk বা Wild Silk বা আমি এড়ি সুতা আৰু আমাৰ এই এড়ি সুতাৰ উৎপাদনটো ইমান বেছিকৈ বা এড়ি সুতাৰ উৎপাদনৰ জৰিয়তে আমি বিশ্বৰ Silk উৎপাদনকাৰী দেশ বিলাকৰ ভিতৰত স্থান লাভ কৰিবাল সক্ষম হৈছে। আৰু Silk ৰ দাম ইমান বাঢ়িছে, মই নিজে এটা সময়ত এটা NGO ৰ জৰিয়তে Silk Production ৰ লগত জৰিত আছিলো । ২০০৬/২০০৭ চনত ১ কেজি এড়ি Silk ৰ দাম তাৰ যিটো rawসেইটোৰ দাম আছিল খুৱ বেছি ২০০/২৫০ টকা। কিন্তু আজি কেই বছৰ মান পিছত ইয়াৰ চাহিদাটো বঢ়াৰ বাবে ইয়াৰ দাম ৭৫০ টকালৈকে বৃদ্ধি পাইছে। মুগাৰ যেতিয়া আমি কাম আৰম্ভ কৰিছিলো ২০০৬ চনত তেতিয়া ১ কেজি মুগা সুতাৰ দাম আছিলে ৬হাজাৰ টকা কিন্তু এতিয়া ১কেজি মুগা সুতাৰ দাম ১৫/১৬ হাজাৰ আৰু যদি বেছি ভাল সুতা হয়, তাৰ দাম ১৮হাজাৰ টকা। কিন্তু এই Silk টোক আমি যেনেধৰণে Develop কৰিব লাগিছিল তেনেধৰণে আমি Develop কৰিব পৰা নাই। মই কিছু দিন আগতে, NRLM ৰ অধীনত যি বিলাক মহিলা আত্ম সহায়ক গোটে আছে, তেওঁলোকৰ ৫০০শ মান মহিলাৰ লগত যেতিয়া ভাবৰ আদান প্ৰদান কৰিছিলো আৰু শুধিছিলো তেওঁলোকে কোনো কি কি Activities কৰে। মই তেওঁলোকক প্ৰশ্ন কৰিছিলো যে আপোনালোকে গোট হিচাবে কেনেধৰণৰ ব্যৱসায় বা Activities আপোনালোকে কৰি আছে। তেতিয়া সকলোৱে কলে, কোনোবাই কলে যে আমি পাটৰ কাম কৰো, কনোৱাই কলে যে আমি হাহঁ কুকুৰা পালন কৰো, কোনোৱাই কলে যে আমি গাহৰি পালন কৰো। কিন্তু মই তেতিয়া কলো যে এইখন ধেমাজি জিলাৰ ঢকুৱাখান, অসমৰ ভিতৰত আটাইতকৈ বেছি মুগা উৎপাদন হোৱা ঠাই। ধেমাজি, ঢকুৱাখানাৰ মুগাৰ দাম আছে। তেতিয়া মই সুধিলো যে আপোনালোকৰ মাজত কোনোৱা এনেকুৱা আত্ম সহায়ক গোট আছে নেকি যিয়ে মুগা সুতাৰ কাম কৰে । তেতিয়া সকলোৱে নিৰব আৰু তেওঁলোকে কলে যে আমি সংগঠিত ভাবে মুগা সুতা কটাৰ কাৰণে আমাৰ কোনো বিশেষ ব্যৱস্থা নাই। তেতিয়া মই প্ৰশ্ন কৰিলো যে আপোনালোকে মুগা সুতা কাটে নে নেকাটে ? তেতিয়া তেওঁলোকে কলে যে আমি মুগা সুতা কাটো আমি প্ৰত্যকে মুগা সুতা কাটো, আমাৰ প্ৰত্যকৰ ঘৰতে মুগা আছে, কিন্তু আমি মুগা সুতাটো সেই পুৰণি কলীয়া পদ্ধতিতে কাটো। অৰ্থাৎ মই যেনেকৈ খেতিৰ ক্ষেত্ৰত কৈছিলো যে আমাৰ Technology বোৰ Primitive আমাৰ খেতি কৰা পদ্ধতিবোৰ Primitive, ঠিক তেনেকৈ মীন পালনৰ ক্ষেত্ৰতো আমাৰ পদ্ধতিবোৰ Primitive, Sericulture ৰ ক্ষেত্ৰটো আমাৰ পদ্ধতিবোৰ Primitive। Central Silk Board য়ে বহুটো অত্যাধুনিক মেচিন উলিয়াইছে কিন্তু সেই মেচিনবোৰ গাওঁলৈ যোৱা নাই বা গাওঁ গৈ যদিও পাইছে তাত সেইটো কাৰ্য্যকৰী হোৱা নাই, Sustainable হোৱা নাই। এই Technology Transfer কৰাৰ কাৰণে আমাৰ সম্পদ, সমল, Resources আমাৰ আছে। কিন্তু আমাক যিটো Technology লাগে সেই Technology টো নাই। আফ্ৰিকাৰ বহু দেশ আমি TV ত দেখিছো আফ্ৰিকাৰ বহুত দেশত খাবলৈ নাপায় মানুহ মৰিছে, দৰিদ্ৰতাই গোটেই দেশ গ্ৰাস কৰি আছে। কিন্তু সেই আফ্ৰিকাৰ মাটিৰ তলত কি আছে বুলি কলে, মাটিৰ তলত তেওঁলোকৰ হীৰা আছে, মাটিৰ তলত তেওঁলোকৰ মূল্যবান খনিজ পদাৰ্থ আছে। এতিয়া প্ৰাকৃতিক সম্পদ হিচাপে তেওঁলোকে মাটিৰ তলত তেওঁলোকে হীৰা পাইছে, অন্যান্য মূল্যবান খনিজ পদাৰ্থ পাইছে কিন্তু সেইখিনি আহৰণ কৰাৰ কাৰণে তেওঁলোকক যিটো Technology লাগে, তেওঁলোকক যি Capacity লাগে, সেই Capacity তেওঁলোকৰ নাই। সেই কাৰণে তেওঁলোক দৰিদ্ৰ। অসম খনতো প্ৰাকৃতিক সম্পদ আমাৰ ইমানখিনি আছে কিন্তু সেই প্ৰাকৃতিক

সম্পদখিনি আহৰণ কৰাৰ কাৰণে যিটো আমাক Technology লাগে, সেই Technology টো আমাৰ মানুহৰ হাতত নাই। Technology বিজ্ঞানে আবিস্কাৰ কৰিছে, কিন্তু সেই Technology টো জনসাধৰণৰ হাতত গৈ পোৱগে নাই বা সেই Technology টো জনসাধৰণক আমি হাতত ধৰি শিকাই, ৰাইজক সেই primitive অৱস্থাৰ পৰা এতিয়াৰ এটা উন্নত অৱস্থালৈ আমি আনিব পৰা নাই। এতিয়া মিচিং মেখেলা চাদৰ ইমানে জনপ্ৰিয় অসমৰ প্ৰত্যেক গৰাকী মহি লা, জীয়ৰি, বোৱাৰীৰ ঘৰত ২ জোৰ ৩ জোৰ কে মিচিং শিপিনীয়ে বোৱা মেখেলা চাদৰ আছে। কিন্তু সেই মিচিং শিপিনীয়ে বোৱা মেখেলা চাদৰ খন কেনেকুৱা শালত বয়, সেই শালখনৰ নাম কি বুলি যদি কয়, তাৰ Technical Term ত যদি সেই মিচিং শিপিনীৰ শাল খনৰ নাম কব যাওঁ সেই খন হ'ল primitive through shuttle loom. সেইখন বাহেৰে বনোৱা এখন প্ৰাচীন loom. কিন্তু সেই বাহেৰে বনোৱা প্ৰাচীন loom খনৰ তাত Technology upgradation কৰি তাত skill upgradation কৰি আজি শুৱালকুচীৰ মানুহে যেনেকৈ তাঁত শালত কাপোৰ বোৱে, Banarash ত যেনেকৈ শিপিনীয়ে তাঁত শালত কাপোৰ বোৱে বা West Bengal ৰ নদীয়া, ফুলিয়া বা কোচবিহাৰ অঞ্চলত তাৰ শিপিনী সকলে যেনেকৈ advance loom ত কাপোৰ বয়, সেই advance loom সমূহ আমি আমাৰ গাঁৱত introduce কৰিব পৰা নাই, তাৰে Technology transfer কৰিব পৰা নাই। গতিকে আমি চৰকাৰ হি চাপে আমাৰ চৰকাৰ খনৰ এটা।

**মাননীয় অধ্যক্ষ ঃ** পেগু ডাঙৰীয়া আপুনি প্ৰশ্নলৈ আহিব।

**শ্ৰীৰনোজ পেগু ঃ** সেইটো হ'ল Transfer of Technology, গাঁৰৰ সাধৰণ মানুহৰ হাতলৈ আমি Technology টো নি দিয়াৰ কাৰণে আমাক এটা ব্যৱস্থা লাগে। সেই ব্যৱস্থাটো কোনে কৰিব বুলি কলে, সেই ব্যৱস্থাটো নিশ্চিত ভাৱে আমাৰ চৰকাৰী বিভাগ সমূহত আছে, কিন্তু সেই বিভাগ বিলাক বিগত সময়ছোৱাত বিভিন্ন ধৰণৰ দূৰ্নীতিত পোত গৈ এনেকুৱা এটা অৱস্থা পালেগৈ যে বিভাগ সমূহ এতিয়া সক্ষম নহয়। গতিকে আমাৰ Goal নম্বৰ ১৭ ত যিটো কথা আছে যে Delivery Mechanism কি ? আমি কি Mechanismৰে কি পদ্ধতিৰে, কেনেধৰণেৰে আমাৰ এই ইঙ্গিত লক্ষত উপনিত হোৱাৰ কাৰণে, সাধৰণ মানুহক reform কৰাৰ কাৰণে কেনেধৰণে আমি কাম কৰো। তাৰ কাৰণে প্ৰশাসনিক সংশোধনী এটাৰ ব্যপক প্ৰয়োজন আছে, Institution Building ৰ প্ৰয়োজন আছে, তৃণমূল পৰ্য্যায়ৰ Grass Roots ৰ যিমান বিলাক Institution আছে সেই Grass Roots Institution বিলাকক শক্তিশালী কৰাতো প্ৰয়োজন আছে। লগতে কেৱল পকা ৰাস্তা হলে, পকা ঘৰ হলেই উন্নয়ন নহয়, যদি সঠিক মানৱ সম্পদ গঢ় দিবপৰা নাযায়। সেই মানৱ সম্পদ লাগিব যি মানব সম্পদে এই Transfer of Technologyৰ কামটো successfuly কৰিব পাৰিব। গতিকে আমাৰ সেই Focusটো SDG to 2030 টো যদি achieve কৰিব লাগে আমাক এচাম মানুহ লাগে। মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আৰম্ভ কৰি তৃনমূল পৰ্য্যায়ৰ পঞ্চায়তৰ Ward Member জনলৈকে আমাক human resources লাগে। মুখ্যসচিবৰ পৰা আৰম্ভ কৰি গাওঁ পঞ্চায়তৰ secretary লৈকে আৰু ইয়াত NGO বিলাকৰো মহত্বপূৰ্ণ নিয়ম থাকিব, শৈক্ষিক, বিদ্যায়নিক, Technology অন্যান্য Instituation বিলাকৰো এটা নিয়ম থাকিব। যিটোত Focusটো হব লাগে যে আমাক এটা কাৰ্য্যাক্ষম, কাৰ্য্যকৰী হোৱা এটা মানৱ সম্পদ সৃষ্টি কৰিব লাগে, সেই ঠাইত Focus কৰো। শেষত মই conclude কৰিব বিচাৰো যে উদ্যোগৰ লগে লগে কৃষি আৰু আনুসাংগিক ক্ষেত্ৰ সমূহত আমাৰ মূল Focusটো থাকিব

লাগে যে গৰিষ্ঠ সংখ্যক মানুহক আমি নিয়োগ দিব পাৰো, Technology Transfer কৰি একেবাৰে এটা Focus থাকিব লাগে আৰু এই Technology Transfer কৰাৰ কাৰণে খুব কাৰ্য্যক্ষম human resources লাগে আৰু সেই human resources সৃষ্টি কৰাৰ ক্ষেত্ৰত আমাৰ এটা Focus থাকিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।
**মাননীয় অধ্যক্ষ ঃ** Thank you very much, ভালকে কথাখিনি analysis হৈছে, এতিয়া অজন্তা নেওঁগ। তেখেতে কোৱা area টোৰ বাদ দি কলে ভাল হব, যদি পাৰে।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়, মই প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিম যে আপুনি বিশেষ উদ্যোগ লৈ Sustainable Development Goal বহনক্ষম উন্নয়নৰ লক্ষ্য, আজি আমাৰ হাউচত আমাক আলোচনা কৰিব দিয়াৰ বাবে। আপুনি নিশ্চয়কে আমাৰ উন্নয়নৰ যিটো ধাৰাবাহিক প্ৰক্ৰিয়া, এতিয়া নতুনত্ব আনিবৰ কাৰণে বিশেষভাৱে চেষ্টা কৰিছে মই পুনৰবাৰ আপোনাক ধন্যবাদ দিম। এই 'বহনক্ষম উন্নয়নৰ লক্ষ্য' ইয়াৰ প্ৰথমতে আৰম্ভনি হৈছিল United Nation General Assembly ত ২০০০ চনৰ চেপ্টেম্বৰ মাহত। গোটেই বিশ্বৰ বিভিন্ন দেশ বিলাকে একত্ৰিত হৈ তেতিয়া তেওঁলোকে প্ৰায় ৮ টা লক্ষ্য স্থিৰ কৰিছিল আৰু সেই লক্ষ্যক তেওঁলোকে মাইলৰ মডেল হিচাপে চিহ্নিত কৰিছিল আৰু গোটেই বিশ্বৰ যিসকল ইয়াৰ স্বাক্ষৰ বহনকাৰী ৰাষ্ট্ৰ আছিল তেওঁলোকে ৮ টা লক্ষ্যৰে বিশ্বক আগুৱাই লৈ যাবৰ কাৰণে চেষ্টা কৰিছিল। এই সময়চোৱা নিৰ্ধাৰণ কৰা হৈছিল ২০০০ চনৰ পৰা ২০১৫ চনলৈ। প্ৰায় ১৫ টা বছৰ ৰাষ্ট্ৰসংঘই বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰবিলাকক লৈ এটা নিৰ্দিষ্ট লক্ষ্যৰে তেওঁলোকে আগবাঢ়ি যাবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছিল আৰু এই প্ৰচেষ্টাত ভাৰতবৰ্ষও এখন স্বাক্ষৰকাৰী দেশ আছিল। সেই সময়চোৱাত আমি দেখিছিলো যে ভাৰতবৰ্ষই যথেষ্টখিনি তেওঁলোকৰ যি ৮ টা লক্ষ্য আছিল, এই লক্ষ্যবিলাকক তেওঁলোকে আগবাঢ়ি যোৱাত দেখা পোৱা গৈছিল। পিছৰ সময়চোৱাত ৰাষ্ট্ৰসংঘই ২০১৫ চনৰ পৰা ২০৩০ চনলৈ আৰু নতুন এটা লক্ষ্য বান্ধি ললে ১৫ বছৰীয়া। এই নতুন লক্ষ্যত ভাৰতবৰ্ষও অন্তৰ্ভূক্ত হ'ল। এই নতুন লক্ষ্যৰে যাক আমি কলো যে Sustainable Development of Goal এই নতুন লক্ষ্যত ১৭ টা লক্ষ্য চিহ্নিত কৰা হৈছে। এই ১৭ টা লক্ষ্য হ'ল যে ইয়াৰ প্ৰধান উদ্দেশ্য হৈছিল যে আমাৰ অৰ্থনৈতিক, সামাজিক আৰু পৰিবেশ। এই তিনিটা খণ্ডৰ যাতে ভাৰসাম্য থাকে, তাত এটা balance হয় আৰু এই balanceৰ ১৭ টা লক্ষ্য স্থিৰ কৰা হ'ল আৰু এই ১৭ টা লক্ষ্যৰ মূল লক্ষ্যবিলাক আছিল যে দৰিদ্ৰতা নিবাৰণ, সুধা, গুণগত শিক্ষা, জলবায়ু পৰিবৰ্তন, লিঙ্গ বৈসম্যহীনতা, অনাময় নাইকিয়া কৰা, অনাময় অভিযান, শক্তি, পৰিবেশ সংৰক্ষণ আৰু সামাজিক ন্যায়। মুঠতে এইকেইটা খণ্ডতে এই Sustainable Development Goal ৰ গোটেই উদ্দেশ্যখিনি ইয়াত জড়িত হৈ আছে। এতিয়া আমাৰ ভাৰতবৰ্ষৰ কথা কৈছো যে ভাৰত বৰ্ষই মূলত যে বসু ধৰিব কুটুম ৰকম, আমাৰ the world is one family. ইয়াকে মূল মন্ত্ৰ হিচাপে লৈ ভাৰতবৰ্ষ এই Sustainable Devel
opment Goal ত তেওঁলোকে স্বাক্ষৰ কৰিছিল। তাৰ পিছত এই সময়চোৱাত ভাৰতবৰ্ষই বিভিন্ন লক্ষ্য স্থিৰ কৰি লৈছে এই ১৭ টা, আৰু এই ১৭ টা লক্ষ্যত ভাৰতবৰ্ষও আগুৱাই গৈছে। আমাৰ ৰাষ্ট্ৰ খনৰ মূল মন্ত্ৰ হৈছে cooperative federalism. ভাৰতবৰ্ষই বিভিন্ন ৰাজ্যবিলাকত বিভিন্ন আঁচনিৰ জৰিয়তে এই cooperative federalism ক মূল মন্ত্ৰ হিচাপে লৈ এইতো

সমভাৱে এই ১৭ টা উদ্দেশ্যৰে ভাৰতবৰ্ষই আগবাঢ়ি যাবলৈ চেষ্টা কৰি আহিছে। আমাৰ ৰাজ্য চৰকাৰ সমূহেও এই ক্ষেত্ৰত আমি আমাৰ ভূমিকা সমূহ পালন কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ অসম ৰাজ্যখনে এই Sustainable Development Goal গ্ৰহণ কৰিছিল প্ৰথম বাৰৰ বাবে ২০১৬ চনৰ জানুৱাৰী মাহত। সেই সময়ত মই তেতিয়া ইয়াৰ লগত জড়িত হবলৈ সুবিধা পাইছিলো আৰু এই Sustainable Development Goal ত আমি অংশগ্ৰহণ কৰাৰ পিছত অসম চৰকাৰে আমি অংশগ্ৰহণ কৰাৰ পিছত অসম চৰকাৰে তেতিয়া Vision Document এখন প্ৰকাশ কৰিছিল যে Vision Assam 2030. ইয়াৰ পিছত আমাৰ ৰাজ্যত নতুন চৰকাৰ গঠন হ'ল। নতুন চৰকাৰেও Vision Document 2030. দিলে। এই লক্ষ্যৰে এতিয়া আমি আগবাঢ়ি যাবৰ কাৰণে প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব। (Hon'ble Member Shri Ramendra Narayan Kalita on the chair.)মই ইয়াত তিনিটা লক্ষ্যৰ কথা ক'ব বিচাৰিছো। প্ৰথমটো হৈছে স্বাস্থ্য আৰু শিক্ষা। এই দুটা লক্ষ্য সামৰি মই কথাখিনি ক'ব বিচাৰিছো। আজি এখন ৰাজ্যৰ জনসাধাৰণক যদি আমি সু-স্বাস্থ্য দিব লাগে, তেতিয়াহলে আমি প্ৰথমে স্বাস্থ্য সেৱা ব্যৱস্থাটোক গুৰুত্ব দিব লাগিব। আমাৰ যিটো Primary Health Care Centre আছে, সেইটোক আমি অধিক গুৰুত্ব দিব লাগিব। সভাপতি মহোদয়, আমি সদনত বিভাগ হিচাপে এই আলোচনাবোৰ কৰি আছো যদিও Holistic approch লৈ আমি এই কথাবোৰ আলোচনা কৰা নাই। সভাপতি মহোদয়, স্বাস্থ্য সেৱাত যদি আপোনাক পৰিসংখ্যা বিলাক দেখাওঁ, তেতিয়া দেখিব যে আমি নিশ্চয়কৈ আমাৰ লক্ষ্যত উপনীত হ'ব পৰা নাই। ইয়াত লিখিছে যে, There is a growing trend among people to go for treatment outside Assam. Thus, out of pocket expenses for the general populance continued to be very high.The Health states in Assam presents some allarming ratio which in terms of the maternal mortality ratio which is a highest in the country at 300 deaths/per lacks life births.MMR,IMR এই গোটেইবিলাকো যদি আমি চাওঁ, আমাৰ ৰাজ্যখন যেনেদৰে আগবাঢ়ি যাব লাগিছিল, তেনেদৰে আগবাঢ়ি যোৱা নাই। Infant Mortality Rate যথেষ্ঠখিনি বাঢ়িছে।Proportion of birth by skilled health personnel, ইয়াত74.3% দেখুৱা হৈছে, Proportion of institutional deleveries 70.6% . এই গোটেইবিলাকত আমি এটা allarming stage ত আছো। এইবিলাকত যদি আমি আমাৰ লক্ষ্যত উপনীত হ'ব লাগে তেনেহলে আমি এটা নিৰ্দিষ্ট দিশত আগবাঢ়িব লাগিব। সেইকাৰণে মই প্ৰথমতেই কৈছো যে স্বাস্থ্য সেৱাত আমি গুৰুত্ব দিব লাগিব। আমি সকলোৱে জানো যে স্বাস্থ্য সেৱাত Primary Health Care system, Secondary Health Care System আৰু Tertiary Health Care System আছে। কিন্তু সকলোতকৈ আমি Primary Health Care Service ৰ ওপৰত বেচি গুৰুত্ব দিব লাগিব। আজি আমাৰ সদনৰ সকলো সদস্যৰ লগতে ময়ো জানো যে আমাৰ সমষ্টিবিলাকৰ Primary Health Care Service ৰ যি অৱস্থা হৈছে। সেইটোক আমি নিশ্চয়কৈ আগবঢ়াই নিব লাগিব। যিটো Rural Health Care Services , সেইটোকো আমি যথেষ্ঠ আগবঢ়াই লৈ যাব লাগিব। মই বিশেষভাৱে এইটো কথাই কম যে এতিয়া গাওঁলৈ ডাক্তৰ নাযায়। ডাক্তৰবিলাক কিয় গাওঁলৈ নাযায়, সেইটো আমি চাব লাগিব। এটা সময়ত গাওঁলৈ ডাক্তৰ গৈছিল। সেইকাৰণে

চৰকাৰে এই ক্ষেত্ৰত Primary Health Care Service খিনি বঢ়াবৰ কাৰণে তেওঁলোকে Special কিবা Rural Service কৰিব পাৰে নেকি , সেইখিনি কথা ভাৰি চাব লাগিব। আমি দেখিছো তেওঁলোকৰ অসুবিধা কিছুমানো আছে। ডাক্তৰবিলাকক আমি তেওঁলোকক সেৱা কৰিব কাৰণে জোৰ কৰিব নোৱাৰো কাৰণ জোৰ কৰিলে তেওঁলোকে Private Service ত অংশগ্ৰহণ কৰি ল'ব পাৰে। গতিকে তেওঁলোকক আমি কিবা Special incentive দিব পাৰো নেকি? এই কথাখিনি আমি Rural Health Care Centre ত নতুনকে introduce কৰিব পাৰো নেকি? ডাক্তৰ সকলক গাওঁত সেৱা আগবঢ়োৱাৰ কাৰণে এই কথাখিনি বিশেষভাৱে চোৱাৰ প্ৰয়োজন আছে। Maternal morality rate, infant morality rate যথেষ্ঠখিনি বাঢ়িছে। ইয়াৰ কাৰণটো আমি চাব লাগিব। আমি Geographically এই মানুহবিলাক চাব লাগিব। বিশেষকৈ চাহ বাগিছা আৰু চৰ অঞ্চলবিলাকত এইটো allarmingly বাঢ়িছে। এই ঠাইবিলাকত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন আহিছে। এই ক্ষেত্ৰত শিক্ষাৰ এটা যথেষ্ঠ ভুমিকা আছে। অশিক্ষিত হোৱাৰ কাৰণে এই mortality rate টো বাঢ়ি গৈছে। আমি এটা resolution আনিছিলো women empowerment Birth Controll ৰ ওপৰত। এই resolution টো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া মানুহবিলাক শিক্ষিত হ'ব। গতিকে শিক্ষা আৰু স্বাস্থ্য , এই দুয়োটা ক্ষেত্ৰৰে এটা ওত:প্ৰোত সম্পৰ্ক আছে।

শিক্ষাৰ কথা মই কওঁতে গুনগত শিক্ষাৰ কথা কৈছো। এইবাৰ গুনোৎসৱত মই নিজে অংশগ্ৰহণ কৰিছিলো। সমষ্টি এলেকাত শিক্ষাৰ কাৰণে গুনোৎসৱৰ ভালদৰে কাম কৰিছেনে নাই মই নিজে চাওঁ। আন্ত:গাথনি আমি চাইছো, তাত গুনগত শিক্ষা দিব পাৰিছেনে নাই, সেইটো আমি চাইছো, কিন্তু এটা কথা অনুভৱ কৰিছো যে এতিয়াও এই ক্ষেত্ৰত আমাৰ কৰিবলগীয়া যথেষ্ঠ আছে। স্বাস্থ্য আৰু শিক্ষাৰ মাজত যিটো Gap আছে সেই Gapটো assessment কৰিব লাগিব। সেই assessment কৰি যদি চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়াহলে আমি আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিম। এই স্বাস্থ্য আৰু শিক্ষাখণ্ডৰ লক্ষত উপনীত হবলৈ আমাৰ যথেষ্ঠ খিনি কৰনীয় আছে। ইয়াৰ উপৰিও আমাৰ যি লিংগ বৈষম্য , সেইটো নাইকীয়া কৰিবলৈ ভাৰতবৰ্ষৰ সংবিধানে কয় Equality before law ৰ কথা। Equality before law ত আমি cast creed নাইকীয়া কৰিবলৈ , বৈষম্য নাইকীয়া কৰিবলৈ ভাৰতবৰ্ষৰ সংবিধানে আমাক ধাৰা দিছেই। আজি ভাৰতবৰ্ষৰ প্ৰায় ৪৯ শতাংশ মহিলা আৰু আমাৰ ৰাজ্যৰো প্ৰায় ৪৯ শতাংশ মহিলা, এই মহিলা সকল তেওঁলোকৰ অধিকাৰৰ প্ৰতি সজাগ হয়নে নহয় এই কথাখিনি আমি চাব লাগিব। সেইকাৰণে মহিলাসকলক সচাঁ অৰ্থত সৱলীকৰণ কৰাৰ যথেষ্ঠখিনি প্ৰয়োজন আছে। আমাৰ বিধান সভায়ো মহিলা সবলীকৰণ কৰাৰ কাৰণে যথেষ্ঠ আইন প্ৰনয়ণ কৰিছো। কেন্দ্ৰীয় চৰকাৰেও যথেষ্ঠখিনি আইন প্ৰনয়ণ কৰিছে। ভাৰতবৰ্ষৰ সংবিধানেও আমাৰ মহিলা সকলক যথেষ্ঠখিনি সুৰক্ষা দিছে। তথাপিও মহিলা সকলৰ সম বিকাশ হৈছে বুলি আমি আজিও ক'ব পৰা নাই। কিছুদিন আগতে মই এটা Survey পঢ়িছিলো। এটা ব্যক্তিগত সংস্থা এটাই এই Survey টো কৰিছিল। India তWorld Economic Forum য়ে এই Survey টো কৰিছিল। সেই Survey টোত লিখিছিল যে মহিলা সকল এতিয়াও পুৰুষৰ লগত সমানে সমানে আগবাঢ়ি যাবৰ কাৰণে ২৫০ বছৰৰ প্ৰয়োজন হ'ব। এইটো এটা ভয়ঙ্কৰ সমীক্ষা। Gender quality আজি দিনটোলৈকে হোৱা নাই। এইবাৰ বাজেটতো সকলোতে Gender qualityৰ কথা কোৱা হৈছে, sustainable development goals ক achieve কৰাৰ

কাৰণে তাতো women empowerment ৰ কথা  কোৱা হৈছে কিন্তু এতিয়াও মহিলা সকলে পুৰুষৰ লগত সমানে  আগবাঢ়ি যাবৰ কাৰণে  যেনেদৰে আগবাঢ়িব লাগিছিল , তেনেদৰে আগবাঢ়ি যাব পৰা নাই। শৈক্ষিক  দিশত  আজিও মহিলাৰ  স্বাক্ষৰতাৰ হাৰ কম। ৰাজনৈতিক দিশতো কবলৈ গলে  অসম বিধান সভাত আমাৰ  মহিলাৰ representation  6.5 % only. Parliament ত মহিলাৰ representation 7% only. গাওঁ পঞ্চায়ত বা পঞ্চায়তী level ত আমি 33 % reservation  কৰিছো। আমাৰ অসমত 50% আছে তথাপিও  আমি শক্তিশালী ভাৱে ক'ব পৰা নাই যে  আমি মহিলা সকল সবল হৈছো।  মহিলা সকলৰ ওপৰত  হোৱা ক্ৰাইমৰ এটা Statistics মই দিব বিচাৰিছো। অসমত ভাৰতবৰ্ষৰ ভিতৰত ক্ৰাইম ৰেট মহিলা সকলৰ ওপৰত সকলোতকৈ বেছি। আপোনালোকে চাব যে Number of violence against women is generally  higher than elsewhere in India. এইখন চৰকাৰে দিয়া তথ্য। ইয়াতকে দুখৰ কথা আৰু কি হ'ব পাৰে? আজি কিছুদিন আগতে আমি সদনত বিভিন্ন ধৰণৰ  issue  যেনে ধৰ্ষণ বা মহিলাৰ ওপৰত অত্যাচাৰ হোৱাৰ কথা কৈছো যে কেনেদৰে আমাৰ ৰাজ্যত   allarming ৰূপত বাঢ়িছে। এই ক্ষেত্ৰত অসমৰ ৰাইজে কিন্তু এটা কঠোৰ আইন প্ৰনয়ণ হোৱাটো বিচাৰিছে। ইয়াত আমি সকলোৱে আইন প্ৰনয়ণ কৰো। মহিলা সকলৰ ওপৰত হোৱা  বা শিশু সকলৰ ওপৰত হোৱা ক্ৰাইম ৰেটটো নাইকীয়া কৰিবৰ কাৰণে অসমৰ মানুহ এতিয়া ৰাজপথলৈ ওলাই আহিছে।  অসমৰ মানুহ ৰাজপথলৈ ওলাই আহিছে। We are the policy maker, গতিকে ভৱিষ্যতলৈ এইবোৰ নাইকিয়া কৰিবৰ বাবে আমাৰ সদনে এই কথাবোৰ চিন্তা চৰ্চা কৰিব লাগিব নহ'লে Women Empowerment কেৱল slogan তেই থাকি যাব। যোৱাবাৰ  যেতিয়া সদনত মই  resolution টো আনিছিলো তেতিয়া খুব দুখেৰে কৈছিলো যে অকল মহিলা সৱলীকৰণৰ কথাহে কোৱা হয়, তাত পুৰুষ সৱলীকৰণৰ কথা কোৱা নহয়। So, the word itself implies that আমি এতিয়াও empowered হ'ব পৰা নাই। গতিকে এই মহিলা সকলক সবল কৰিবৰ বাবে আৰু  আগবঢ়াই লৈ যাবৰ বাবে আমাৰ সকলোৰে সামাজিক দায়িত্ব আছে। মহিলা সকলক সামাজিক, ৰাজনৈতিক আদি সকলো দিশতে আগবঢ়াই লৈ যাবৰ  বাবে আমাৰ সকলো মাননীয় সদস্যৰে দায়িত্ব আছে। সেয়েহে, মই সেই দায়িত্ববোধেৰে  কৈছো যে লিংগ বৈষম্য নাইকিয়া কৰিবৰ বাবে মহিলা সকলক আগবঢ়াই নি আমি আমাৰ লক্ষ্যত উপনীত হ'ব লাগিব। এটা সময়ত মহিলা সকলৰ property right নাছিল, গতিকে তাৰ  বাবে Right to Property Act ত মহিলা সকলকো সমানে অধিকাৰ দিয়া হৈছে। ইয়াৰোপৰি, বিভিন্ন ধৰণৰ domestic violence ৰ ওপৰত আইন প্ৰণয়ন কৰা হৈছে। লগতে State Women Act খনো প্ৰণয়ন কৰা হৈছে। গতিকে আমি যদি মহিলা খিনিক  শিক্ষাৰে আগবঢ়াই লৈ যাব নোৱাৰো তেন্তে তেওঁলোকৰ  বাবে যি আইন প্ৰণয়ন কৰা হৈছে তেওঁলোকে সেই বিষয়ে আৰু নিজৰ অধিকাৰ সম্পৰ্কে কেতিয়াও সচেতন নহ'ব। গতিকে, এই লক্ষ্যবোৰত উপনীত হ'বলৈ মহিলা সকলৰ  শিক্ষাৰ ক্ষেত্ৰত যাতে সকলোতকৈ বেছি গুৰুত্ব প্ৰদান কৰে এই কথাখিনিকে মই ইয়াত পুনৰ বাৰ দোহাৰিছো। ইয়াৰ পিছত হ'ল, Economic Empowerment. আজি আমি আমাৰ ৰাজ্যখনক অৰ্থনৈতিক ভাৱে আগবঢ়াই লৈ যাব লাগিব আৰু ইয়ে আমাৰ প্ৰধান লক্ষ্য। এতিয়া এই লক্ষ্যটোৰে বহুতো দিশ সামৰি আছে যেনে Industrialization, Agriculture, Unemployment আদি বিভিন্ন দিশ ইয়াৰ লগত জড়িত হৈ আছে। তথাপিও মই এইয়ে ক'ম যে ৰাজ্যখনৰ যদি অৰ্থনৈতিক দিশটো শক্তিশালী কৰিব লাগে তেন্তে ই

আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান আৰু এই প্ৰত্যাহ্বান আমি সকলোৱে গ্ৰহণ কৰিব লাগিব। বিগত সময়চোৱাত আইন-শৃংখলাৰ ৰক্ষা কৰাটো আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান আছিল আৰু এই আইন-শৃংখলা পৰিস্থিতিটো ৰাজ্যত এতিয়া সুস্থ অৱস্থালৈ আহিছে। ইয়াৰ পিছতেই আমাৰ বাবে আন এক ডাঙৰ প্ৰত্যাহ্বান হৈছে যে বানপানী আৰু গৰা-খহনীয়া। সদনৰ মজিয়াত এই কথাবোৰ আমি প্ৰায় বিস্তৃত ভাবে আলোচনা কৰি আহিছো । বানপানী আৰু গৰা-খহনীয়াৰ প্ৰত্যাহ্বানটো গ্ৰহণ কৰি আমি যদি সঁচাকৈয়ে ৰাজ্যখনক sustainable ৰূপত আগবঢ়াই লৈ যাব বিচাৰো তেনেহ'লে আমাক ইয়াৰ বাবে এটা permanent solution লাগিব। আমি যিবোৰ আন্তঃগাঁথনি তৈয়াৰ কৰো, সেই আন্তঃ গাঁথনিবোৰ বানপানী আৰু গৰা-খহনীয়াক প্ৰতিৰোধ কৰিব পৰা হিচাপে তৈয়াৰ কৰিব লাগিব। আগতে মই যেতিয়া গড়কাপ্তানি বিভাগৰ মন্ত্ৰী আছিলো, তেতিয়া মই নিজেও এনেধৰণৰ কি ছুমান অসুবিধা অনুভৱ কৰিছিলো। আমি নতুন নতুন ৰাস্তা নিৰ্মাণ কৰো আৰু বানে হাজাৰ হাজাৰ কিঃমিঃ ৰাস্তা, দলং, স্কুল আদিৰ আন্তঃগাঁথনি উটুৱাই লৈ যায়। হাজাৰ হাজাৰ কোটি টকা নষ্ট কৰি বানে আমাক সৰ্বস্বান্ত কৰি পেলায়। আমাৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত প্ৰথম হেঙাৰটোৱে হ'ল বানপানী আৰু গৰা-খহনীয়া আৰু এই প্ৰত্যাহ্বানটোক গ্ৰহণ কৰি তাক নাইকিয়া কৰাৰ বাবে প্ৰথমে আমি পদক্ষেপ ল'ব লাগিব, তাৰ পিছতহে আমি economic growth ৰ দিশত আগবাঢ়িব পাৰিম।

বৰ্তমান আমাৰ কৃষি খণ্ডৰ ক্ষেত্ৰত দেখিছো যে ৰাজ্যখনৰ প্ৰায় ৮৫ শতাংশ লোক গাঁৱত বসবাস কৰে আৰু মাত্ৰ ১৫ শতাংশ লোকহে চহৰত বসবাস কৰে। যিহেতু, আমাৰ economy টো কৃষি ভিত্তিক economy , গতিকে আমি আমাৰ ৰাজ্যখনক সেইটো basis তে economic growth ৰ দিশে আগবঢ়াই লৈ যাব লাগিব আৰু তাৰ বাবে আমি কৃষি খণ্ডক সবাতোকৈ বেছি গুৰুত্ব প্ৰদান কৰিব লাগিব। এটা সময়ত কৃষি ক্ষেত্ৰত আমাৰ growth টো ৪ শতাংশ আছিল, কিন্তু এতিয়া এইটো হ্ৰাস হৈ ক্ৰমে ২ শতাংশ হৈছে। গতিকে, কৃষি খণ্ডৰ বিকাশৰ লগতে ই যাতে গোটেই ৰাজ্যতে নিবনুৱা সমস্যাটো সমাধান কৰিব পাৰে, আমি সেই ক্ষেত্ৰতো দৃষ্টি দিব লাগিব। আজি ৰাজ্য চৰকাৰে Advantage Assam অনুষ্ঠিত কৰিছে আৰু সেইটো আমি প্ৰশংসা কৰো কিয়নো আমাক Industrialization লাগিব। কিন্তু এই ক্ষেত্ৰত আমি আৰু এটা কথাও চাব লাগিব যে growth তথা industrialization ৰ নামত আমাৰ সম্পদ সমূহ যাতে আনে লৈ যাব নোৱাৰে। আমি এটা সমীক্ষাত দেখিছিলো যে, ভাৰতবৰ্ষত মুঠ জনসংখ্যা ১৩০ কোটি আছে আৰু ভাৰতবৰ্ষত যিমান সম্পদ আছে তাৰ ভিতৰত ১% লোকে কুক্ষিগত কৰিছে। অৰ্থাৎ এই ১ কোটি মানুহৰ সম্পদৰ ওপৰত অধিকাৰ হৈছে ৭৩% আৰু ১২৯ কোটি মানুহৰ সম্পদৰ ওপৰত অধিকাৰ হৈছে, ২৭% । গতিকে এইটো এটা সাংঘাটিক ধৰণৰ alarming situation আমাৰ কাৰণে আহিছে। সেয়েহে Industrialization যেতিয়া হ'ব তেতিয়া এই কথাবোৰো চাব লাগিব যে আমাৰ যি ভূমি আছে সেইটো যাতে সুৰক্ষিত হৈ থাকে। কাৰণ আজি আমি Industrialization ৰ কথা কৈছো আৰু ১০০ শতাংশ FDI (Foreign Direct Investment) ও হৈছে। আমাৰ চৰকাৰৰ সময়তো আমি FDI কৰিছিলো, আমি নাই কৰা বুলি নকওঁ। কিন্তু এটা কথা ঠিক যে, এই যি ১০০ শতাংশ FDI ৰ কথা আহিছে তাত লক্ষ্মণ ৰেখাটো আছে নে নাই সেই কথা খিনি চাব লাগিব। আমাৰ অসমৰ ভূমি কোনোবা পুঁজিবাদীৰ হাতলৈ যাব নেকি, আমাৰ ভূমিৰ প্ৰতি সুৰক্ষা কি হ'ব এনেধৰণৰ সকলো কথা চোৱাৰ যথেষ্ট খিনি প্ৰয়োজন আছে। গতিকে, আমাৰ সন্মানীয় ৰণোজ পেগু ডাঙৰীয়াই Sustainable Development Goal ত উপনীত

হ'বৰ বাবে আমি কেনেদৰে implementation কৰিম এই সক্ৰান্তত কিছু কথা ক'লে। অলপ দিন আগতে যেতিয়া অধ্যক্ষ মহোদয়ে Sustainable Development Goal ৰ ওপৰত আলোচনাৰ বাবে মাতিছিল তেতিয়া তাত মই কৈছিলো যে বৰ্তমান আমাৰ ৰাজ্যখনত যিটো Administration আৰু Governance আছে, সেইটো যথেষ্ট খিনি শক্তিশালী কৰিব লাগিব। আমাৰ existing mechanism ৰে যদি আমি good Governance কৰিব নোৱাৰো, আমাৰ প্ৰশাসনক যদি শক্তিশালী কৰিব নোৱাৰো তেন্তে আমি Sustainable Development Goals achieve কৰিব নোৱাৰিম। গতিকে, ইয়াৰ মূলতে হ'ল good Governance. সেইবাবে আমাক special mechanism লাগিব বা special purpose vehicle লাগিব যিয়ে Sustainable Development Goal ক well equipped কৰি তাৰ লক্ষ্যত উপনীত হ'ব পাৰে সেইটো নিৰীক্ষণ কৰি থাকিব লাগিব। দ্বিতীয়তে হৈছে, পুঁজি। বাজেট খনত Sustainable Development Goal ৰ যিটো Report দিয়া হৈছে, তাত Sustainable Development Goal ৰ লক্ষ্যত উপনীত হ'বলৈ কিমান টকা ঘাটি হৈছে সেই সকলোখিনি কথা উল্লেখ কৰিছে। গতিকে, বিভাগবোৰে এই ক্ষেত্ৰত লক্ষ্য ৰখা উচিত। সভাপতি মহোদয়, কেতিয়াবা এনেকুৱা হয় যে, বিভাগবোৰে টকা ৰাখিবই লাগে বাবে টকাখিনি এনেয়ে ৰাখি থয়। মই এবাৰ তেনেকুৱা পৰিস্থিতি দেখিছিলো। বাজেটত অকল টকা ৰাখিলেই নহ'ব, Planning টো grass root level ত properly হ'ব লাগিব। বাজেটৰ টকা যদি আমি properly implementation য়েই কৰিব নোৱাৰো তেন্তে আমি আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিম। উদাহৰণস্বৰূপে, Gender Budget ত মহিলাৰ বাবে এখন আঁচনি দিছো কিন্তু সেইখন implement কৰিব পৰা নাই, গতিকে তেনে ক্ষেত্ৰত আমি আমাৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিম। চৰকাৰ যদি সঁচাকৈয়ে serious আৰু Sustainable Development Goals ত উপনীত হ'বলৈ যদি তেওঁলোকৰ আন্তৰিকতা আছে তেন্তে মই এইটো কথায়ে ক'ম যে যিটো পুঁজি এই ক্ষেত্ৰত দিয়া হয় তাৰ প্ৰতি আমি সতৰ্ক দৃষ্টি ৰাখিব লাগিব আৰু বিত্ত বিভাগেও টকাবোৰ যিহেতুকে খৰচ কৰিছে গতিকে তেওঁলোকেও যাতে ইয়াৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখে। মই যোৱা বছৰ বাজেটত সময়ৰ নাটনিৰ বাবে অংশগ্ৰহণ কৰিব পৰা নাছিলো কিন্তু তেতিয়াও মই এটা কথাকে ক'ব বিছাৰিছিলো যে আমি Long Term এ হওঁক বা Short Term এ হওঁক যি ধৰণৰ আঁচনিয়ে হাতত নলওঁ কিয় আমাৰ বাজেটখনৰ পুঁজিখিনি purely এবছৰৰ বাবেহে ধাৰ্য কৰা হয়। সেয়েহে এবছৰৰ ভিতৰতে আমি পুঁজিখিনি খৰচ কৰিব লাগে। Sustainable Development Goal ৰ বাবে ১২ বছৰ কাল ধৰি দিয়া হয় আৰু এই ক্ষেত্ৰত চৰকাৰৰ ইতিমধ্যে দুটা বছৰ পাৰ হৈ গৈছে আৰু তিনি বছৰ কাল হাতত আছে। গতিকে, এই Goal খিনি fulfill কৰিবলৈ তিনি বছৰ কাল আমি গুৰুত্ব সহকাৰে কাম কৰিবই লাগিব। সেই অনুসৰি, ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ চনৰ বাবে ইয়াত যি লক্ষ্য ধাৰণ কৰা হৈছে সেই অনুযায়ী যাতে তেওঁলোকে পুঁজিবোৰ ব্যৱহাৰ কৰে, এইবোৰ কথাও আমি চাব লাগিব। Finance Department ত যিটো gap আছে সেইটোও তেওঁলোকে চাব লাগিব যিটো হয়তো State ৰ own resource ফালৰ পৰাও হ'ব পাৰে বা বিভিন্ন ধৰণৰ loan বা partnership ৰ বাবেও হ'ব পাৰে। গতিকে এই ক্ষেত্ৰত তেওঁলোকে Committee গঠন কৰিয়েই হওঁক বা অন্য কিবা উপায়েৰেই হওঁক এই গোটেই কথাখিনি চাব লাগিব। এইখিনিতে মই এটা পৰামৰ্শ দিব বিছাৰিছো যে, New Technology and Innovation আমাৰ বাবে অতি প্ৰয়োজন হৈ পৰিছে। আমি

আমাৰ ৰাজ্যখনত traditionally বহুত কাম কৰি আছো। ভাৰতবৰ্ষৰ বিভিন্ন ঠাই বা জিলা সমূহত আমি যেতিয়া যাওঁ, তাত তেওঁলোকে উন্নতমানৰ বহুত নতুন নতুন technology অনা দেখা গৈছে আৰু সেই technology সমূহৰ জৰিয়তে তেওঁলোকৰ কাম বিলাক সম্পন্ন কৰিবলৈ চেষ্টা কৰে। সভাপতি মহোদয়, অলপ দিন আগতে আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াক লগ কৰিবলৈ আমাৰ এটা team গৈছিলো, তেতিয়া তেওঁ এষাৰ কথা কৈছিল যে, "মই হাৰিয়ানাৰ পৰা অসমলৈ আহিছো আৰু অসমৰ বিশাল সাংস্কৃতিক বৈশিষ্ট্যত মই যথেষ্ট অভিভূত হৈছো" - তেওঁৰ সেই কথাষাৰ শুনি মই সঁচাকৈয়ে বৰ অভিভূত হৈছিলো। ইয়াৰ লগতে ৰাজ্যপাল ডাঙৰীয়াই আৰু এটা কথা কৈছিল যে, হাৰিয়ানাত তেওঁলোকে যিমান খিনি চাউলৰ খেতি কৰে তাৰ ৫০ শতাংশ চাউল গোটেই ভাৰতবৰ্ষতে ৰপ্তানি কৰা হয়। তেওঁলোকৰ খেতি পথাৰ বোৰত চাউলৰ খেতি কৰাৰ বাবে দুমাহৰ আগৰে পৰাই তেওঁলোকে preparation কৰে যাৰ ফলত তেওঁলোকৰ production yield টো খুব বেছি। গতিকে এই ক্ষেত্ৰত আমিও দৃষ্টি দিব লাগিব। আমাৰ অসমৰ economy টো হৈছে Agrarian economy. আমাৰ প্ৰায় ৭০ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল গতিকে নতুন technology অকল কৃষি ক্ষেত্ৰতেই নহয় সকলো ক্ষেত্ৰতেই আনিব লাগিব। আমি আগবাঢ়ি যাবলৈ হ'লে সকলো ক্ষেত্ৰতেই new technology, new innovation ৰ যথেষ্টখিনি প্ৰয়োজন আহি পৰিছে। এতিয়া new policy অৰ্থাৎ নতুন নতুন আইন প্ৰনয়ণৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে। এতিয়া আমাৰ এনেকুৰা কিছুমান আইন আছে যিটোৰ আইন নামতহে আছে। কিন্তু এই act বিলাক implementation কিমান হৈছে? এইখিনি কিন্তু আমি এতিয়াও খবৰ কৰা নাই। সেইকাৰণে এইক্ষেত্ৰত আমি যথেষ্ট দৃষ্টি দিব লাগিব। নতুন আইন আমি আনিছো। new industry গঢ়িবৰ বাবে। ease of doing business, Look East Policy, Act East Policy. এনেকুৰা ধৰণৰ policy বিলাক আমি লৈছো। কিন্তু এই policy বিলাক আমি চাইছেনে নাই, সেইমতে আমি লাভালাভ লব পাৰিছো নে নাই এই কথাবিলাকো লগতে চাব লাগিব। তাৰ লগতে মই এটা কথা উনুকিয়াই দিছো যে strong institution সিদিনা মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমাৰ পৰিবহন বিভাগৰ বেয়া হওঁতে কৈছে যে নহ'লে private ত দিব লাগিব। গতিকে সভাপতি মহোদয়, private ত দিব লাগিব এইটো কথা নহয়। প্ৰথম কথাটি হ'ল যিহেতু আমি আজি ব্যক্তিগত খণ্ডত চৰকাৰখনে কাম কৰি থাকো গতিকে আমাৰ প্ৰধান দায়িত্বটো হৈছে strong institution কৰা যে ৰাজ্যখনত যিবিলাক উদ্যোগ আছে আমাৰ public sector ত সেইবিলাক development ৰ ক্ষেত্ৰত আমি strong institution বনাব লাগিব। তাৰপিছত privatization. Partnership ৰ কথা ইয়াত লিখা আছে। প্ৰথমতে strong institution কৰক তাৰ পিছত PPP mode লৈ যাব। PPP mode ত যাওঁতে আমাৰ proper system এটাত যাব লাগিব। সেইটো মই নাই কোৱা। কিন্তু প্ৰথমে মই কম যে strong institution build up কৰিব লাগে যিবোৰে আমাৰ থলুৱা উদ্যোগ বিলাকক protection দিয়ে। শেষত মই এটা কথাই কম যে proper planing ৰ ক্ষেত্ৰত সকলোৰে অসুবিধাৰ সন্মুখীন হৈছো। আজি planing founder walks টো আমি যদি লক্ষ্যত উপণীত হ'ব লাগে তাৰ বাবে আমাক প্ৰথম লাগিব পৰিকল্পনা। মই এই কথাটো আন্তৰিকতাৰে ভাৱো যে আমাৰ সকলোৰে এটা নিজা লক্ষ্য থাকিব লাগিব। বিভাগৰ লক্ষ্য আছে, চৰকাৰৰ লক্ষ্য আছে। গতিকে লক্ষ্যত উপণীত হ'বলৈ হ'লে পৰিকল্পনা থাকিব লাগিব আৰু সঠিক পৰিকল্পনাইহে আমাক সঠিক ভাৱে আগবঢ়াই লৈ যাব পাৰে। আমি দেখিছো যে এতিয়া আমাৰ

সকলো বিভাগতে mechanically পৰিকল্পনা বিলাক কৰি আছে। মই নকওঁ যে আমি ভালকৈ কৰিব পাৰিছো beacause we are also part of this. গতিকে আমি চৰকাৰখনক কম যে সঠিক পৰিকল্পনা কৰিব লাগিব। পৰিকল্পনা বিলাক এনেকুৱা হ'ব লাগিব যে সংহত পৰিকল্পনা, integrated planning. মই এটা পৰিকল্পনাৰ কথা কোৱা নাই, single approach ৰ কথা কোৱা নাই। মই integrated planning ৰ কথা কৈছো। আজি মই নিজৰ সমষ্টিতে সৰু সৰু কথাবিলাক দেখিছো। খেতিৰ ক্ষেত্ৰত আমি আমাৰ পথাৰ বিলাকত অকল traditional খেতি বিলাকেই কৰিছো। তাত আমি মাছ পুহিব পাৰো নেকি? তাত আমি বিভিন্ন ধৰণৰ integrate কৰি পেলাই কাম বিলাক কৰি যাব পাৰো নেকি এই পৰিকল্পনা বিলাক integration নহয়। মই পোৱা কিছুমান অসুবিধাৰ কথা কওঁ। আমাৰ সকলোতে individualistic view. কোনে এটা বিভাগ যেনিবা মই স্বাস্থ্য বিভাগতে সুধিলো যে আপুনি এই কথাটো জানে নেকি? লগে লগে কয় যে মই এই কথাটো নাজানো । এইটো health ৰ নহয়, PHE বিভাগৰ কাম। PHE ক যদি সোধো কয় যে এইটো আমাৰ নহয় সমাজ কল্যাণ বিভাগৰ কাম। গতিকে এটা বিভাগৰ কাম এটা বিভাগৰ লগত সমন্বয় থাকিব লাগে। এই integration টো আমাৰ নাই। এই integration টো নোহোৱাৰ বাবে বিভাগ বিলাকৰ approach টো individualistic approach. সেয়ে আমি বহু ক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাই। সেয়ে কলো যে আমাৰ পৰিকল্পনা সঠিক হ'ব লাগিব। আজি মাজুলীৰ বাবে যিটো পৰিকল্পনা হয় গোলাঘাটৰ বাবে সেইটো পৰিকল্পনা নহয়। আজি বৰাক ভেলীৰ বাবে যিটো পৰিকল্পনা অন্য সমষ্টিৰ বাবে সেইটো পৰিকল্পনা নহয়। তাত বিভিন্ন ধৰণৰ সমস্যা থাকিব। গতিকে পৰিকল্পনা বোৰত সকলো ক্ষেত্ৰতে আমি গুৰুত্ব দিব লাগিব। বিভাগীয় মন্ত্ৰী সকলে কৰা পৰিকল্পনা যিধৰণৰ পৰিকল্পনাই নহওঁক কিয় যদিহে আমি সচাঁকৈ লক্ষ্যত উপনীত হ'ব লাগে তেতিয়াহ'লে proper planning ত থাকিব লাগিব। এতিয়া মই আহিছো role of public representatives যে অধ্যক্ষ মহোদয়ে আমাক মাতিছে ইয়াত আমি দেখিলো যে হয়, এতিয়া আমি লক্ষ্যভেদ কৰিব লাগিব মোৰ মনত পৰিছে অৰ্জুনে যেতিয়া লক্ষ্য ভেদ কৰিবলৈ গৈছিল তেতিয়া অৰ্জুনক সুধিছিল যে কি দেখিছা, তেওঁ কৈছিল যে মাছৰ চকু দুটা। গতিকে আমাৰ বিধায়ক সকলক দায়িত্ব দিছে যে আমাৰ নিজৰ নিজৰ এলেকাত limited ক্ষমতাৰে আমি আগ বাঢ়িম। কিন্তু চৰকাৰ খনে লক্ষ্য ভেদ কৰিব লাগিব, চকু দুটা দেখা পাব লাগিব। তেতিয়াহে তেওঁলোকে লক্ষ্য ভেদ কৰিব পাৰিব। আমাক যিটো দায়িত্ব দিছে আমি সেইটো আন্তৰিকতাৰে গ্ৰহণ কৰিছো। কিন্তু আমাৰ দায়ত্বটো হ'ল আমি তাত গৈ monitoring কৰা। প্ৰত্যেকটো বিভাগে আমাক monitoring ৰ দায়িত্ব দিয়ে। আজি আমাক Rural Development এ আমাক monitoring ৰ দায়িত্ব দিছে। ঠিক তেনেদৰে শক্তি বিভাগ, সমাজকল্যাণ বিভাগে আমাক monitoring ৰ দায়িত্ব দিছে আৰু আমি গ্ৰহণ কৰিছো। কিন্তু আমাৰ অসুবিধাটো হৈছে যে তাত আমি monitoring কৰোতে আমি বিষয়া সকলৰ লগত আলোচনা কৰো, সমস্যা বিলাক উনুকিয়াই দিওঁ। There is no grievances redressal mechanism at the grassroot আমাক আপোনালোকে দায়িত্ব দিছে আমি আন্তৰিকতাৰে গ্ৰহণ লৈছো। কিন্তু ললেও সেইমতে ফল পাব লাগিব। গতিকে সেই ফলটো পাবৰ বাবে চৰকাৰে কিবা এটা mechanism কৰক যে আমি ১২৬ টা সমষ্টিৰ প্ৰত্যেকজন বিধায়কে নিদিষ্ট লক্ষ্যত যদি উপণীত হ'ব লাগে তাত grievances বিলাক redressal হ'ব লাগিব। মই এটা সৰু উদাহৰণ দিছো। মোৰ সমষ্টিত

যিখন জিলা চিকিৎসালয় তাত ICU এটা গৃহ বনাই হোৱাৰ পিছতো তাত বছৰ বছৰ ধৰি মই মন্ত্ৰী ডাঙৰীয়াক কেইবাবাৰো চিঠিও দিলো। কিন্তু সেই ICU বোৰত আজিলৈকে ডাক্তৰ নাহিল, নাৰ্চ নাহিল যাৰ বাবে মোৰ গোলাঘাট জিলাত কিমান হাজাৰ হাজাৰ ৰোগীয়ে ক'মাত মৃত্যুবৰণ কৰিবলগীয়া হৈছে ভাবিব নোৱোৰো। এইটো বৰ দুখৰ কথা। যদিহে grievances redressal mechanism যদি নহয়, আমি বিধান সভাত দায়িত্ব লওঁ কিন্তু এই দায়িত্ব বিলাক বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰো। সেই কাৰণে মই প্ৰথমতেই কলো যে এইটো সঁচাকৈ আমি ভাল পাইছো। বিশেষকৈ মই সঁচাকৈ আনন্দিত হৈছো যে আমাৰ এটা লক্ষ্য থাকিব লাগে। আজি এইটো এটা Global agenda তেওঁলোকে বিশ্বৰ বিভিন্ন দেশ বিলাকে নিদিষ্ট ১৭ টা লক্ষ্যৰে বিশ্বত আগবঢ়াই লৈ যাব বিচাৰিছে। ভাৰতবৰ্ষখনক ১৭ টা লক্ষ্যৰে বিশ্বত আগবঢ়াই নিব বিচাৰিছে আৰু অসম খনক আজি ১৭ টা নিদিষ্ট লক্ষ্যৰে আমি আগবঢ়াই নিব বিচাৰিছো। তাত আপোনালোকে দায়িত্ব গ্ৰহণ কৰিছে গতিকে ইয়াতকৈ আৰু আনন্দৰ কথা নাই। কিন্তু আমি ইয়াক grassroot লৈ যাব লাগিব, সজাগতা আনিব লাগিব এই ১৭ টা লক্ষ্যত উপণীত হ'বৰ কাৰণে আৰু যদিহে এই ১৭ টা লক্ষ্যত সঁচা অৰ্থত উপণীত হ'ব পাৰো তেতিয়া হ'লে সভাপতি মহোদয়, আমাৰ চাবলৈ মন আছে যে এনেকুৱা লক্ষ্যত আমাৰ ভৰতবৰ্ষখন উপণীত হ'ব পাৰে। আমাৰ ৰাজ্যখনো আজি উপণীত হ'ব পাৰে। সেয়ে মই এই কথাখিনি চৰকাৰক দৃষ্টি দিবলৈ অনুৰোধ জনালো যে যিখন আমাৰ Sustainable Development Goal এই Goal যদি আমি সঁচা অৰ্থত উপণীত হ'ব লাগে তেতিয়া এটা social mechanism কৰিব লাগিব আৰু সেই mechanism ৰে এটা individualatic নহয় এটা holistic approach চৰকাৰখনে গ্ৰহণ কৰিব লাগিব। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। ইয়াৰ পিছত মই মাননীয় সদস্য শ্ৰী ইমানুৱেল মুছাহাৰী দেৱক ক'বৰ বাবে অনুৰোধ জনালো।

**শ্ৰী ইমানুৱেল মুছাহাৰী ঃ** ধন্যবাদ। সভাপতি মহোদয়, আজি Sustainable Development Goal ৰ বিষয়ে দুআষাৰ বক্তব্য দিবলৈ সময় দিয়াৰ বাবে। প্ৰথমে আমি উন্নয়ন আৰু development কি বস্তু সেই বিষয়টো যদি বুজি পাওঁ তেতিয়া আমি জীৱনৰ মানদণ্ড উন্নীত কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। গতিকে ২০১৫ চনৰ চেপ্তেম্বৰ মাহত United Nation এ যিটো সিদ্ধান্ত গ্ৰহণ কৰিছিল ১৭ টা যিটো Sustainable Development Goal সেই Goal উপণীত হ'বৰ বাবে ২০৩০ লৈকে সময় দিছিলে। আমাৰ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই এটা vision দিছে যে ২০২২ ৰ ভিতৰত ভাৰতবৰ্ষখন নতুন এখন ভাৰতবৰ্ষ অৰ্থাৎ New India হিচাবে এটা টাৰগেট কৰি লৈছে। গতিকে আমি যদি কওঁ যোৱা বছৰৰ যিটো বাজেট ইয়াত place কৰিছিলে আৰু এইবাৰৰ যিটো বাজেট বিশেষকৈ most of the budget যিবিলাক দিছে এইবিলাক alignment with the Sustainable Development. এইটো আমি লক্ষ্য কৰিছো আৰু এইটো আমি লক্ষ্য কৰিছো আৰু ইয়াত 41 Nos. of Central sponsored succeed scheme যিবিলাকৰ কোৱা যায় ইয়াত ৪১ স্কীম তেই সোমাই আছে। ১৭ যিবিলাক টাৰগেট আছে এইবিলাক ইয়াৰ ভিতৰতেই সোমাই আছে। গতিকে এতিয়া আমি Sustainable Development ৰ টাৰগেটত উপণীত হ'ব লাগিলে ইয়াৰ অন্তৰায় কি আছে what are the hindrances? মই ভাৱো আজিৰ দিনত আমাৰ funding ৰ অভাৱ নহয় আৰু কেতিয়াবা এই funding বিলাক যে liberal funding হ'ব বিশেষকৈ আমাৰ ভাৰতবৰ্ষৰ

ক্ষেত্ৰত যে পৰ্য্যাপ্ত পৰিমাণে funding পাম এইটো সম্ভৱ নহয়। গতিকে মই ভাৱো যে optimization of the available resources. গতিকে Sustainable Goal ত উপণীত হ'বৰ বাবে আমি available resource বিলাক optimize utilization কৰিব লাগিব। optimization of the resources or the maximization of the resources কৰিব লাগিব। secondly নতুনকৈ গঠন হোৱা বাকসা জিলা it is one of the back ward district. গতিকে Sustainable Development ত এজন leadership লাগিব।গতিকে সেই Sustainable Development Goals ত এজন Leadership লাগিব। গতিকে Leadership ৰ অন্যতম এটা অভাৱ। এই Sustainable Development এটা যদি অন্তৰায় হিচাপে Leadership আনি লব পাৰো। তৃতীয়তে, হিচাপে কি হৈ গ'ল যে আমাৰ অলপতে শ্ৰী মতী অজন্তা নেওগ বাইদেউয়ে ক'লে যে, ইয়াত integrated development ৰ কথা কৈছে।। গতিকে নিশ্চয় কম convergence ৰ কথা আহি গৈছে, ইয়াত। এটা বিভাগৰ লগত এখন ঠাই উন্নত কৰিবলৈ হ'লে এটা বিভাগৰ লগত হাত চুব যাওতে অন্য এটা বিভাগো আহি যায়। গতিকে ই এটা নিশ্চয় convergence ৰ ব্যৱস্থাটো আছে। আৰু সেই convergence ৰ ব্যৱস্থা যদি আমি কৰিব পাৰো, তেন্তে সেইটো ভাল এটা ফল আমি পাম। চতুৰ্থতে, মই সেইটোকে কম যে, Sustainable Development Goals opening হোৱাৰ অন্যতম এটা অন্তৰায় হিচাপে ইয়াত আমাৰ Participation লাগিব। সেই Goals ত উপনীত হ'বলৈ হ'লে আমি প্ৰতিজন মানুহে অংশ গ্ৰহণ কৰিব লাগিব আৰু public representitive হিচাপে নিৰ্বাচিত এজন সদস্য হিচাপে আমাৰ দায়িত্বটো বেলেগ। এজন সাধাৰণ মানুহে হিচাপে এখেতসকলৰ দায়িত্বও আছে, গতিকে সমাজত এখন গাঁৱৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰ পৰ্য্যায়লৈকে সাধাৰণ এজন খেতিয়কৰ পৰা আৰম্ভ কৰি এজন কবলৈ গ'লে এজন বিজ্ঞ এজন Scientist ৰ লৈকে প্ৰতিজনৰে সেই কাৰ্য্যত উপনীত হ'বলৈ হ'লে Sustainable Development ত উপনীত হবৰ কাৰণে আমাৰ Participation টো অতিকৈ প্ৰয়োজন। গতিকে আজিৰ দিনত Sustainable Development ত উপনীত হ'বলৈ হ'লে must movement ৰ প্ৰয়োজন আছে। উন্নয়নৰ কাৰণে এটা must movement আমাক লাগিব। গতিকে সেই Sustainable Development ৰ প্ৰয়োজনীয়তা আমি অনুভৱ কৰিলো যে, যোৱা দুশ বছৰত যদি আমি চাও যে আমাৰ যিমান বিলাক Development ৰ Agenda আছিলে যিমানবিলাক programme লৈছিলে, সেইটো Unsustainable এটা Consumption. Need and Want যে আমি বিচাৰো এনেকুৱা । কিন্তু practically আমাক কিমান প্ৰয়োজন আছে। আমাৰ প্ৰকৃতিয়ে আমাক কিমানলৈকে Sustain কৰিব পাৰে। আমাৰ লোভটো সামৰিব নোৱাৰিব। কিন্তু আমাৰ Needs খিনি প্ৰকৃতিয়ে সেইটো আমাক দি আছে বা দিব পাৰে। গতিকে আজি বিশেষকৈ যেতিয়া Sustainable Development ৰ বিষয়ে Parliament ত আমি শুনিছো যে, চাৰিবাৰলৈকে আলোচনা কৰিলে। আমাৰ ইয়াত আমি বিধায়ক সকলে অংশ গ্ৰহণ কৰিলো। বহুতো বিজ্ঞসকলে নিজৰ নিজৰ বক্তব্য ৰাখিলে আজি Sustainable Development ৰ বিষয়ে আৰু দুটা বাজেট বিশেষকৈ Sustainable Development ৰ ওপৰত নিৰ্ভৰ কৰিয়েই যিমান presentation কৰিছে a lining with the Sustainable Development or in complies with the Sustainable Development Goals টোক লৈয়ে।

**মাননীয়অধ্যক্ষ ঃ** এক মিনিট। আপুনি Continue কৰক। মই House পৰা permission

এটা লওঁ যে, তেখেতে Continue কৰি তেখেতৰ ব্যক্তব্যটো আজি সম্পুৰ্ণকৈ কওক। তেতিয়ালৈকে House টো Extend কৰিব বিচাৰিছো। তেখেতে কোৱালৈকে। তাৰ পাছত আমি সোমবাৰৰ পৰা অলপ পাৰো নেকি মই পিচত পাতিম। তেখেতে শেষ কৰক। আপুনি সেই কাৰণে সময়ৰ কথাটো নাভাবিব। কওঁক। House ৰ টো একো অসুবিধা নহয়।

**শ্ৰী ইমানুৱেল মুছাহাৰী, তামোলপুৰ ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, Sustainable Development ৰ বিষয়ে এই সম্পৰ্কে কি অন্তৰায় আছিলে যে, Sustainable Development আমাক কিয় লাগে বা কিয় Target লব লগা হ'ল। গতিকে আজি বিশেষকৈ অসমৰ ক্ষেত্ৰত বা সমগ্ৰ ভাৰতবৰ্ষৰ ক্ষেত্ৰত নাইবা অসমৰ অন্য এখন জিলা নাইবা গাওঁ তাত আমি দেখা পাওঁ যে, বিশেষকৈ ভাৰতবৰ্ষৰ interesting এখন country. যি ৰাষ্ট্ৰখনত উন্নত Super State আমি কেৰেলা হিচাপে পাওঁ, কিন্তু দেখা গ'ল যে, আমাক যে Indian Economy, high growth বা CBR Development Challenges, অন্য ফালেদি যথেষ্ট Super State বিলাক আছে । কেৰেলাৰ কথাই ক'লো। সেই কেৰেলা ৰাজ্যখনত এনেকুৱা এটা উদাহৰণ আছে যে, NCR য়ে এটা উদাহৰণ দাঙি ধৰিছিলে Survey ত পাইছিলে যে, Class V,VI ত পঢ়া ল'ৰা-ছোৱালী বিলাকে minimum basic Match খিনিৰ plus minus কৰিব নাজানে। গতিকে এনেকুৱা উদাহৰণো আছে। এনেকুৱা উদাহৰণ আছে অসমৰ ক্ষেত্ৰত আমি কিছুমান Social index ত যথেষ্ট ওপৰত গ'লো। কিন্তু যেতিয়া তুলনামূলকভাৱে পাচঁ-ছয়টা বছৰত গ্ৰাফটো যদি আমি চাওঁ যে, Child Mortality Rate. Mortality Rate কমি আহিছে। কিন্তু All India basis ত আমাৰ যথেষ্ট এতিয়াও তলত আছে। গতিকে কোনোবা এখন ৰাজ্যত আগবাঢ়িছে কোনোৰা এটা Social indication ৰ ক্ষেত্ৰত indicator হিচাপে অন্য এখন ৰাজ্যত তাত তলত গৈছে। কোনোবা ওপৰত নামিছে। গতিকে Over all Picture টো হ'ল যে Sustainable Development হোৱা নাই। গোটেই বিষয়বস্তু বিলাক সামৰি এটা উন্নত মানুহ হিচাপে জীৱনৰ মানদণ্ড উন্নত কৰাৰ কাৰণে এটা Sustainable Development আমাৰ ৰাষ্ট্ৰসমূহে সেইটো বজাই ৰাখিব পৰা নাই। গতিকে আজি আৰু এখন ৰাষ্ট্ৰ নাইবা এখন ৰাজ্য in isolation exist কৰিব নোৱাৰে, গোটেই বিশ্বখন এটা কবলৈ গ'লে আজিৰ দিনত এটা global এখন গাওঁ, global এখন village. অন্য এখন ৰাষ্ট্ৰ যদি উন্নত নহয়। গোটেই বিশ্বখনক উন্নত হোৱা বুলি ধৰা নাযায়। ঠিক তেনেধৰণে এখন ৰাষ্ট্ৰৰ ভিতৰত যে আমাৰ aspiration district বিলাক আছে ১১৫। সেই ১১৫ খন যদি অন্যান্য আগবঢ়া জিলাসমূহৰ মাজত যদি একেলগে যদি সমানে খোজ মিলাব নোৱাৰে, তেন্তে সেই ৰাষ্ট্ৰখনক আমি উন্নত সফল হোৱা বুলি কব নোৱাৰো। গতিকে আজি আমি কিছুমান identity কৰিলো যে, আমি কিয় আগবাঢ়িব পৰা নাই। Sustainable Development ৰ প্ৰতি আমি কিয় আগবাঢ়িব পৰা নাই। মই অলপ আগতে ক'লো যে আমাৰ নিশ্চয় এটা Leadership ৰ প্ৰয়োজন হ'ব। আমি সেইটো অলপ অভাৱ অনুভৱ কৰিছো। আৰু ঠিক তেনেকৈ infrustructure growth ৰ যি প্ৰয়োজন আছিলে। বিশেষকৈ manpower আজিৰ দিনত মই এটা উদাহৰণ দাঙি ধৰিছো যে, Rural Development one of the most important এটা Department. কিন্তু আজি কোনোবাই এখন জিলা বিশেষকৈ মোৰ জিলাখনৰে কথা কম যে, বাক্চা জিলাত এটা Rural Development ৰ এজন Executive Engineer নাই। গতিকে কোনো Technical বিষয় নোহোৱাকৈ এখন জিলাৰ উন্নয়ন কাৰ্য্যবিলাক কি ধৰণে সম্ভৱ। গতিকে নিশ্চয় এইটো অন্তৰায় হিচাপে হ'ব। অন্যফালেদি হ'ল যে,

ইয়াত সেই উন্নয়নৰ প্ৰতি সেই Participation বিলাক কেনেকুৱা হৈছে। গতিকে Public Representitive হিচাপে আমাৰ participation কেনেকৈ হ'ল, আমাৰ দায়িত্বটো কি আছে। আমাৰ দায়িত্ব হ'ল যে, এনেকুৱা Legislation আনক এটা strong এটা institution যি institution ৰ নিৰ্ভৰ কৰি এটা good Governance নাইবা আমি monitoring বিলাক কৰিব পাৰো। যিবিলাকে আইন মানি চলা নাই এখেতসকলৰ পৰা যাতে নিশ্চয় এটা বিহীত ব্যৱস্থা কৰিব পৰা যায়। তাৰ পাছত থাকিল যে, Transperancy. আমি বহুবাৰ কৈ আছো। আমাৰ চৰকাৰখনৰ এইবাৰ লক্ষ্য হ'ল যে, এটা Zero tolerance, corruption ৰ প্ৰতি সহনশীল, যিটো মনোভাৱৰ ব্যৱস্থা। গতিকে আজিৰ দিনত যদি minimize যদি কৰিব নোৱাৰে যে Transperancy যদি বজাই ৰাখিব নোৱাৰে, সেইটো এটা Sustainable Development ৰ প্ৰতি এটা অন্তৰায় এটা হ'ব। গতিকে সেই বিষয়বস্তু বিলাকত যদি আমি নজৰ ৰাখো, নিশ্চয় আমাৰ ৰাষ্ট্ৰখনে ২০৩০ত নহয়। যেনেকৈ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ২০১২ ৰ কথা কৈছে যে, তেনেকৈ Vision এটা ৰাখিছে যে ২০১২ ৰ ভিতৰত আমাৰ double income হ'ব লাগে Agriculture বিলাকৰ। আমাৰ কৃষি যি double income ৰ কথা আহিছে আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰিয়েই এটা Mega Mission হিচাপে আমাৰ অসমতো আৰম্ভ কৰিছিলে যে, অসমত যিমান বিলাক Revenue Village বিলাক আছে, যিবিলাক census village আছে। প্ৰতিখন census village সমূহত একোখনকৈ ট্ৰেক্টৰ দি এটা mechanisation কৃষি কেন্দ্ৰত এটা আমুল পৰিবৰ্তন এই mechanisation অনাৰ যিটো প্ৰক্ৰিয়া আছিল, সি এটা Mega Mission. সেইটো হ'ব ভাৰতবৰ্ষৰ কোনো এখন ঠাইত হোৱা নাই। অসমত প্ৰথমবাৰৰ বাবে কৰিবৰ বাবে চেষ্টা চলাইছে। গতিকে নিশ্চয় লেখত লবলগীয়া। নিশ্চয় সেই বিষয়বস্তু Sustainable Development ৰ যিটো Goal, সেইটো Goal ত নজৰ ৰাখিয়ে সেইটো প্ৰস্তুত কৰা হৈছে বুলি আমি ভাবো। গতিকে আজি ইয়াৰ ভিতৰতে মই কব বিচাৰিছো যে, Sustainable Development ৰ যিটো Goal and the aspiration of district. এতিয়া আমি যদি চাওঁ যে, আগত আছিলে যে, BRGF (Backward Reason Grants Fund) আৰু সমগ্ৰ অসমত এতিয়া ১৩ খন আমি জিলাক BRGF হিচাপে identify কৰিছিলো। কিন্তু এইবাৰ অসমত aspiration district বুলি কোৱা হৈছে যে policy কোৱা হ'ল যে, Backward শব্দটো ব্যৱহাৰ নকৰি aspiration district বুলি কোৱা হৈছে। আৰু এইবাৰ ৭ খন আমাৰ অসমত চিহ্নিত হৈছে। আৰু সেই চিহ্নিত হোৱাৰ আগত যিটো সিদ্ধান্ত আছিলে, সেইবিলাক এটা Political issue নাছিলে। এইবাৰ সাতখন জিলা হিচাপে চিহ্নিত হ'ল সমগ্ৰ অসমত ১১৫ খন জিলা হিচাপে aspiration district হিচাপে যি চিহ্নিত হ'ল এইটো সম্পূৰ্ণ তথ্যভিত্তিক এটা objective বা যিবিলাক Social indicator ত আছে, সেই Social intrigation ৰ ওপৰত নিৰ্ভৰ কৰি সেইটো চিনাক্ত কৰা হৈছে। গতিকে সেই aspiration district বিলাকতো আমি আগুৱাই নিব লাগিলে সেই জিলাসমূহৰ মূল অন্তৰায় উন্নয়নৰ অন্তৰায় হিচাপে কি আছে।. আমি যদি জিলা ভিত্তিক চাওঁ, মই আগতেও কৈছিলো যে ledership ৰ অভাৱ। অন্যতম এটা অন্তৰায় হিচাপে ledership ক আমি ধৰি লৈছিলো। গতিকে এতিয়া যদি এটা অধ্যয়ণ কৰো, আমাৰ বহুতে নিশ্চয় এই বিষয়ে জ্ঞাত যে ছত্তিশগড়ত ডাণ্টেৱাৰা হ'ল leftist extremist infested area যথেষ্ট পিছ পৰিছে। তাত কবলৈ গলে যথেষ্ট অশান্তিকৰ পৰিবেশৰ সৃষ্টি

হৈছে। left extremistim infested areas. গতিকে সেই জিলা সমুহত দেখা গ'ল যে young officer posting দি এখেত সকলে নতুন এটা পৰিৰৰ্তন আনিবৰ কাৰণে সক্ষম হ'ল। বিশেষকৈ আমি যেতিয়া Aspiration District,ত আমি যাওঁ, নাইবা Sustainable Development Goal,ত যদি আমি উপনীত হব বিচাৰো তেতিয়া শিক্ষা অন্যতম। তাৰ পাচত gender equlity সেই বিলাক হৈছে অন্যতম । দেখা গ'ল যে এই জিলা বিলাকত বিশেষকৈ ডাণ্টেৱাৰা এটা উদাহৰণ হিচাপে মই ডাঙি ধৰিছো। আমাৰ প্ৰতিজন সদস্যই এই বিষয়ে জানে। ইয়াত যি available resources আছে , কবলৈ গলে other than the normal, যেতিয়া Fund Flow হয়, Budgeted যেতিয়া normal fund flow হয় Govt.of India বা central sponsored scheme বা State specific ৰ বাদেও যি normal fund flow হয়, সেই fund বিলাক তুলনা মুলক ভাৱে কোনো জিলাত কম বেছি হিচাবে নাযায় । তুলনা মুলক ভাৱে fund বিলাক অলপ ইফাল সিফাল হয়। কিন্তু কম বেছি পৰিমানে সমানে fund বিলাক সমানে flow হয়। গতিকে ইয়াৰ বাদেও এখেত সকলে identify কৰিলে ২টা resources এটা হ'ল CRS fund, central sponsored Corporate social Responsibility fund কৰি আছে আৰু ইয়াৰ বাহিৰেও District Mineral foundation, বা trust ৰ পৰা যিটো পইচা আহে, সেই সমুহৰ পৰা এখেত সকলে কি কৰিলে , এটা Residencial School ৰ কাৰণে ব্যৱস্থা কৰিলে। এই পইচা বিলাক নি ডক্টৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰিলে । দেখা গ'ল ২ টা বছৰত Dantewada, যথেষ্ট পিছপৰা, সেই অঞ্চল সমুহে, আজি অন্যতম এখন জিলা হিচাপে উন্নত কৰিবৰ কাৰণে সক্ষম হ'ল। গতিকে ইয়াত ledership ৰ presence টো দেখা গ'ল। ২য়তে হ'ল এখেত সকলে optimize কৰিলে funding টো, optimization of maximization of the fund. 3rd টো হ'ল participatory. participation টো আমি দেখা পালো, যে সাধাৰণ শ্ৰেণী বিলাকৰ পৰা আৰম্ভ কৰি যে যি সকল corparate social responsibility ৰ ফালৰ পৰা যি দায়িত্ব এখেত সকলে বহন কৰিলে। ইয়াত দেখা গ'ল যে inclusive এটা society দেখা গ'ল। শিক্ষাটো এটা mass movement ত পৰিনত হৈ গ'ল। কিহৰ কাৰণে? ledership এটা strong ledership. পইচা যি আছে minimum পইচাৰে maximum এখেত সকলে কামত ব্যৱহাৰ কৰিলে। গতিকে সেইটো ফালৰ পৰা আমি ভাৱো যে আজি অসম চৰকাৰৰ ফালৰ পৰা যি বাজেট আমি ইয়াত পালো, ইয়াত আমি পঢ়িলো, গোটেই বাজেট বিলাক পঢ়িলো আৰু সেই মোৰ যি সীমিত জ্ঞানৰ পৰা বুজি পাইছো ইয়াত গোটেই ১৭যি বিলাক goal আছে, 17 goals ত সেই বাজেটৰ যি presentation ত এই গোটেই বিলাকৰ এটা in alignment সৈতে sustainable Development ৰ লক্ষ্য ৰাখি সেই বাজেটত আমি বিচাৰি পালো। গতিকে সেই কাৰণে মই কৈছো যে আমি যথেষ্ট আশাবাদী। গতিকে আমাৰ Role হিচাপে কি হব? গতিকে ইয়াত আহি গ'ল যে M LA বিলাকৰ, জনপ্ৰতিনিধি হিচাবে আমাৰ উদ্দেশ্য কি হব? আমাৰ কৰ্তব্য কি হব? এজন নিৰ্বাচিত সদস্য হিচাপে, being a policy maker, আমি এজন আইন প্ৰণয়ন কৰ্তা হিচাপে, ইয়াত আহি গ'ল। এই গোটেই বিলাক chapter দিবৰ কাৰণে এটা strong institution আছে নে নাই? ইয়াৰ এটা Governance আছে নে নাই লক্ষ্যত উপনিত হ'বৰ কাৰণে। গতিকে ইয়াত আহি পৰিব আমাৰ role কি? জনপ্ৰতিনিধি হিচাপে। আৰু নিশ্চয় ইয়াত আহি পৰিব monitoring and vigilance. গতিকে বিষয় বস্তুৰ ওপৰত আহি গ'ল

এটা theme spirit, যে Theme India ই হওঁক, গতিকে আজি আমাৰ ভাৰতবৰ্ষখনত Theme Leader ৰৰ অ ভাৱ হোৱা নাই। ঠিক তেনেকৈ, আমাৰ অসমৰ ক্ষেত্ৰতটো নিশ্চয় এটা শক্তিশালী এটা theme হিচাপে Assam হিচাপে আমি বাৰে বাৰে উল্লেখ কৰিছো। আৰু বহুটো ক্ষেত্ৰত theme Assam টো কোৱা যায়। গতিকে নিশ্চয় আমাৰ যিটো Target আছে, ২০৩০ নহয়, ২০২২ চনৰ প্ৰধান মন্ত্ৰীয়ে যিটো Vision দিছে,নিশ্চয় আমি কাৰ্য্যত উপনীত হব পাৰিম। কিন্তু ইয়াত মই সমগ্ৰ 17 Sustainable Developnent ৰ stress দিব বিছৰা নাই। মই stress দিব বিচাৰিছো বিশেষকৈ তিনিটা points ত। সেই কেইটা হ'ল যে -

১) Sustainable Developnent যদি আমি ১০০% উপনিত হব লাগে, যেতিয়া আমি উন্নয়ণটো যেতিয়া আমি mass movement ত পৰিনত কৰিব পাৰিম।

২) আমি যিমানেই উন্নয়ণ নকৰো কিয়, যিমানেই growth নহওক কিয়, কাৰণ আমাৰ 7.3 Economic Growth হৈ আছে। সমগ্ৰ বিশ্বৰ ভিতৰতে অন্যতম Economic Growth আমি China ক চেৰ পেলাবলৈ গৈ আছো, কিন্তু Population যদি stabilize নহয়, আমাৰ যিবিলাক Growth হৈ আছে কিন্তু সেইটো কাৰ্য্যক্ষম কৰিব নোৱাৰিম।। 2nd point টো হ'ল Stabilization of the population সমগ্ৰ ভাৰতবৰ্ষত কেৰল অসম নহয়, population growthটো stabilize হব লাগে।

৩) যিহেতু মই প্ৰতিনিধিত্ব কৰো, Aspirational District ৰ পৰা, বাক্সা জিলা, এইবাৰ বাক্সা স্পেচিফিক নাইবা Aspirational District specific ৭খন জিলা আমাৰ ইয়াত আছে, বিশেষ এটা আমি package দেখা নাই। নিশ্চয় অহাবাৰ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই ৭ খন জিলাৰ কাৰণে এটা spcific budget ধৰে, এই ৭ খন ৰে যোৱা, যি সকল ভাই হওঁক বা ভনী হওঁক, আমাৰ ৩৩ খন জিলাৰ ভিতৰত সেই ৭ খন জিলাই যদি অন্যান্য জিলাৰ লগত সমানে খোজ মিলাই যদি যাব পাৰে, তাৰ কাৰণে Specific Budget এটা যদি অহাবাৰ ৰাখে। এইখিনি কৈ মোৰ বক্তব্য সামৰণিমাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। আজি unfortunately আমি যিমান সময় দিব লাগিছিল, দিব নোৱাৰিলো। I think, every member has met me in my chamber, most of the members. They said that it should be extended. কিন্তু আজি আমি আৰু extand নকৰো, আজি ইমানতে আমি শেষ কৰিম। Next দিনা, আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই আৰম্ভ কৰিব, বাকী সকল সদস্যই ও লব। আমি ভাবিছো, সেই কাৰণে আপোনালোকৰ এটা approval এটা লব বিচাৰিছো, আমাৰ হাতত সোমবাৰ আৰু বুধবাৰ, দুটা দিন আছে। আমাৰ মুঠতে ৫ দিনৰ কাৰ্য্যসূচী আছে, কিন্তু সোমবাৰ আৰু বুধবাৰে আমাৰ Government Business আছে মঙ্গলবাৰে Private members business আছে, এতিয়া যদি আমি অলপ চাওঁ, সোমবাৰৰ দিনটোত যদি মই Zero Hour, 301,54 এইখিনি যদি অলপ সীমিত কৰো, মই নিদিও বুলি কোৱা নাই, সীমিত কৰো, এয়েই যদি ৩ টা যদি দিও, সেইদিনা যদি মই এটা মান দিও, ৫৪ ৰৰ এটা দিওঁ, ৩০১ ৰ এটা দিওঁ, কিছু সময় উলিয়াব পাৰিম। আৰু It is a very important disscussion. I am very happy that you have prepared yourself. মই ৰনোজ পেগু ডাঙৰীয়াৰো শুনিলো, অজন্তা নেওগৰো, মই অলপ সময় ইয়াত নাছিলো যদিও, তাত ডাঙৰ কৰি থৈছো যাতে তাত মই কথাখিনি শুনি থাকিব পাৰো, আৰু ৰমেন কলিতাই কৈছিল যে আপোনাৰ হাতত সময় নাই, মই কৈছো যে I should go now. কিন্তু

আপুনি ৩ টা পইন্ট খুব সুন্দৰকৈ কৈছে, মই Last ৰ সেইকেইটা note ও কৰিছো। সেইকাৰণে এটা ভাল discussion হৈছে। আমাৰ গোটেই লক্ষ্যটো হৈছে অসমৰ, আমাৰ যিখিনি জনসাধাৰণ আছে, Socio Economic যিখি নি কথা আছে, Environmental যিখিনি issue আছে, আমি এটা level লৈ যাব লাগে। মই কেৱল অসমৰ কথা কোৱা নাই। সমগ্ৰ ভাৰতবৰ্ষৰ কথা কৈছো। যোৱা বাৰো আমি এটা আলোচনা কৰিছিলো, ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত, আপোনালোক সকলোৱে ভাগ লৈছিল। আৰু তাত এটা আমি সিদ্ধান্ত লৈছিলো যে আমি প্ৰত্যেকজন সদস্যক Sustainable Development Goal সম্পৰ্কে আমি কোনোবা এজন Resource Person ৰ হতুৱা সেই সমষ্টিতোৰ যিখিনি কথা আছে, সেইখিনি কৰাৰ কাৰণে আমি Financialy আপোনালোকক Empower কৰাৰ কথা কৈছিলো। মই এই খিনি কথা আলোচনাৰ অন্তত নিশ্চয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰীকে আদি কৰি সকলোৰে লগত, মই তেখেত সকলকো মাতি এটা আলোচনা কৰিম। যাতে আমি আপোনালোকক Empower কৰিব পাৰো। গোটেই পলিচিটো নিজৰ সমষ্টিভিত্তিক, ৰাজ্যভিত্তিক কেতিয়া হব যেতিয়া সমষ্টিভিত্তিক আমি কৰিব পাৰিম। সেইখিনি কথা ভাবিছো। গতিকে মই ভাবো যদি আপোনালোকে মোক সন্মতি দিয়ে অহা সোমবাৰে কাৰণ আমাৰ তিনিটা দিন মাজত বন্ধ আছে, মই পিছবেলা কিয় নকৰো আমাৰ সদস্য সকলৰ উপস্থিতিটো খুব কম হয়, মই সেই কাৰণে এইটো ইছু অন্ততঃ আগবেলা হোৱাটো ভাল বুলি মই ভাবো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** ক্ৰমশঃ.. অধ্যক্ষ মহোদয়, মই আপোনাক এটা অনুৰোধ কৰিব পাৰো নেকি ?

**মাননীয় অধ্যক্ষ ঃ** কওঁক, কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** এই যিটো বিষয়, Development টো Sustain কৰিব লাগে। Sustainable Development Goal ৰ যিটো Growth তাৰ ওপৰত আজি আমি মাননীয় সদস্যসকলে যি কৈছে ভালেই কৈছে আৰু এইটোৰ প্ৰয়োজন আছে। গতিকে মই ভাৱো যে অহা সোমবাৰে আলোচনাৰ বাবে আমাৰ হাউচে নিশ্চয় অনুমোদন দিব। Private Member Business যি কেইদিন আছে; তাত যদি আপুনি এই আলোচনাটো দিয়ে, তেতিয়া এই যি ৭০ জন বিৰোধীপক্ষ আৰু আমাৰ শাসক পক্ষৰ বিধায়কে আপোনাক শ্লিপ দিছে. তাৰোপৰি আমাৰ Ruling পক্ষৰ কেইবাজানো সদস্যই মোক কৈ আছে, আমিও কম। এই SDG ৰ ওপৰত তেওঁলোকৰ কোৱাৰ যিটো প্ৰয়োজনীয়তা, এইটো আমাৰ অসমৰ কাৰণে খুব ভাল লক্ষণ। গতিকে আমাৰ যিটো Growth হৈছে এতিয়া Develop হৈছে, এইটো যদি Sustain কৰিব পাৰো অসমখনৰ কাৰণে ভাল হয়। অসমৰ স্বাৰ্থত আমি যদি Private Member Business ৰ দিনাখন আমি বিৰোধী, শাসক পক্ষৰ সকলোৱে Participate কৰি নিজৰ নিজৰ Opinionখিনি দিয়ে। প্ৰতিটো বিভাগৰ অফিচাৰ আজি সদনৰ গেলাৰীত আছে। গতিকে তেওঁলোকে এইটো Note কৰিব পাৰিব। তেতিয়াহ'লে ভাল হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, যদি House য়ে Opinionদিয়ে সেইটো কৰিলে ভাল হ'ব বুলি মই প্ৰস্তাৱ দিছো।

**মাননীয় অধ্যক্ষ ঃ** আমি এটা কাম কৰিব পাৰো, যদি House য়ে আপত্তি নকৰে। সোমবাৰে আমি যিমান পাৰো সময় দিম। কাৰণ আমাৰ Member Hour Business সেইদিনা থাকিব।

**শ্ৰী আব্দুল খালেক(জনিয়া) ঃ** আমাৰ আপত্তি নাই। এইটো Precedence হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা(পশ্চিম গুৱাহাটী)ঃ** ছাৰ, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই কোৱা ধৰণে অকল সোমবাৰে দিলে অলপ অসুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মঙ্গলবাৰেও দিয়া হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা(পশ্চিম গুৱাহাটী) ঃ** দুদিন দিলে ভাল হ'ব। কাৰণ আমাৰ বিধায়ক সকলে এই সম্পৰ্কত ক'বলৈ আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে যিহেতু দুদিন Private Member Business আছে, দুদিন এই আলোচনা দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আজি মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই গোটেই আলোচনাটো লোকসভা পাৰ্লিয়ামেণ্টত কোনোবাই কৈছিল, তাত দুই-তিনিবাৰ আলোচনা হৈছে। তাত এটা এটা Goal ৰ ওপৰত এতিয়া আলোচনা কৰি আছে। প্ৰথমে জেনেৰেল আলোচনা হ'ল।

**শ্ৰী আমিনুল ইছলাম(ধিং) ঃ** ছাৰ, বুধবাৰে আমাৰ Business কি কি আছে? বিলবোৰ আলোচনাৰ বাবে নিদিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** বুধবাৰে আমি বিলবোৰৰ আলোচনা ৰাখিব লাগিব। যিহেতু বিল কেইবাখনো আছে। সেইকাৰণে মই বুধবাৰে নলওঁ। সোমবাৰ আৰু মঙ্গলবাৰ লৈছো। আমি ৫/৬ ঘণ্টা Debate কৰিব পাৰিম। ভৱিষ্যতে আমি বঢ়াব পাৰিম। গতিকে এইবাৰ আমি যিখিনি পাৰো সোমবাৰ আৰু মঙ্গলবাৰ SDG ৰ ওপৰত আলোচনা কৰিম।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** ছাৰ, সোমবাৰে Private Member বিলটো নাথাকিব নেকি? এইটো মই জানিব বিচাৰিছো। কাৰণ মোলৈ এখন চিঠি আহিছে। সেইকাৰণে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Private Members অকল Members hour টো থাকিব। তিনিজন মেম্বাৰক কথা ক'বলৈ দিম। তাৰ পিছত আমি আৰম্ভ কৰিম, হ'ব।

**এতিয়া ০২-০৪-২০১৮ তাৰিখৰ পুৱা ৯.৩০ বজালৈ সদন স্তগিত ৰখা হ'ল।**